DATA ENTERED

# আগমনীৰ ঘাট

DIBRU COLLEGE CENTRAL LIBRARY * ESTD 1963 *

শীলভদ্ৰ

G938

বৰুৱা এজেঞ্চি
গুৱাহাটী

## ॥ এক ॥

মানুহ শূণ্যত ওপঙি থাকিব নোৱাৰে। স্থান আৰু কালৰ সূত্ৰেৰে ভৌতিক আৰু আধিভৌতিক আটাইবোৰৰ লগতেই অঙ্গাঙ্গী-ভাৱে জড়িত। যিকোনো সময়তে বা যিকোনো ঠাইৰ যিকোনো এটা ভঙ্গী বা ঘটনাই মানুহৰ ওপৰত প্ৰতিক্ৰিয়া সৃষ্টি কৰে।

দেউতাৰ এখন ৰেলিচাইকেল আছিল। তেতিয়াৰ দিনত চাইকেল এখন থকাটো বৰ ডাঙৰ কথা। ঠিক মাৰ্ভিচ কোম্পানীৰ ইন্‌জীনিয়াৰ বীৰেন মুখাৰ্জীৰ ঘৰৰ সমুখত দেউতাৰ চাইকেলৰ চকাৰ পাম্প নোহোৱা হ'ল। ক'লে মই কব পাৰো যে এই সামান্য ঘটনাৰ ফলত মই ঠিকাদাৰী কৰিবলৈ লৈছিলো। কথাটো কষ্টকল্পনা প্ৰসূত। কিন্তু এই সামান্য ঘটনাটোৱেই সৃষ্টিকৰা ঘটনাৱলীৰ ধাৰাবাহিকতাক উলাই কৰা টান।

ঠিক সেই বিশেষ মুহূৰ্ত্ততে বীৰেন মুখাৰ্জীও তেওঁৰ ঘৰৰ পৰা ওলাই আহিছিল। দেউতাক চাইকেল ঠেলিলৈ যোৱা দেখি স্বাভাৱিক ভদ্ৰতাৰ খাতিৰত নিজৰ পাম্পাৰটো দি সহায় কৰিছিল। সেই সূত্ৰে আলাপ। আলাপৰ পৰা ঘনিষ্ঠ বন্ধুত্ব। মুখাৰ্জীৰ উদগনিত দেউতাই ইটাৰ ভাটা খুলিলে। লগতে ঠিকাদাৰী কৰিবলৈ ল'লে। মই ঠিকাদাৰৰ পুত্ৰ। গতিকে মোৰ পক্ষে ঠিকাদাৰী কৰিবলৈ লোৱাত আচৰিত হবলগীয়া একো নাই। বংশগত পেচা।

"আপুনি হেনো আগতে ঠিকাদাৰী কৰিছিল ?
হয় ? কিয় ?"

“১৯১৩ চনৰ ১৪ নৱেম্বৰৰ ৰাতিপুৱা আঠ বাজি পয়ত্ৰিশ মিনিটত দেউতাৰ চাইকেলৰ চকাৰ পাম্প নোহোৱা হৈছিল কাৰণে।”

নাই। প্ৰশ্নৰ এইটো এটা উত্তৰ হব নোৱাৰে।

মানুহে সোধে—“আপুনি বোলে ঠিকাদাৰী কৰিছিল? এৰিলে কিয়?”

ইমান দিনৰ মূৰত কাৰণটো নিজৰ তাতেই স্পষ্ট নহয়। গতিকে ভাবি চিন্তি দিয়া যুক্তিবোৰ কেতিয়াবা পৰস্পৰ বিৰোধী হৈ যায়। নিজৰ দৃষ্টিভঙ্গীৰেই বহুতো সলনি হৈছে। আজিৰ দৃষ্টিভঙ্গীৰে বিশ পঁচিশ বছৰ আগৰ ঘটনা এটাৰ বিশ্লেষণ কৰিবলৈ গ’লে নিজক প্ৰতাৰণা কৰা হব। সেই সময়ৰ মানসিক অৱস্থাটো জানো আজিও একেই আছে?

যুক্তি নানাধৰণে দিব পাৰো। যুক্তিবোৰ একেবাৰে দলি মাৰি পেলাই দিয়া ধৰণবো নহব।

“বুজিছে? আজিকালি ঠিকাদাৰী—মানে হ’ল ত্বৰ্নীতি। নহব কিয়? যিটো ৰেটত মানুহে কাম লয় ঠিকমতে কাম কৰিলে সেইটো ৰেটত এক পইচা লাভ হব নোৱাৰে। লোকচানহে হব। ফাকিফুকা দিবই লাগিব। ইন্‌জীনিয়াৰ, ওভাৰচিয়াৰক ঘোচ দি হাত কৰিবই লাগিব।”

যুক্তিখিনি দলত্যাগী ৰাজনৈতিক নেতাৰ যুক্তিৰ দৰে কপটতাপূৰ্ণ যেন নালাগে?

আছিল। নাথাকিব কিয়? মোহ আছিল, উত্তেজনা আছিল। নিয়াৰিকৈ কাম এটা শেষ কৰাৰ আনন্দ আছিল, তৃপ্তি আছিল। সকলো পাহৰি কামত মত্ত হৈ থকাৰ নিচা এটাও আছিল। কিন্তু দেখা গ’ল কামতকৈ অকামতে সময়খিনি যায়। নেচনেল হাইওৱেৰ কাম। অত্যন্ত গুৰুত্বপূৰ্ণ কাম। তেতিয়া পেট্ৰ’লৰ ৰেশ্বন আছিল। পি, ডব্লু, ডিৰ চুপাৰিচত এচ, পিৰ অফিচৰ পৰা পেট্ৰ’লৰ কুপন দিছিল। এই অফিচৰ পৰা সেই অফিচলৈ পাক মাৰি থাকোঁতে



সময় যায়। টিপিচ্ টিপিচকৈ কুপন দিয়ে। প্ৰায়েই ট্ৰাকবোৰ বন্ধ থাকে। কাম নহয়। চৰকাৰী কোনো বিভাগেই কামৰ কথালৈ পৰোৱা নকৰে। মই কোন কুটা? লগতে অৱশ্যে সেই যুগৰ বিশেষ পৰিস্থিতিৰ কথাও মনত ৰাখিব লাগিব। স্বাধীনতাৰ ঠিক পিছৰ ছোৱা সময়। মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ মূৰ ঘূৰি গৈছে। আগতে আশা-আকাঙ্ক্ষা আছিল সীমিত। এতিয়া সম্ভাৱনাৰ নিৰ্দ্দিষ্ট কোনো সীমা নাই। লুটৰ ভাগ লৈ কাঢ়াকাঢ়ি, হুলস্থূল। এই সুযোগ। দেশ বিভাজনৰ মৰ্ম্মান্তিক পৰিণতিৰ অন্তৰালতো প্ৰাপ্তিৰ সীমাহীন সম্ভাৱনা। অসংখ্য মানুহৰ চকুপানী কাৰোবাৰ ডিঙিত মুক্তাৰ মালা হৈ জিলিকি উঠিল। যুগৰ প্ৰভাৱে মোকো যে প্ৰভাৱান্বিত কৰা নাই তাৰেই বা সত্যতা ক’ত?

মোটামুটি শিক্ষাদীক্ষা আছে। কিবা এটা যুক্তি দিব পাৰো। দিওঁও। কিন্তু শুদ্ধতা সম্বন্ধে নিজৰে সন্দেহ ৰৈ যায়।

পৰিবাৰে সুধিলে—“কি ইমান ভাৱি আছা?” ভাৱনাৰ কথা ক’লো।

তেওঁ ধেমালি কৰি ক’লে—“কাৰোবাক ভাল পাইছিলা বোধ হয়। চাকৰি কৰিবলৈ হ’লে দূৰলৈ যাব লাগিব কাৰণে ঠিকাদাৰী কৰি মধুপুৰতেই থাকি গ’লা।”

ধেমালি কৰি ক’লেও তেওঁৰ চকুত প্ৰছন্ন কৌতুহল।

এই দৃষ্টিকোণৰ পৰাও চোৱাত ক্ষতি কি? পিছে কথাটো জানো সঁচা? অৱশ্যে আজিৰ এই মনেৰে সিদিনাৰ সেই অনুভূতি পুনৰুপলব্ধি কৰা সম্ভৱ নহয়। ক’ৰবাত কিবা ৰং লাগিলেও ৰ’দে ৰ’তাহে সেই ৰং কেতিয়াবাই নাইকীয়া হৈ গৈছে। চিনছাপ কিবা জানো আছে?

নীলা? হব পাৰে। কেনেকৈ কম? কেইবছৰমান আগতে মধুপুৰলৈ গৈছিলো। গধূলি নীলাহঁতৰ ঘৰলৈ গৈছিলো। নীলাই মাত দিব নোৱাৰিলে। কেঁচুৱা শুৱাই আছিল। অলপ ৰব ক’লে।

সেই অৱস্থাতে ঘোৰ টোপনি। গিৰীয়েকে জগাই দিব খুজিছিল। ব্যস্ত হৈ হাক দিলো।

"নালাগে, নালাগে।"

কিছুদিন আগতে নীলাৰ চিঠি এখন পাইছিলো। ডাঙৰ ল'ৰাজনক ইউনিভাৰ্চিটিত চিট এটা যোগাৰ কৰি দিব লাগে। মোৰ কৰিবলগীয়া একো নাছিল। ল'ৰাজন পঢ়াত বেচ ভাল। এনেয়ে চিট পাব। তথাপিও মাকৰ অৰ্থাৎ পৰোক্ষে দেউতাকৰ উৎকণ্ঠা। চিঠিখনৰ শেষত বেয়া পাবলৈ হাক দিছে। "আপোন মানুহ কাৰণে আমনি কৰিছো, বেয়া নাপাব।"

পৰিবাৰক ক'লো—"এই চোৱা, আপোন মানুহৰ চিঠি।" চিঠিখন পঢ়ি পৰিবাৰে সুধিলে—"কিবা সম্বন্ধ লাগে নেকি তোমালোকৰ লগত?"

"হোঃ। সম্বন্ধ লাগে মানে? আছা ক'ত? বিয়াই হব পাৰিলে হয়। নীলাৰ দেউতাকে মাক তো প্ৰায় কাবু কৰি আনিছিলেই। মূৰ্খামি কৰি মইয়েই মান্তি নহ'লো কাৰণেহে। নীলাৰ দেউতাকৰ কম পইচা? একমাত্ৰ ছোৱালী তাই।"

"ওঃ, হোঃ, চ্যঃ, চ্যঃ। ওজনতো ঠগ খাইছে। আমাৰ দুগুণ হব। নহব?"

"কম নহব।"

"সেই কাৰণে মুধুপুৰলৈ যোৱাৰ ইমান তাল?"

"এৰা।"

পিছে এটা কথা। যদিও বিয়াৰ প্ৰস্তাৱত মুঠেই কাণদিয়া নাছিলো নীলাৰ বিয়াৰ দিনা বুকুখন খালীখালী লাগিছিল। বোধহয় ছুনাই বিয়াৰ প্ৰস্তাৱ নাহিব কাৰণে।

মঞ্জুলা? হয় জানো? কিশোৰীৰ সপ্ৰশংস দৃষ্টিৰ আগত কোনে নিজকে অবিচলিত ৰাখিব পাৰে? অভিভূত নহৈ পাৰে? অকৃত্ৰিম আনন্দেৰে তাই কৈছিল।



"চাওঁ, চাওঁ, মইয়ো চাওঁ মেডেলটো। তুমি প্ৰথম হৈছিলা? সকলোতকৈ বেচি নম্বৰ পাইছিলা? মগজুত কি আছে নো তোমাৰ?"

বীৰৰ পূজা। মইয়ো বীৰ নহওঁ, মঞ্জুলাইও ঠিক পূজা কৰা নাছিল। তথাপিও তাকে নকৈ নো অইন কি কব পাৰি?

পিছত শুনিছিলো তাই হেনো বেয়া হৈছে। ছোৱালী বেয়া হোৱাৰ অৰ্থ একেটাই। সৰু ঠাই মধুপুৰ। ঘটনা যিখিনি ঘটে তাৰ কথা তো ওলায়, যিখিনি নঘটে তাৰো কথা ওলায়। প্ৰতুলে কয়, "অইন ঠাইত পখীয়েহে উৰে, মধুপুৰত হলে কণীয়েই উৰা মাৰে।"

মধুপুৰ সৰু ঠাই হ'লেও জনশূন্য ঠাই নহয়। যথেষ্ট মানুহ আছে। ছোৱালীও আছে। তেতিয়াও আছিল। তাৰে কিছুমান বেচ ধুনীয়াও। চাই ভাল লাগিছিল। কথা পাতিব পাৰিলে আৰু ভাল লাগিছিল। কিন্তু প্ৰেম? আঙুলিয়াব পৰা নাই দেখোন।

প্ৰমীলাবৌ? এই বেলিহে মৰিলো। মই কিয়? বিশ পঁচিশ বছৰীয়া সকলো ডেকাৰ তেওঁৰ সম্বন্ধে বেলেগ এটা মোহ আছিল। সৰু ঠাই মধুপুৰৰ আটাইতকৈ আধুনিকা মহিলা। তেওঁৰ আড্ডাত আমি সকলোৱে যোগ দিছিলো। প্ৰতুলে সেই আড্ডাত কাঢ়াকাঢ়ি কৰি আটাইতকৈ বেচি বস্তু খাইছিল, আটাইতকৈ বেচি চিঞৰ বাথৰ হুলস্থুল কৰিছিল। অন্তৰালত সিয়েই প্ৰমীলাবৌক মৌ কুঁৱৰী বুলি কৈছিল। বেছি হুলস্থুল কৰি থকা কাৰণে প্ৰমীলা বৌয়ে প্ৰতুলক মৰমো কৰিছিল। মৰমেৰে লাহেকৈ থাপ্পৰ মাৰি শাসনো কৰিছিল।

পৰিবাৰে সুধিলে—"কাৰ কথা নো ইমানকৈ ভাৱি আছা?"

"প্ৰমীলা বৌৰ।"

"কি হ'ল প্ৰমীলা বৌৰ?"

"প্ৰমীলা বৌৰ আড্ডাৰ নিয়ম আছিল অত্যন্ত কাঢ়া। কাৰোবাৰ পঁচিশ বছৰ পাৰ হোৱাৰ লগে লগে আৰু সেই আড্ডাত

প্ৰবেশাধিকাৰ নাছিল। পঁচিশ বছৰ পাৰ হৈ যোৱাত আমাৰ কি দুৰৱস্থা। ইতিমধ্যে আমাৰ ভাই ভতিজাবোৰে আড্ডাৰ সভ্য পদ লৈছে। প্ৰমীলা বৌ সিহঁতক লৈ ব্যস্ত। সিহঁতেও আমাৰ ফালে অৰ্থাৎ বুঢ়া কেইজনৰ ফালে কাঢ়া চকুৰে চাবলৈ আৰম্ভ কৰিছে। প্ৰাণ খুলি হুলস্থূল কৰিব নোৱাৰে, চিগাৰেট খাব নোৱাৰে। আমি চকুপানী টুকি টুকি আড্ডাৰ পৰা ওলাই আহিলো। কি আৰু কৰিম?"

"কিয়? ইমান চকুপানী টুকিবলগীয়া কি হৈছিল?"

"কি হৈছিল মানে? বিনা পইচাত ইচ্ছামতে চাহ মিঠাই। প্ৰমীলা বৌয়ে চিগাৰেটো অনাই দিছিল! প্ৰতুলে মনে মনে চিগাৰেটৰ পেকেট পকেটত ভৰাই লৈও আহিছিল।"

"তেওঁৰ আগত চিগাৰেট খাইছিলা? বয়সত ডাঙৰ নহব?"

"তেওঁ তো 'তুমি' বুলিয়েই মাতিব কৈছিল। মই নোৱাৰিছিলো! হাজাৰ হওঁক গাৰঁৰ ল'ৰা।"

"এতিয়াও আছেনে তেখেতৰ আড্ডা?"

"নাই। আজিকালিৰ ল'ৰাবোৰ কিবা হ'ল। চাহ মিঠাইৰো খৰচ বহুত বাঢ়িল। তেওঁ এতিয়া কুকুৰ কেইটামান পোহে। বিশ পঁচিশ বছৰীয়া ল'ৰাৰ মানসিক গঠনৰ কোনোবা এটা অংশৰ লগত কুকুৰৰ মানসিক গঠনৰ কিবা মিল আছে নেকি? মই কব নোৱাৰিম।"

পৰিবাৰে আকৌ এদিনা সুধিলে—"পালা বিচাৰি?"

মই ক'লো—"হেৰা, এনেকুৱাও তো হব পাৰে। কাৰোবাক ভাল পাই মধুপুৰত নাথাকি অইন কাৰোবাক ভাল পাই মধুপুৰ এৰিবও তো পাৰো।"

"হৈছে, হৈছে। তেল দিয়াৰ কোনো দৰকাৰ নাই।"

ধেমালি নহয়। ঠিকাদাৰী কৰি জীৱনৰ গুৰুত্বপূৰ্ণ কেইটামান বছৰ নষ্ট কৰিছো নেকি? অৱশ্যে এই প্ৰশ্নৰ উত্তৰ দিয়াৰ আগতে



নষ্ট কৰাৰ প্ৰকৃত সংজ্ঞা ঠিক কৰি লব লাগিব। ঠিকাদাৰী কৰিবলৈ লৈছিলো কিয়, এৰিলোই বা কিয়? অইনৰ প্ৰশ্নৰ উত্তৰত কিবা এটা কৈ দিলেই হ'ল। পিছে নিজৰ কাৰণেই এটা সঠিক উত্তৰৰ প্ৰয়োজন।

"হেৰা।"

"কি হ'ল?"

"পুৰণি এলবামখন দিয়াচোন।"

ঠিকাদাৰী কৰা দিনত তোলা ফটো। প্ৰতুলে তুলিছিল। পটভূমিত শিলৰ স্তুপ, তাৰ কাষত এখন ট্ৰাক। মাজত চকীত বহি মই। একফালে কেৰামত মিঞা, অইনফালে ৰঘুনন্দন। ফটোত দুয়োকে বুৰ্বকৰ দৰে দেখিলেও অত্যন্ত ধুৰন্ধৰ মানুহ। নিজৰ সম্বন্ধে মন্তব্য কৰা উচিত নহয়। যাত্ৰাদলৰ ৰজাৰ দৰে মোৰ সুস্পষ্ট এক কোছা গোঁফ। এতিয়া অৱশ্যে সেই গোঁফ নাই। গোটেই মুৰটো তপা। এই তপা মুৰৰ লগত অতিশয় বিসাদৃশ্য কাৰণে কাটিছাটি যথেষ্ট ক্ষীণকায় কৰা হৈছে।

মোৰ সমস্যাৰ সমাধান কৰিবলৈ হ'লে মই সেই যুগলৈ উভতি যাব লাগিব। এনেকৈ চিন্তা কৰি থকাটো হব নিষ্ফল অনুশীলন। পৰিবাৰক ক'লো—"শুনা, মই দুদিন নাথাকিম।"

"কিয়? ক'ত যাবা?"

"বিশ বছৰ আগলৈ।"

"টাইম মেচিন?"

"এৰা। শুনা, যেহেতু মই বৰ্ত্তমানত নাথাকিম, সামান্য কথাতে বিৰক্তি প্ৰকাশ কৰিব পাৰো, গালি পাৰিলেও পাৰিব পাৰো। বেয়া নাপাবা।"

"গালি নো কোনদিন নাপাৱা?"

"এৰা।"

॥ দুই ॥

আত্মীয় স্বজনৰ কথা তো কবই নালাগে। মধুপুৰৰ সকলোৱে মোক মৰম কৰে।

লৰালৰিকৈ চিগাৰেটটো মুখৰ পৰা পেলাই দিলো। সমুখত দুৰ্ব্বাসা মুনি। মানে, পণ্ডিত হৃদয়নাথ শৰ্ম্মা। পণ্ডিত নলবাৰী অঞ্চলৰ মানুহ। মধুপুৰৰ সংস্কৃত টোলৰ পৰা উপাধি পৰীক্ষাত উত্তীৰ্ণ হৈ মধুপুৰতেই থাকে। মধুপুৰৰ সৰ্ব্বসাধাৰণ মানুহে ব্ৰাহ্মণ মানুহক ঠাকুৰ বুলি কয়। ৰাধা ঠাকুৰ, সীতানাথ ঠাকুৰ, আদ্য ঠাকুৰ ইত্যাদি। হৃদয় শৰ্ম্মাকো মাতে হৃদয় ঠাকুৰ বুলি। হৃদয় ঠাকুৰৰ খং অত্যন্ত বেচি কাৰণে ডেকাবোৰে অন্তৰালত তেওঁক দুৰ্ব্বাসা মুনি বুলি কয়। পাৰ্থিব কোনো বস্তুৰ প্ৰতি অকণো লোভ নাই। মেজাজ অতিশয় উগ্ৰ। সামান্য কথাতে জকি উঠে। ক্লাচ টেনত থাকোঁতে মোক এদিন মাতৃ শব্দৰ দ্বিতীয়াৰ বহুবচন কি সুধিছিল। মই দাতৃ শব্দৰ লগত মিলাকৈ ক'লো। লগে লগে বিস্ফোৰণ।

"তই এইহে পঢ়াত ভাল?"

তেওঁৰ খং বেচি পৰ নাথাকে। অলপ সময় মনে মনে থাকিলেই তেওঁ আকৌ ঠাণ্ডা।

কেতিয়া তেওঁৰ কি খেয়াল হয় ঠিক নাই। ব্ৰহ্ম মুহূৰ্ত্তত উঠাটো খুব ভাল। ভাল কাম নিজে কৰিলেই হব নে? আন্ধাৰে পোহৰে মানুহৰ ঘৰে ঘৰে গৈ বৰকাঁহ বজাই গান গাই ফুৰা আৰম্ভ কৰিলে।

"গুৰু গোবিন্দ বোলে, উঠহে কুতুহলে।
শীতল হবে মন প্ৰাণটো।"



মানুহে বিৰক্ত হ'লেও একো কব নোৱাৰিছিল। অৱশ্যে হৃদয় ঠাকুৰে একেটা কথাত বেচি দিন লাগি নাথাকে।

মই লৰালৰিকৈ চিগাৰেটটো মুখৰ পৰা পেলাই দিলো। সমুখত দুৰ্ব্বাসা মুনি। নহয়, মানে পণ্ডিত হৃদয় নাথ শৰ্ম্মা।

মোক দেখি তেওঁ মোৰ কৈফিয়ৎ তলব কৰিলে।

"তই বোলে ঠিকাদাৰী কৰিবলৈ লৈছ? হয় নে? এই বয়সতে ইমান তোৰ অৰ্থলিপ্সা হৈছেনে? ইমান লিখাপঢ়া কৰিলি কিয়? কথাটো শুনি মই বৰ বেয়া পাইছো। বৰ বেয়া পাইছো।"

তেওঁ এটা সংস্কৃত শ্লোক মাতি শুনালে। অৰ্থ হ'ল যে বিদ্যাদান হ'ল আটাইতকৈ ডাঙৰ দান। লগতে বিদ্যাদান কৰিলে কি ধৰণৰ পুণ্য হয় তাৰ এক ফিৰিস্তি।

হৃদয় নাথ শৰ্ম্মাৰ পৰলোক প্ৰাপ্তি ঘটিছে। মই ঠিকাদাৰী এৰি দিছো বুলি তেওঁক খবৰটো দিবৰ আৰু কোনো উপায় নাই।

আৰু আপত্তি কৰিছিল ব্ৰাউন চাহাবে। অকলশৰীয়া এই চাহাব। অকলে থাকিছিল, অকলে ফুৰিছিল, অকলে অকলে কেতিয়াবা লাওখোৱা বিলৰ পাৰত বহি বৰশীৰে মাছ ধৰিছিল। চহৰৰ শিক্ষিত আৰু সম্ভ্ৰান্ত মানুহৰ পৰা তেওঁ পলাই ফুৰিছিল। পিছে তেৱোঁ বোধহয় কেতিয়াবা লগ বিচাৰিছিল। হৰেকান্ত গুৱাল বা ধৈৰ্য্য মাঝিৰ চোতালত বহি হোকা খাই তেৱোঁ কথা পাতিছিল। সেলেঙি লগাই তামোল খাই চোতালৰ দাঁতিত উঠি গৈ সন্তৰ্পণে পিক পেলাইছিল।

মধুপুৰ মৰাপাট কিনাৰ প্ৰধান কেন্দ্ৰ আছিল। ব্ৰাউন চাহাবৰ কুঠী আছিল তাত। মৰাপাট কিনা বতৰত চাহাবে প্ৰায়েই আহিছিল। দেউতাই কৈছিল খুব শিক্ষিত আৰু জনা মানুহ আছিল এই ব্ৰাউন চাহাব। ভয়ানক খাতিৰ আছিল চাহাবৰ। কিন্তু কি যে হ'ল চাহাবৰ। দেশ সমাজ প্ৰতিপত্তি সকলো এৰি স্থানীয় ছোৱালী এজনীক লৈ চাহাবে মধুপুৰতে পৰি থাকিল। মৰাপাট কিনা বেচাৰ

G938

প্ৰক্ৰিয়াক ফট্‌কা বজাৰ বুলি কয়। বাৰে প্ৰতি লাখ লাখ টকা লোকচান ভৰি চাহাব নিঠকুৰা হৈ গ'ল। কৰ্ম্মক্ষম মানুহ, ৰাজশক্তি সহায়। ইচ্ছা কৰা হ'লে নিশ্চয় আকৌ থিয় হৈ উঠিব পাৰিলে হয়। পিছে সেই ইচ্ছা আৰু বোধহয় তেওঁৰ নহ'ল। হয়তো এই চেষ্টা, এই উদ্যোগ সকলো কিবাকাৰণে তেওঁৰ মনত অৰ্থহীন বুলি প্ৰতিভাত হ'ল। স্থানীয় নিম্নশ্ৰেণীৰ ছোৱালী এজনীক লৈ মধুপুৰতে পৰি থাকিল।

ব্ৰাউন চাহাবে মোক মৰম কৰিছিল। লগ পালে খা-খবৰ সুধিছিল। সমুখত থিয় হৈ কথা পাতি-থাকিলেও মোৰ সদায় ভাব হৈছিল চাহাব যেন আগত নাই। বহুত দূৰতহে আছে।

চাহাবেও মোক কৈছিল—"ঠিকাদাৰী কৰিবলৈ লৈছা? ভাল কথা। টকা ঘটাটো নিচা হিচাবে লব পাৰিলে ভালেই পাবা। নহ'লে......।"

ব্ৰাউন চাহাবে বহু সময় বৈ থাকিল। বোধ হয় কি কব ভাবাৰে ঠিক প্ৰকাশ কৰিব পৰা নাই। বোধহয় একোকে নকব। বহু দূৰৰ পৰা আকৌ তেওঁ উভতি আহিল।

"নহ'লে শেষ পৰ্য্যন্ত বৰ অকলশৰীয়া হৈ পৰিবা। জীৱনৰ পৰা বিচ্ছিন্ন হৈ পৰিবা।" তেওঁ এই কথাৰে কি বুজাব খুজিছিল মই ধৰিব পৰা নাছিলো।

ঠিকাদাৰী কৰিবলৈ লোৱাত মঞ্জুলাই ভাল পোৱা নাছিল। পিছে তাইৰ ভাল পোৱা নোপোৱাৰ মূল্য কি? প্ৰেম? নহয়। প্ৰশংসা আৰু শ্ৰদ্ধা। সৰল কিশোৰীৰ মনৰ শ্ৰদ্ধা আৰু ভক্তি। মোক কৈছিল—"শেষ পৰ্য্যন্ত ঠিকাদাৰ হ'লা? বিদেশলৈ গৈ আৰু কিবাকিবি শিকি নাহা কিয়? ইয়াৰে ৰামশঙ্কৰ মিস্ত্ৰীও তো ডাঙৰ ঠিকাদাৰ। লাখ লাখ টকা তাৰ। নহয়? টকাই তোমাৰ ডাঙৰ হ'ল? মদৰ দোকান এখন নল'লা কিয়? তাত হেনো বহুত টকা।"

সাধাৰণ ছোৱালী মঞ্জুলাৰ কথাত কাণ দিয়া নাই। কলেজত নাম লগাইছে মাত্ৰ। মাতব্বৰি কৰা দেখি ডাবি দিবৰে মন গৈছিল।



মোৰ পাৰ্কাৰ কলমটো মেজত আছিল। মেট্ৰিক পৰীক্ষাত বৃত্তি পোৱাত দেউতাই মোক কলমটো দিছিল। ইয়াৰ আগতে মই নিজৰ কলম ব্যৱহাৰ কৰাই নাছিলো। কলমটো মোৰ বৰ মৰমৰ। সকলোবোৰ পৰীক্ষাতে মই এই কলমটোৰে উত্তৰ লিখিছিলো। মোৰ বিশ্বাস এটা আছিল যে এই কলমটোৰে লিখিলে পৰীক্ষা ভাল হবই। হঠাতে মঞ্জুলাই কলমটো তুলি ল'লে।

"কলমটো মই ল'লো। এইটো কলম তোমাৰ ব্যৱহাৰ কৰাৰ দৰকাৰ নাই।"

"আৰে? কি কৰা?"

"ঠিকাদাৰী কৰি বহুত টকা আৰ্জ্জিবা। লাগিলে সোণৰ কলম এটা কিনি লব পাৰিবা। ঠিকাদাৰীৰ হিচাব লিখাৰ কাৰণে বৰদেউতাই দিয়া এই কলমটো ব্যৱহাৰ নকৰিলেও হব।"

কলমটো মোৰ বৰ মৰমৰ। কাঢ়ি লোৱাৰ উদ্দেশ্যে খপ্‌কৈ মই তাইৰ হাতখন ধৰিলো। মঞ্জুলাই ফোচ্‌কৈ উঠিল।

"হাত এৰি দিয়া। গাত হাত নিদিবা। এইবোৰ মই ভাল নাপাওঁ।"

তাইৰ মাতৰ আন্তৰিকতাক মই উপেক্ষা কৰিব নোৱাৰিলো। অপ্ৰস্তুত হৈ তৎক্ষণাৎ হাত এৰি দিলো। তাই কলমটো লৈ গুচি গ'ল। গৈ থকা অৱস্থাতে মোক আশ্বাস দিলে।

"ভয় নকৰিবা। কলমটো মই নষ্ট নকৰো, বিক্ৰিও নকৰো।"

প্ৰেম? নহয়। যৌবনত সকলো ছোৱালীকে ভাল লাগে। মঞ্জুলাকো ভাল লাগিছিল। বৰ শান্ত আৰু মৰমলগা ছোৱালী। বিধবা মাক আৰু সৰু ভায়েক এজন আছে। আমাৰ ঘৰৰ লগত বেচ ভাল। এককালে একেখন ঘৰৰ মানুহৰ দৰে আছিল।

ঠিকাদাৰী এৰি দিয়াৰ প্ৰায় দুবছৰৰ মূৰত এটা ৰেজিষ্টাৰ্ড পাৰ্চেল পাইছিলো। ভিতৰত সেই পাৰ্কাৰ কলমটো। লগত ক'তো একাষাৰ কথা লিখা নাই। কলমটো যত্ন কৰি ৰাখি থৈছো। মোৰ অত্যন্ত মৰমৰ বস্তু।

৪৭৭৬

## ॥ তিনি ॥

নেচনেল হাইওৱেত শিলগুটি যোগান ধৰাৰ কাম লৈছিলো। ভাৰতৰ অন্যান্য অংশৰ লগত অসমক সংযোগ কৰা একমাত্র স্থলপথ। সেই বাটৰ আঠ মাইল দীঘল এটা অংশত শিলগুটি যোগান ধৰাৰ কাম। খোৱাঘাটৰ পৰা শিলগুটি কঢ়িয়াই আনিব লাগিব। বহুত দূৰ বাট। সেই হিচাবে টেণ্ডাৰ দিছিলো।

বাটৰ কাষেদি গঙ্গাধৰ নৈ বৈ গৈছে। বুদ্ধি কেৰামত মিঞাৰ। "ইমান দূৰৰ পৰা আনিব লাগিছে কিয়? দিনটোত এখন ট্রাকে খুব বেচি দুই ক্ষেপ শিলগুটি আনিব। আগমনী ঘাটৰ পৰা ছ মাইলমান উজাই গ'লে গঙ্গাধৰ নৈৰ তলি শিলগুটিৰে ভৰ্ত্তি। উঠাই আনিলেই হ'ল। কলাফুলীয়া পানীত শিলগুটি দ'ম লাগি আছে। বেতৰ টুকৰীত ভৰাই পানীৰ মাজত এটা জোকাৰণি দিলে ধূলিবালি ওলাই যাব। তাৰ পিছত লৈ আনক আগমনীৰ ঘাটলৈ। তাৰে পৰা বাটত য'তে লাগে দিয়ক।"

কেৰামত মিঞা কৰিৎকৰ্ম্মা মানুহ। গোলকগঞ্জ আৰু পাটামাৰীৰ পৰা জাকে জাকে নাও আনি হাজিৰ কৰিলে। নাওৰ আকাৰ অনুযায়ী প্ৰতিখন নাওত তিনিজনৰ পৰা আৰম্ভ কৰি দহ জন পৰ্য্যন্ত মানুহ। হাৰাণ, কাদেৰ, পৱন, মাণিক, বৰকতুল্লা হ'ল নাওঁৰ মালিক। আমি কওঁ নাইয়া। আমাৰ হিচাব-পত্র এওঁলোকৰ লগত। নাওঁবোৰে পাঁচ বাকচৰ পৰা চৈধ্য বাকচ মাল কঢ়িয়াই আনে। মাল মানে শিলগুটি। ৰাতিপুৱাই ওলাই যায়। যাওঁতে গুণ টানি উজাই যায়। গধূলি মাল লৈ আগমনীৰ ঘাটত উভতি আহে।

আগমনীৰ ঘাটত উঠিল শাৰী শাৰী অস্থায়ী চালি। টুকুৰী,



বেলচা, পেট্ৰ'ল মবিলৰ গুদাম। মানুহ থকাৰ কাৰণে টিনপাত আৰু চাটাইৰে সজা ঘৰ।

দিনৰ দিনটো ঘাটত অইন কামকাজ নাথাকে। কেৱল ট্রাকবোৰে শিলগুটি কঢ়িয়াই লৈ বাটৰ কাষত পেলাই আহে। ট্রাকবোৰেও চুক্তিত কাম কৰে, ট্রিপ হিচাবে টকা। লোডিং আনলোডিঙো চুক্তিত। ট্রিপ হিচাবে। নজৰ ৰাখিব লাগে যাতে তাকৰকৈ মাল লৈ ট্রিপৰ সংখ্যা বঢ়াই নিদিয়ে। এইবোৰ চোৱাচিতা কৰাৰ দায়িত্ব ৰঘুনন্দনৰ।

গধূলি হোৱাৰ লগেলগে ঘাটত হুলস্থুল লাগি যায়। নাওবোৰে শিলগুটি লৈ আহে। আহিয়েই সকলোৱে মূৰত বিৰিয়া বান্ধি নাও খালাচ কৰাত লাগি যায়। সুবিধাজনক ঠাই লৈ নিজৰ মাজত কাজিয়া আৰম্ভ হয়। বিশখনমান নাও একেলগে আহি পাই ঘাটত হুলস্থুল লগাই দিয়ে। অলপ পিছতে ঘাট আকৌ শান্ত হয়। খাই বই কিছুমানে নাওতে থাকে। কিছুমানে চালিবোৰত শোৱে। নিজৰ ভিতৰতে কথা পাতে, কাঁহে, দোতোৰা বজাই বহুৰাতিলৈ গান গায়।

আগমনীৰ ঘাটটোক ৰাতি অইন এটা গ্রহৰ এটা অংশ যেন লাগে। সকলো সপোন, সকলো অস্থায়ী। এই অইন গ্রহত যাওঁতে আমাৰ প্ৰাত্যহিক অনুভূতিবোৰ যেন পৃথিৱীতে ক'ৰবাত এৰি থৈ গৈছো। সকলো সপোন, অশৰীৰী। মাজৰাতি আগমনীৰ ঘাটত বিছনাত পৰি থাকি শূন্যত ওপঙি থকা যেন লাগে। বৈ যোৱা নৈৰ পানীৰ নিৰৱচ্ছিন্ন শব্দটোৱে মনক আচ্ছন্ন কৰি পেলায়। মনটো মোহগ্রস্ত হৈ আহে। সকলো সপোন, সকলো অস্থায়ী।

ৰাতিপুৱা সকলোতকৈ আগতে ট্রাক লৈ ওলায় সূৰ্য্য বাবুয়ে। নিজেই ট্রাকৰ মালিক, নিজেই ড্ৰাইভাৰ। ডাঠ ক'লা ফ্ৰেমৰ চচ্‌মা পিন্ধা গম্ভীৰ স্বল্পভাষী মানুহ। খুব কম কথা কয়।

মহাযুদ্ধৰ সময়ত ঠিকাদাৰী কৰি অজস্র টকা উপাৰ্জ্জন কৰিছিল।

তেওঁৰ অমিতব্যয়িতাৰ কাহিনী সাধুকথাৰ দৰে তেতিয়াও চলি আছিল। বৰ্ত্তমানে এই ট্ৰাকখনৰ বাহিৰে তেওঁৰ একো নাই। অদৃষ্টৰ পৰিহাস লৈ অলপো হা-হুতাশ নাই। বিনা প্ৰতিবাদে অদৃষ্টক মানি লৈছে। মই তেওঁক ড্ৰাইভাৰবোৰৰ কেম্পত নাথাকি মোৰ লগত থাকিবলৈ কৈছিলো। সবিনয়ে কিন্তু দৃঢ়তাৰ সৈতে তেওঁ এই অনুৰোধ প্ৰত্যাখ্যান কৰিছিল।

২৭০ নং ট্ৰাকৰ ড্ৰাইভাৰ গনেশ এতিয়াও ওলোৱা নাই। ট্ৰাকখন বহি থকা মানে ট্ৰাকত কামকৰা মজদুৰ কেইজনো বহি থাকে। ৰঘুনন্দনে মাতি মাতি গনেশক তুলিব নোৱাৰি ভৰিত ধৰি টানি তাক চাঙৰ পৰা মাটিত পেলাই দিলে।

ৰঘুনন্দনে অভিযোগ কৰিলে—"ইয়াৰ ট্ৰাকখন পঠিয়াই দিয়ক। ইয়াৰ মতি গতি বৰ বেয়া হৈছে। গাৱঁৰ কেইজনমানৰ লগ হৈছে। ৰাতি ৰাতি সদায় গাৱঁলৈ যায়। কোনোবাদিন মাৰ খাই মৰিব। আমাৰ কেম্পৰ বদনাম হব।"

ওচৰে পাজৰে গাওঁ আছে। গাৱঁৰ মানুহে ঘাটত আহি কাম-কাজ চাই থাকে। গৰুক গা ধুৱায়। মাতিলে উত্তৰ দিব নোখোজে। বোধহয় লাজ। ২৭০ নং ট্ৰাকৰ ড্ৰাইভাৰ গনেশৰ লগত খুব খাতিৰ হৈছে তাৰে কেইজনমানৰ। কাম শেষ কৰি গধূলি সিহঁতৰ লগত গাৱঁলৈ যায়। বহুত ৰাতি কেম্পলৈ আহে। ৰাতিপুৱা টোপনিৰ পৰা সাৰ নাপায়।

এইবোৰ সমস্যা এৰাবৰ উপায় নাই। কাম কৰিবলৈ গৈ য'তেই কেম্প পতা যায় তাতেই উদ্ভৱ হয় নানাধৰণৰ বাহিৰা সমস্যা। দুদিনতে গঢ়ি উঠে নতুন সম্বন্ধ। হৃদয়ৰ আদান-প্ৰদান, মান অভিমান, হিংসা দ্বন্দ।

কেম্পত ভাত ৰান্ধে হৰিৰামে। ট্ৰাকৰ হেন্দিমেন কেইজনেও সহায় কৰে। ভাল মাছ মাংস থাকিলে মোহন ড্ৰাইভাৰেও লাগি যায়। শুকান খৰি নাই বুলি হৰিৰামে ভোৰ-ভোৰাই আছিল।



কাকো একো নকৈ গনেশে কেইজনমানক ট্ৰাকত তুলি ওলাই গ'ল। গাৱঁৰ বাটৰ লোকেলবোৰ্ডৰ বাঁহৰ দলং এখন ভাঙি ট্ৰাকত ভৰাই কেম্পত আনি পেলাই দিলে। দুদিন পিছতহে গম পালো। ডাবি ধমকি দিও ইহঁতক চম্ভালিব নোৱাৰি।

আগমনীৰ ঘাটত গঢ়ি উঠিছে এখন ক্ষুদ্ৰ পৃথিবী। ডাঙৰ পৃথিবীখনৰ পৰা আটাইবোৰকে লাহে লাহে এই পৃথিবীখনতো আমদানী কৰা হৈছে। মান, অভিমান, লোভ, ভয়, হিংসা আৰু প্ৰেম। শান্ত যৱনিকাৰ অন্তৰালত মানসিক অনুভূতিৰ তীব্ৰ আন্দোলন। গধূলি চেক্‌চনাল অফিচাৰৰ তাত সকলোৱে গোট খাওঁ। তাচ খেলো, আড্ডা মাৰো। তাচ খেলি থাকোতে ৰাতি হৈছে। কেম্পলৈ উভতি আহোঁতে বাটত দেখিলো দুজনে এখন চাইকেলত উঠি সিফালৰ পৰা আহি আছে। মনকৰিবলগীয়া কথা নহয়। কৰাও নাছিলো। বাটৰ কাষচাপি গ'লো। চাইকেল চলোৱাজনে জাপমাৰি নামি মোৰ ভৰিত হামখুৰি খাই পৰিল। জাপমাৰি উঠিলো।

"কি হ'ল? কি কথা? কোন তুমি?"

"চাৰ, আমাক এৰি দিয়ক। আপোনাৰ ভৰিত ধৰিছো, আমাক যাবলৈ দিয়ক।"

হতবুদ্ধি হৈ নিজে এনেকৈ ধৰা নিদিলে মই গমেই নাপালো হয়। ২৭০ নং ট্ৰাকৰ ড্ৰাইভাৰ গনেশ। মূৰত ডাঙৰ পাগুৰি মাৰা ধুতী পিন্ধা অইন মানুহজন হ'ল গাৱঁৰ শ্ৰীদাম মণ্ডলৰ ছোৱালী হেমো। দুয়ো পলাই যাবলৈ ওলাইছে।

গনেশে ক'লে—"ৰঘুনন্দন দাদাৰ চাইকেলখন গোলকগঞ্জৰ মাধবৰ দোকানত থৈ যাম। সি কাৰোবাক দি পঠিয়াই দিব।"

সুধিলো—"তোমাৰ ট্ৰাক?"

"মালিকক খবৰ দিব। যি কৰে কৰিব।"

মোৰ হ'ল মস্কিল! মোক দেখি জাপ মাৰি চাইকেলৰ পৰা নামি বেটাই লেঠা লগালে। হাতে-হাতে ধৰি মই নো কেনেকৈ এৰি দিওঁ?

খং দেখুৱাই সুধিলো—"পলুৱাই নিব লগা হৈছে কিয় ? তোমালোকৰ মাজত বিয়াবাৰু নচলে নেকি ?"

"কিয় নচলিব ? পিছে মণ্ডলৰ যিহে খক। ইমান টকা মই ক'ৰ পৰা দিওঁ ?"

"কিমান টকা লাগে মণ্ডলক ?"

"পাঁচশ টকা নগদ লাগে। অইন খৰচ তো আছেই।" সিফালৰ নিম্নতৰ সম্প্ৰদায়ৰ মানুহৰ মাজত ছোৱালী বিয়া দি পইচা লোৱাৰ প্ৰথা আছে। ছোৱালী বিয়া দিয়াৰ প্ৰতিশব্দই হ'ল 'বেচি খোৱা' অৰ্থাৎ বিক্ৰি কৰা। দৰাই পাঁচ কুৰি, সাত কুৰি, যি ঠিক হয় সেইভাৱে টকা দিব লাগে।

মই গনেশক ক'লো—"বাৰু, হব যোৱা। উভাওালি কৰাৰ দৰকাৰ নাই। টকাৰ ব্যৱস্থা কিবা এটা হব। পলাই যোৱাৰ দৰকাৰ নাই।"

ছোৱালীজনীয়ে চাইকেলখন ধৰি মনে-মনে থিয় হৈ আছিল।

সুধিলো—"অকলে ঘৰলৈ যাব পাৰিবা নে ?"

আমি কেম্প তুলি অহাৰ আগতেই দেখিছো গনেশে উৎসাহৰ সৈতে শহুৰেকৰ মাটিত হাল বাই আছে। ড্ৰাইভাৰ কাম কেতিয়াবাই এৰিলে। মহানন্দে চিঞৰি চিঞৰি গান গাই আছে। বেচ সুখী যেন অনুমান হয়।



## ॥ চাৰি ॥

সদৰলৈ প্ৰায়েই আহিব লাগে; মধুপুৰলৈও আহিব লাগে। অফিচৰ কাম থাকে, বেঙ্কৰ কাম থাকে। পেট্ৰলৰ কুপনৰ কাৰণে এচ্, পিৰ অফিচৰ আগত বোন্দাপৰ দি থাকিব লাগে। বেলচা, টুক্ৰী খৰিদ কৰিব লাগে। বহু কাম। কাম শেষ হোৱাৰ লগে লগে আকৌ আগমনীৰ ঘাটলৈ উভতি যোৱাৰ কাৰণে অস্থিৰ হৈ উঠো। ইফালৰ সকলোৰে লগত লাহে-লাহে যোগসূত্ৰ ক্ষীণ হৈ আহি আছে।

চাকুহঁতে ধৰিলে।

"নট্ট কোম্পানীৰ যাত্ৰা নাচাৱ ? আজি খুব ভাল হব। মোহম্মদ তোগলোক। সকলোৱে একেলগে চাম।"

"মই থাকিব নোৱাৰিম। আজি কামৰ ঠাইলৈ নগ'লেই নহব।"

মিছা কথা এটা ৰাতি আগমনীৰ ঘাটত নাথাকিলে মহাভাৰত অশুদ্ধ নহয়। খেলাধূলা, ফুৰ্ত্তি তামচাত আগ্ৰহ কমি আহিছে।

প্ৰতুলৰ কথা বেলেগ। বৈজ্ঞানিকৰ ভাষাত কব পাৰি যে তাৰ মনটো হল অনুনাদী। অইনৰ মনৰ সুৰৰ লগত তৎক্ষণাৎ নিজৰ মনৰ সুৰ মিলাই লব পাৰে। আগমনীৰ ফালে মাটিবাৰী আছে। ইফালে আহিলে আমাৰ কেম্পতো আহে। মই জোৰকৈ কেইবাদিনো আটক কৰি ৰাখো। বেচ জমাই ৰাখে।

ঘাটৰ সিমূৰে ত্ৰিপাল তৰাই এখন ডাঙৰ তম্বুৰ নিচিনা কৰা হৈছে। ৰাতি নাওৰ কামলাবোৰে তাত দোতোৰা বজাই গান গাই আছিল।

প্ৰতুলে ক'লে—"ইয়াত ভূতৰ দৰে বহি কি কৰ ? বল গান শুনো গৈ।"

মই ক'লো—"নালাগে"

"কি নালাগে? বল।"

কোব্বাত, ফায়াজ, মনচুৰ সকলোৱে বেচ জমাই তুলিছে। কোব্বাতে দোতাৰা বজাই মূৰ জোকাৰি গান গাই আছে। আমি সোমোৱাৰ লগে-লগে গান বন্ধ হৈ গ'ল। সকলোৱে শশব্যস্ত হৈ উঠিল। গিৰিস কৰে উঠি সকলোৱে থিয় দিলে।

প্ৰতুলে ডাকি দিলে—"কি হ'ল? গান বন্ধ কৰিলা কিয়?"

সকলোৱে পলাব পাৰিলে ৰক্ষা পৰে। কেৰামতে নাওৰ পাল এখন আনি জাপিজুপি ভালকৈ পাতি দিলে। বেকুবৰ দৰে দোতোৰা হাতত লৈ কোব্বাতে পিৰিকপাৰাককৈ চাই থাকিলে।

প্ৰতুলে আৰু এটা ডাবি দিলে—"কি চাই আছা; মিঞা? ধৰা।"

"এ, আমাৰ আৰু গান।"

"হব, হব। তোমাৰে তো গান। কায়দা বাদ দি আৰম্ভ কৰা।"

কোব্বাতে বাধ্য হৈ আৰম্ভ কৰিলে। পিছে গানত তাৰ প্ৰাণ নাই। অত্যন্ত আত্মসচেতন আৰু আড়ষ্ট হৈ আছে। অলপ সময় শুনি থাকি প্ৰতুলে থিয় দিলে। যাব বোধহয়। মইয়ো উঠিলো। পিছে নহয়। হেঁচোক মাৰি কোব্বাতৰ হাতৰ পৰা দোতোৰাটো কাঢ়ি লৈ প্ৰতুলে ক'লে—"কি মেওঁ মেওঁ কৰি আছাহে? চাওঁ, মোক দিয়া।"

আসৰৰ মেজাজ মুহূৰ্ত্ততে সলনি হৈ গ'ল। দোতোৰাৰ কান অলপ পকাই লৈ দৰাজ কণ্ঠত প্ৰতুলে গান আৰম্ভ কৰিলে।

"হস্তীৰ কন্যা, হস্তীৰ কন্যা
বামুনেৰ নাৰী
মাথায় নিয়া তাসকলসী,
ও সখী হাতে সোনাৰ ঝটকী।"

গানৰ মাজতে চকুৰ টিপ মাৰি দিলে। কেনে? প্ৰতিজন শ্ৰোতাৰ আকৰ্ণবিস্তৃত তৃপ্তিৰ হাঁহিয়ে প্ৰতুলক অনুচ্চাৰিত অভিনন্দন জনালে।



তম্বু মানুহেৰে ভৰি পৰিল। যিবোৰে নাওত শুই আছিল সিহঁতেও এজন এজনকৈ আহি ত্ৰিপালৰ তলত গোট খালে। ভিতৰত ঠাই নাই। বাহিৰতো মানুহৰ জুম।

প্ৰতুলে নতুনকৈ আৰম্ভ কৰিলে।

"আকাশেতে নাইৰে চন্দ্ৰ,
তাৰা কেমন জ্বলে;
যেও নাৰীৰ পুৰুষ নাই ও,
ও তাৰ ৰূপে কি কাম কৰে।"

গানৰ মাজতেই প্ৰতুলে নিজকে নিজে বাহ্‌বা দিলে।

"বাঃ, বাঃ, বাঃ।"

কোব্বাতৰ লাজ সঙ্কোচ গুচি গ'ল। স্বতঃপ্ৰবৃত্ত হৈ সিও গানত যোগ দিলে। প্ৰতুলে য'ত এৰি দিয়ে সি তাৰ পিছৰ ছোৱা টানি লৈ যায়। চমচেৰেও থাকিব নোৱাৰিলে। সিও যোগ দিলে। তম্বুৰ গোটেই বাতাৱৰণ সলনি হৈ গ'ল। শিলগুটি, নাও, ৰাণিং বিল, ভোক পিয়াহ, মনত গোট খাই থকা সকলোবোৰ অভিযোগ আৰু অতৃপ্তি সকলো ক'ববাত যেন উটি গ'ল।

"বৈঠা মাৰো, বৈঠা মাৰো ৰে,
আৰে, ও বাইচাৰ ভাইয়া ৰে—
ঝৰিয়া বৈঠা মাৰিয়া যাওৰে।"

এই প্ৰথমবাৰৰ কাৰণে তম্বুৰ সকলোৱে মোৰ ফালে সহজ ভাৱে চালে। নিজৰ উপস্থিতিৰে সকলোকে সন্ত্ৰস্ত কৰা আচহুৱা জন্তুৰ দৰে নিজকে বোধ নহ'ল। মইয়ো এজন মানুহ, ইহঁতৰে এজন। সেই কাৰণে মোৰ উপস্থিতিয়ে সিহঁতৰ আনন্দক সেমেকা কৰি দিয়া নাই। সকলো দুখ আৰু বেদনা দলি মাৰি পেলাই দি প্ৰাণৰ উচ্ছ্বাসত দৃঢ় হস্তে বঠা মাৰি এই পৃথিবীৰ সীমান্ত পাৰ হৈ সকলোৱে স্বৰ্গৰ পিনে যাত্ৰা কৰিলো। সকলোৱে সমস্বৰে গাই উঠিলো।

"ঝৰিয়া বৈঠা মাৰিয়া যাওৰে।"

## ॥ পাঁচ ॥

ঠিকাদাৰী কৰি মোৰ লাভ হ'ল নে লোকচান হ'ল এই হিচাপ কৰিবলৈ হ'লে লাভৰ অংশত অন্ততঃ এটা কথা উল্লেখ কৰিব লাগিব। আৰু এই বিষয়ে প্ৰতুলৰ ওচৰত মই কৃতজ্ঞ। ঠিকাদাৰী কৰা কাৰণেহে এই অঞ্চলৰ গাৱঁৰ সাধাৰণ মানুহৰ জীৱনধাৰা, পূজাপাৰ্ব্বন, বিভিন্ন উৎসৱ আদি সম্বন্ধে মোৰ সামান্য, অতি সামান্য ধাৰণা হৈছে।

আমাৰ অৰ্থাৎ মধ্যবিত্ত সমাজৰ মানুহৰ এটা উচ্চাভিলাষী ভাৱ আছে। আমি সদায় আমাক এটা অপৰিবাহী আৱৰণেৰে আবৃত কৰি ৰাখো। এমাহ বিদেশত থাকি আহি আমি সেই দেশৰ গ্ৰাম্য জীৱনৰ সংস্কৃতি, সেই দেশৰ নৃত্যনাট্য ইত্যাদিৰ ওপৰত তত্ত্বগধূৰ প্ৰবন্ধ লিখো; কিন্তু নিজে থকা সৰু চহৰৰ দহ মাইল দূৰৰ মানুহৰ জীৱনধাৰা সম্বন্ধে আমাৰ কোনো ধাৰণা নাই।

পুহ মাহত আমাৰ কেম্পত ৰীতিমত আক্ৰমণ। কেনেবাকৈ খবৰ প্ৰচাৰ হৈছে যে কেম্পত গ'লে পইচা দিয়ে। কাষৰ গাওঁবোৰৰ পৰা দলেদলে মানুহ ঢোল খোল লৈ গান গাবলৈ আহিব ধৰিলে। গোটেই মাহটো। এনেকৈ মানুহৰ ঘৰেঘৰে গীত গাই পইচা গোটাই দোমাহীৰ দিনা দলভাত খায়। গানৰ শেষৰ ফালৰ কথাখিনি এতিয়াও মোৰ মনত আছে।

"সত্যঠাকুৰ মোনাৰায় গাবহস্তক দে তুই বৰ,
ধনে বংশে বাঢ়ক গিৰী চন্দ্ৰ দিবাকৰ ;
ফুল ফুটিল ৰে।"

কাতিপূজা হ'ল তিৰোতামানুহৰ পূজা। এই পূজাৰ ঠাইত



মতামানুহৰ প্ৰৱেশাধিকাৰ নাই। গনেশ ড্ৰাইভাৰে গাৱঁৰ পৰা প্ৰসাদ লৈ আনিছিল। তাৰ মুখত পূজাৰ বিৱৰণ শুনিছো।

আৰু দেখিছো চণ্ডী নৃত্য। দেখিলে সঁচাকৈ ভয় লাগে। কালীগোসাঁনীৰ মুখা পিন্ধি নৃত্য। ঢাকৰ বাজনা শুনি বুকুখন গমগম কৰি উঠে।

দোলৰ পিচদিনা দুপৰীয়াৰ পৰাই ৰঘুনন্দনে খৰখেদা লগাই দিলে। কি হ'ল? আবেলি দুমাইল দূৰৰ পথাৰত মেলা বহে। সেই অঞ্চলৰ সকলোবোৰ গোসাঁই ফুৰাই এইখন পথাৰতে অনা হয়।

আমিও ওলালো। হঠাতে মেলাত গোটখোৱা মানুহৰ মাজত চাঞ্চল্য আৰু ত্ৰাস। খৰখেদাকৈ মানুহে পলাবলৈ ধৰিলে। কি হ'ল? জমীদাৰৰ হাতী পগলা হৈ খেদি আহিছে নেকি? আমিও ইফালে সিফালে চাই পলাবৰ কাৰণে সাজু হ'লো। প্ৰতুল লগত আছিল। কেৱাহীকৈ তাৰ ফালে চালো। নিৰ্ব্বিকাৰ। নহয়। বকুৰাইঁতৰ পগলা ঠাকুৰ আহিছে। গোসাঁইৰ আসন কঢ়িয়াই অনা মানুহ কেইজনে ঘাৰ কাতি কৰি একে ঠাইতে স্থিৰ হৈ ৰৈ আছে। হঠাতে বাট এৰি কাঁইট আৰু জোপোহাৰ মাজেৰে হুৰমূৰকৈ আগবাঢ়ি আহিবলৈ ধৰিলে। "পগলা ঠাকুৰ আহিছে, পগলা ঠাকুৰ আহিছে।" সকলোৰে মাজত ত্ৰাস। কোনফালে কাক গচকি ফেনকি যায় ঠিক নাই।

আগমনীত 'চড়ক' পূজাও চাইছিলো। 'চড়ক' পূজা হ'ল আচলতে শিৱৰ পূজা। উচ্চ বৰ্ণৰ হিন্দুৰ মাজত এই পূজাৰ প্ৰচলন নাই। পূজাৰ প্ৰক্ৰিয়া আৰু পদ্ধতি আমাৰ দৃষ্টিত আসুৰিক। ভকত আৰু ভক্ত সকলে চৰম আত্মনিগ্ৰহৰ মাজেৰে কেইবাদিনো পাৰ কৰে। উপবাস তো সামান্য কথা। লোৰ শলাৰে জিভা বিন্ধা কৰে। ঢাকৰ বাজনাৰ তালে তালে নাচিথকা অৱস্থাত ভক্তবোৰৰ 'ভঙৰ' উঠে। অৰ্থাৎ গোসাঁইয়ে দেহত আশ্ৰয় লয়। ঢাকৰ বাজনা যিমানে উদ্দাম হয় ভক্তবোৰৰ উত্তেজনাও সিমানে বাঢ়ি যায়। অৰ্দ্ধ

অচেতন অৱস্থাত নাচি নাচি কাঁইট, জুই এইবোৰৰ ওপৰেদি পাৰ হৈ যায়।

চ'তৰ দোমাহীৰ দিনাৰ প্ৰক্ৰিয়াটোৰেই হ'ল আচল। পথাৰত প্ৰকাণ্ড খুটা এটা লম্বভাৱে পোতা হয়। মাটিৰ পৰা বিশ হাতমান ওপৰত অবাধে ঘূৰিব পৰাকৈ এই খুটাৰ মূৰত পথালিকৈ বাঁহ আৰু কাঠৰ এটা কাঠাম লগাই দিয়া হয়। এই পথালি কাঠামৰ দুয়ো মূৰে জৰী বান্ধি এটা ফালে ভক্ত এজনক ওলোমাই দিয়ে। অইন মূৰত বন্ধা জৰীডালত ধৰি অইন কিছুমান ভক্তই কাঠামটো ঘূৰাবলৈ আৰম্ভ কৰি দিয়ে। পথালি দণ্ডডাল ইমান বনবনকৈ ঘূৰে যে ভক্তজনক ওলোমাই ৰখা জৰীডাল দণ্ডৰ সৈতে একেটা সৰলৰেখাত আহি যায়। এই অৱস্থাতে ভক্তজনে বনবনকৈ ঘূৰি থাকে। ঘূৰি থাকোঁতে ওপৰৰ পৰা নিৰ্মালি আৰু প্ৰসাদ ছটিয়াই দিয়ে। সেইবোৰ লোৱাৰ কাৰণে তলত গোট খাই থকা মানুহৰ মাজত কাঢ়াকাঢ়ি লাগি যায়।

প্ৰতুলৰ মুখত শুনিছো আগতে হেনো ভক্তজনক জৰীৰে নাবান্ধি পিঠি ফুটা কৰি লোহাৰ হুকেৰে ওলোমাই দিয়া হৈছিল। তেনেকুৱা মানুহ এজনকো মোক দেখুৱাইছিল। ফুটা কৰা দাগবোৰ এতিয়াও আছে।



## ॥ ছয় ॥

শিলগুটি কঢ়িওৱা নাওত কামকৰা মানুহ সকলোবোৰ মুচলমান। ট্ৰাকত কামকৰা প্ৰায়বোৰো স্থানীয় মুচলমান। কিছুমান হ'ল বিহাৰী হিন্দু। স্থানীয় হিন্দু মজদুৰ পাবলৈ নাই।

হিন্দু মানুহবোৰে যে কাম কৰিব নোৱাৰে তেনে নহয়। যথেষ্ট পৰিশ্ৰম কৰিব পাৰে, যথেষ্ট কষ্ট সহ্য কৰিব পাৰে। কৰেও। কিন্তু নিয়মানুবৰ্ত্তিতাৰ সৈতে সময় ধৰি কাম কৰিবলৈ বৰ টান পায়। কাৰণ এইটো হব পাৰে যে ইহঁত ইমানদিনে সামন্ততান্ত্ৰিক ব্যৱস্থাৰ লগত জড়িত হৈ আছিল। শিল্প আৰু ব্যৱসায়িক বাতাৱৰণৰ প্ৰয়োজনীয় নিয়মানুবৰ্তিতা ইহঁতৰ মাজত এতিয়াও সৃষ্টি হোৱা নাই। কিছু সময় লাগিব।

ট্ৰাকত লোডিং আনলোডিং কৰাৰ কাৰণে পইচা দিয়া হয় ক্ষেপ হিচাপে। প্ৰতি ক্ষেপত তিনি টকাকৈ এখন ট্ৰাকৰ দিনে দহ ক্ষেপ বাৰ ক্ষেপ হয়। একোখন ট্ৰাকত চাৰিজন পাঁচজনকৈ মানুহ থাকে। প্ৰত্যেকৰ ভাগত দিনে ছ টকা সাত টকাকৈ পৰে।

ওচৰ পাজৰৰ গাঁৱৰ মানুহে আগমনী ঘাটত আহি কাম কাজ চাই থাকে। ঘণ্টাৰ পিছত ঘণ্টা ধৰি শিলগুটিৰ দ'মৰ ওপৰত বহি থাকে। গনেশে ক'লে যে সিহঁতৰ কেইজনমানে ট্ৰাকত কাম কৰিব বিচাৰে। দিনে ছটকা সাতটকা কামাই কৰিব পৰা যায়। হিচাপ শুনি খুব উৎসাহিত হৈ উঠিছে। গনেশক পাণ্ডা ধৰিছে।

খুব ভাল কথা। নতুন ট্ৰাক এখন অহাৰ কথা আছে দুই এক দিনতে। ঠিক আছে। সিখন ট্ৰাকত ইহঁতেই কাম কৰিব। ধনবৰ,

ৰঘুনাথ, গেহু আৰু সেল্‌কু। ঠিক হ'ল এই চাৰিজনে সিখন ট্ৰাকত থাকিব।

ৰাতিপুৱা আন্ধাৰে পোহৰে ট্ৰাকবোৰে কামত লাগি যায়। সূৰ্য্যবাবুয়ে সকলোতকৈ আগতে শিলগুটিৰ দ'মত তেওঁৰ ট্ৰাকখন লগাই দিয়ে। লোডিং হয় মানে তেওঁ প্ৰাতঃকৃত্য শেষ কৰে।

নতুন ট্ৰাকখন আহিছে। ন বাজিল। ধনবৰহঁতৰ পাত্তা নাই। ন বজাত গেহু আহিল। আহিয়েই বাকীবোৰক গালাগালি কৰি সিহঁতক মাতি আনিবলৈ আকৌ গুচি গ'ল। অলপ পিছতে ধনবৰ আৰু সেল্‌কু হন্তদন্ত হৈ উপস্থিত হ'ল। এইবেলি গেহু আৰু ৰঘুনাথৰ পাত্তা নাই। দহ বজাত আটাই কেইজনে লগ হল। ধীৰে সুস্থে ট্ৰাকত শিলগুটি ভৰালে। তাৰ পিছতেই ৰঘুনাথ আৰু সেল্‌কু নোহোৱা হ'ল। কি হ'ল? গৰু লৰাই দিবলৈ গৈছে। এই সুবিধাতে বোধহয় জা-জলপানো খাই আহিল। বাৰ বজাৰ পিছত একট্ৰাক শিলগুটি পেলাই আহিল। আহিয়েই আটাই কেইজনে ভাতপানী খাবলৈ ঘৰাঘৰি গুচি গল। আকৌ কাৰো পাত্তা নাই।

দুইমান বজাত তপিনা খজুৱাই খজুৱাই ধনবৰ আহি ওলাল।

"কি হ'ল? বাকীবোৰ কত?"

"ৰঘুনাথেৰ গাৰ বিষ উঠ্‌ছে। আসিৰ নাপাইবে। সেল্‌কু আৰ গেহু হাট কৰিবাৰ গেইল।"

"হাট হ'ল আবেলিত। এতিয়াই যাব লাগিছে কিয়?"

"গেইল। কালি খুব বিহানে কামত ধৰিম।"

"কোনো দৰকাৰ নাই কালি অহাৰ।"

"কেনে?"

"এনেয়ে। এক ক্ষেপৰ পইচাখিনি লৈ যোৱা।"

এইটো এটা ভাৱিবলগীয়া কথা। ঠিকাদাৰী কামৰ কাৰণে স্থানীয় হিন্দু মজদুৰ পোৱা টান। মুচলমান মানুহতকৈ হিন্দুবোৰৰ



অৱস্থা যে ভাল সেইটো নহয়। বৰং অধিকতৰ অভাৱগ্ৰস্ত। খোৱা বোৱা থকামিলাৰ মান অত্যন্ত নিম্নস্তৰৰ। জলবায়ুৰ কাৰণে এইটো হোৱা নাই নিশ্চয়। ধৰ্ম্মৰ লগত কিবা সম্বন্ধ আছে নেকি? কেনেকৈ হব? বিহাৰী হিন্দুবোৰে তো অক্লান্ত পৰিশ্ৰম কৰে। এই অঞ্চলৰ প্ৰায় বোৰ জমীদাৰ হ'ল হিন্দু। হিন্দু মানুহবোৰে সামন্ততান্ত্ৰিক ব্যৱস্থাৰ লগত অধিকতৰ ঘনিষ্ঠ ভাৱে জড়িত আছিল। এইটো এটা কাৰণ হব পাৰে। অভ্যাস সলনি কৰাত কিছু সময় লাগিব।

কটকু বুঢ়াইও তো কাম কৰি আছে। এটা চকু কণা। বয়স ষাঠিৰ কম নহব। বাটৰ কাষত পেলাই থোৱা শিলগুটিবোৰ বক্সিং কৰে। পাঁচ, গুণ দুই, গুণ এক, এই চাইজৰ দুয়োফালে খোলা কাঠৰ বাকচ এটাৰে দহ চি, এফ, টি কৰি জুখি জুখি বাটৰ কাষত থাক লগাই যায়। এই পৰিমাণৰ শিলগুটিক কোৱা হয় এক বাকচ্‌ শিলগুটি। দিনে প্ৰায় এক শ বাকচৰ থাক লগায়। ৰাতিপুৱাই শোভেল এখন আৰু বেতৰ টুক্‌ৰী এটা লৈ ওলাই যায়। গধূলি কেম্পলৈ ঘূৰি আহে। গামোছাত বান্ধি থোৱা বস্তু কিবা অলপ লগত লৈ যায়। দুপৰীয়া তাকেই খায়। অতিশয় ক্লান্ত হ'লে গছৰ তলত অলপ পৰ শুই থাকে।

## ॥ সাত ॥

আগমনীৰ ঘাটৰ পৰা ছুমাইলমান দূৰত প্ৰধান ৰাজবাট। সেইখিনিতে কিছু দোকান-পাট, পি, ডব্লু, ডিৰ ইন্চ্পেকচন বাংলো। জমীদাৰৰ কাছাৰী, কৰ্ম্মচাৰীবোৰৰ ঘৰদুৱাৰ। বাটৰ সিটো কাষত লোকাল বোৰ্ডৰ হাচপাতাল। চাহৰ দোকান এখন, এখন গৰুৰ-গাড়ীৰ চকা বনোৱা মিস্ত্ৰীৰ দোকান। কিছুদিনৰ পৰা বাটত বাচ চলাচল আৰম্ভ হৈছে। বাচো এইখিনিতে ৰখায়। চৰকাৰী বিষয়া কেইজনমানো এইখিনিতে থাকে। পি, ডব্লু, ডিৰ চেক্চনাল অফিচাৰ পৰিয়াল লৈ ইন্চ্পেকচন বাংলোতে থাকে। কাষতে আলিমহৰীৰ ঘৰ। প্ৰোকিওৰমেন্টৰ এজন ইন্চ্পেক্টৰ আৰু এজন চাব ইন্চ্পেক্টৰ বজাৰতে লগালগি ছুটা খেৰৰ ঘৰত থাকে।

ঠাই ডোখৰৰ গুৰুত্ব বাঢ়ি আহিছে। ভৰত দাস আৰু বিপিন সাহাই মাটি কিনি ঘৰ সাজি মণিহাৰী দোকান দিছে। ভৰত দাসৰ বুদ্ধি আৰু বিপিন সাহাৰ টকা। ভৱিষ্যত পৰিকল্পনা ডাঙৰ। খুব সম্ভাৱনাপূৰ্ণ ঠাই। ভৰত দাস সদ্য বিবাহিত। পৰিবাৰকো লৈ আহিছে। দোকানঘৰৰ পাছ ফালৰ ঘৰ এটাত থাকে। বিপিন সাহা দোকানঘৰত থাকে। খোৱা বোৱা দাসৰ তাতেই কৰে।

গধূলি চেক্চনাল অফিচাৰ ভট্টাচাৰ্য্যৰ তাত তাচৰ আড্ডা বহে। কাছাৰীৰ পৰা নায়েব গোপাল ৰায় আহে। ডাক্তৰ চৰকাৰ, কম্পাউণ্ডাৰ দত্ত আহে। প্ৰোকিউৰমেণ্ট ইন্চ্পেকটৰ ছুজনো আহে। কামকাজ নাথাকিলে মইয়ো যাওঁ। প্ৰতুল আহিলে প্ৰতুলকো লগত লৈ যাওঁ। আজিকালি ভৰত দাস আৰু বিপিন



সাহাইও আহে। আগতে অক্চন্ ব্ৰীজ খেলা হৈছিল। হিচাপতকৈ কম-বেচি মানুহ হ'লে দিগদাৰী হয়। কেতিয়াবা মানুহৰ অভাৱত খেল বন্ধ হৈ থাকে। মানুহ বেচি হ'লে বহি থাকিব লাগে। বিপিন সাহাই প্ৰথমতে ফ্লাচ্ খেলৰ প্ৰৱৰ্ত্তন কৰিলে। ছুদিনতে সকলোৱে পাকৈত হৈ উঠিল। আগতে যদিও বা মানুহৰ উপস্থিতি অনিয়মিত আছিল এতিয়া আৰু সেই সমস্যা নাই।

কম্পাউণ্ডাৰ দত্ত অকলে থাকে। আড্ডা ভট্টাচাৰ্য্যৰ তাৰ পৰা তেওঁৰ তালৈ স্থানান্তৰিত কৰা হ'ল। ভট্টাচাৰ্য্যৰ পৰিবাৰে বোধহয় তেওঁক কিবা কৈছে।

প্ৰতুলৰ ইফালে মাটিবাৰী আছে। আহিলে মোৰ তাতে ছুই চাৰি দিন থাকে। মইয়েই জোৰ কৰি ৰাখো। প্ৰতুলক লগত লৈ আড্ডাৰ ফালে গ'লো।

ফ্লাচ্ ইতিমধ্যে আৰম্ভ হৈ গৈছে। অসুবিধা একো নাই। পিছৰবাৰ দিওঁতে ছুই প্ৰস্ত তাচ বেচিকৈ দিলেই হ'ল। আমিও বহি গ'লো। আড্ডাত আন সকলোৱে আছে। কেৱল বিপিন সাহা নাই।

কিছু সময় পিছত সাহাইও আহি বহি গ'ল। গোপাল ৰায় বুঢ়া মানুহ। চকুৰ দৃষ্টি ক্ষীণ হোৱাৰ কথা। হঠাতে তেওঁ ক'লে —"আপোনাৰ কপালত তেজ ওলাল কেনেকৈ? সিফালে, বাওঁ ভুৰুৰ ওপৰত।" সাহাই ল'ৰালৰিকৈ ৰুমালেৰে কপালখন মচি ল'লে। একো নাই। প্ৰতুলে তাচ তিনিপাত চকুত লাগি যোৱাকৈ ধৰি নিবিষ্টভাৱে চাই থাকি ক'লে—"দত্ত, তাচ নুতুলিব। খেলক, খেলক, ব্লাইণ্ড খেলক।"

খেল মুঠেই নজমিল। আমি খেল বাদ দি গুচি যোৱাৰ কাৰণে উৎসুক হৈ উঠিলো। সকলোৱে এটা অস্বস্তি অনুভৱ কৰিব ধৰিলো। ৰানিং ফ্লাচ পাইয়ো ভট্টাচাৰ্য্যই শো বুলি ক'লে। হঠাতে ভৰত দাসে তাচ তিনিপাত পেলাই দিলে।

"যাওঁ, ভাটিবেলাৰ পৰাই কিবা মূৰটো কামুৰি আছে।" অইন দিনা দুয়ো একেলগে যায়। সিদিনা দাসেও নামাতিলে, সাহাও নগল। তেওঁ অনর্গল কথা পাতি বহি থাকিল। অপ্ৰয়োজনীয়, অসংলগ্ন কথা। আমিও উঠিলো। ঘাটলৈ যাওঁতে কাছাৰীৰ আগেদি যাব লাগে। বাহিৰ ওলাই প্ৰতুলে গোপাল ৰায়ক অভিযোগ জনালে।

"দাদা, বুঢ়া বয়সত চকুৰ দৃষ্টি ইমান তীক্ষ্ণ বুলি বাহাদুৰি দেখুৱাবৰ কি দৰকাৰ আছিল? সেন্দুৰৰ ফোটটো নো আমি কোনে দেখা নাছিলো?" গোপাল ৰায়ে ওলোটাই প্ৰতুলক ডাবি দিলে।

"আপুনিয়েই তো ব্লাইণ্ড ব্লাইণ্ড কৈ পৰিস্থিতি আৰু বেয়া কৰি দিলে।"

"এৰা, বৰ বেয়া কথা হৈছে। একো ভাবিচিন্তি কোৱা নাছিলো। বৰ অন্যায় হৈছে। ছিঃ।"

গোপাল ৰায়ে উদ্বেগ প্ৰকাশ কৰিলে।

"খুনাখুনি হব নেকি?"

প্ৰতুলে তেওঁক আশ্বস্ত কৰিলে।

"সেই ভয় বোধহয় নাই। দুঘণ্টা একেলগে তাচ খেলি ধীৰে সুস্থে মানুহে বোধহয় খুন্ নকৰে।"

ভৱত দাসে বিপিন সাহাক খুন্ কৰিছে বুলি শুনা নাই। শুনিছো বিপিন সাহাই কোকৰাঝাৰত শ্ব মিল এটা খোলাৰ চেষ্টা কৰি আছে। ইয়াত অহাৰ তেওঁৰ সময় নাই। দোকান অকল ভৱত দাসে চলায়। প্ৰথমৰ পৰাই সেই কথা আছিল। ভৱত দাসৰ বুদ্ধি আৰু শ্ৰম, বিপিন সাহাৰ টকা।



## ॥ আঠ ॥

ঘাটৰ পৰা প্ৰধান ৰাজআলিটো প্ৰায় দুমাইলমান দূৰত। তিনি আলিত চঞ্চলতা ক্ৰমাৎ বাঢ়ি আহিছে। ইতিমধ্যে বাটত কিছু শিলগুটি পেলোৱা হৈছে। বাটেৰে বাচ চলে, ট্ৰাক চলে। ধানৰ ট্ৰাকবোৰ ৰখাই প্ৰোকিওৰমেণ্টৰ পিয়নবোৰে তলৰ পৰা ডিঙি মেলি বস্তাবোৰ জুমিজুমি চায়। কেতিয়াবা ট্ৰাকৰ ওপৰতো উঠে। অনুমতি পত্ৰ পৰীক্ষা কৰে। ইন্‌চ্‌পেক্টৰে চহী কৰি মোহৰ মাৰি দিয়ে। ইন্‌চ্‌পেক্টৰ কেতিয়াবা অফিচত নাথাকে। ধানৰ ট্ৰাকৰ লাইন লাগি যায়। চাহৰ দোকানত বিক্ৰি বেচি হয়। ঠাইডোখৰ সকলো সময়তে ব্যস্ত।

গধূলি মই ইন্‌চ্‌পেক্টৰ বৰুৱাৰ সৈতে ভট্টাচাৰ্য্যৰ বাৰান্দাত বহি কথা পাতি আছিলো। ভট্টাচাৰ্য্যক লৈ অলপ পিচতেই কম্পাউণ্ডাৰৰ তালৈ যাম। এনেতে পোন্ধৰ বিশজন মানুহ হুলস্থুল কৰি বাংলোৰ ফালে আহিল। আমি কৌতুহলী হৈ উঠিলো। কি কথা?

পকেটমাৰ এজন ধৰা পৰিছে। ইয়াৰে দোকানী কামালৰ জেপৰ পৰা একশ টকাৰ নোট এখন মাৰি দিছে। কামাল চহৰৰ পৰা এই একেখন বাচ্‌তে আহিছে। এই মানুহজনে কামালৰ কাষত বহি হাত জোকাৰি গোটেই বাট লেকচাৰ মাৰি আছিল। অইন কোনে লব? ইয়েই লৈছে। চেহেৰা পাতি চাওঁক, কথাবতৰা শুনক। ক্ষীণ চেহেৰাৰ ল'ৰাজন। জোতা মোজা পেণ্ট পিন্ধা। অৱশ্যে খুব সস্তীয়া। ডিঙিত ৰঙা ৰুমাল এখনো মেৰাই লৈছে।

চুলিৰ বাহাৰ কি চাব? চকু পৰিলেই স্বয়ংক্রিয় ভাৱে খং উঠি যায়। কথাবতৰাত উদ্ধত। শুনিলেই মেজাজ গৰম হৈ যায়।

তেতিয়াৰ দিনত মানুহে তৎক্ষণাৎ হাত চলাবলৈ অলপ সঙ্কোচ বোধ কৰিছিল। ওচৰতে চৰকাৰী বিষয়াবোৰ থাকে। সেই কাৰণে ল'ৰাজনক লৈ ইখিনি পাইছেহি।

ভট্টাচাৰ্য্যই সুধিলে—"ইয়াক কোনোবাই টকাখিনি লোৱা দেখিছে নেকি?"

নাই দেখা। তেনেকৈ কোনেও দেখা নাই। পিচে দেখিব লাগিছে কিয়? ইয়াৰ বাহিৰে আৰু কোনে লব পাৰে?

"কামাল ক'ত?"

"মালবস্তু দোকানত থৈ আহি আছে।"

"নোটখন ইয়াৰ লগত পাইছা নেকি?"

"নাই। বাচতে লগৰ কাৰোবাক গতাই দিছে। ৰাচখনো গুচি গ'ল।"

"ই কিয় থাকিল?"

"চাহ খাই বাচত উঠিবলৈ ধৰোঁতে আমি টানি নমাই আনিলো। ভাগ্যে বাচ এৰি দিয়াৰ আগতে কামালে কথাটো গম পালে।"

ইন্‌চ্‌পেক্টৰ বৰুৱা আগবাঢ়ি গ'ল। ল'ৰাজনক ডাবি দি ক'লে—"এই বেটা, কি কৰিলি টকা? দে, চালা, ভালে ভালে ফিৰাই দে।"

"মই লইছো নেকি? মিছা কথালৈ মানুহক জুলুম।"

"এই, ভালকৈ কথা কবি।"

"কি ভালকৈ কথা কব লাগে?"

খঙেতে বৰুৱাই বাবান্দাৰ পৰা নামি গৈ ঠাচ কৰে ল'ৰাজনৰ গালত চৰ এটা মাৰি দিলে। বচ্। এইটো যেন এটা ইঙ্গিত। এইটোৰ কাৰণেই সকলোৱে বাট চাই আছিল। আটাইবোৰ মানুহে ল'ৰাজনৰ ওপৰত জপিয়াই পৰিল। চৰ, ঘোচা, ভুকু।



এজনমাত্র ল'ৰা, ইফালে বিশজমান মানুহ। মাৰাৰ কাৰণে হেতাওপৰা। ল'ৰাজন মাটিত বাগৰি পৰিল। ভিৰৰ মাজত হাঁলি হাতেৰে ঢুকি পোৱাৰ অসুবিধা। গতিকে গচক আৰু গোৰ। মই আৰু ভট্টাচাৰ্য্য দুয়ো ভিৰৰ মাজত জপিয়াই পৰিলো। ঠেলি, হেঁচি, দুই এটা কোব খাই, ডাবি ধমকি দি মানুহজাকক আঁতৰাই কোনোৰকমে ল'ৰাজনক উলিয়াই আনিলো।

ইমান মাৰ খাই যে কোনোবাই জীয়াই থাকিব পাৰে তাকে দেখি বিস্ময় মানিলো। দুয়ো ল'ৰাজনক ধৰি বাৰান্দাত তুলি আনিলো। ধপ্‌কৈ পৰি সি দুয়োহাতেৰে ভট্টাচাৰ্য্যৰ ভৰিদুখন সাৱটি ধৰি হুক-হুককৈ কান্দিব ধৰিলে। ক'ত গৈছে তাৰ পোচাকপাতিৰ জৌলচ, ক'ত তাৰ ফুটনি। হেঁপাই ফেপাই কোনোৰকমে ক'লে—"পানী!"

ভট্টাচাৰ্য্যৰ ঘৰৰ প্ৰকাণ্ড ঘটী এটাত তাক এক ঘটী পানী দিয়া হ'ল। উশাহ নোলোৱাকৈ গোটেই ঘটী পানী সি তৎক্ষণাৎ শেষ কৰিলে। মই চকু ফিৰাই ল'লো।

মানুহবোৰক সুধিলো—"কামাল ক'ত? অহা নাই?" দোকানত থকা কামালৰ ভায়েকজন ইতিমধ্যে আহি পাইছে। আকৰ্ণবিস্তৃত হাঁহি এটা মাৰি ক'লে—"নোটখন পোৱা গৈছে। জেপৰ অইন কাগজৰ মাজত সোমাই আছিল।"

মানুহবোৰ গুচি গ'ল। আমি নিমাত। ল'ৰাজনে বাৰান্দাত বহি কান্দি আছে।

বহুত সময় মনেমনে থাকি ভট্টাচাৰ্য্যই ল'ৰাজনক সুধিলে—

"তুমি ক'ত গৈ আছিলা? এতিয়াতো আৰু বাচ নাই। কি কৰিবা?"

লৰা'জনে কলে যে সি কাম বিচাৰি অমৃত সিঙৰ কেম্পলৈ গৈ আছিল।

মই সুধিলো— "কি কাম?"

"যি কাম হয়। মোৰ আপোন মানুহ এজনে অমৃত সিঙৰ তাত কাম কৰি আছে।"

ভট্টাচাৰ্য্য ক'লে—"চৌধুৰী, আপোনাক লাগে নেকি মানুহ? লাগে যদি ইয়াকো কামত লগাই দিয়ক না।"

ল'ৰাজনক সুধিলো—"কৰিবা কাম?"

"জৰুৰ।"

"ব'লা তেনেহ'লে।"

ৰামচেলা কামৰ মানুহ। অসুৰৰ দৰে খাটিব পাৰে। অতিশয় নিৰ্ভৰযোগ্য কৰ্ম্মী। দিন নাই, ৰাতি নাই কেতিয়াও কোনো কাম নোৱাৰিম বুলি নকয়। পিচে সেই এটা ফুটনিৰ ভাৰ, এটা হামবড়া ভাৱ। সেই কাৰণে মানুহৰ লগত কাজিয়া লাগে। মই যিমান দিন ঠিকাদাৰী কৰিছিলো মোৰ লগতে আছিল। মোৰ কাম নাথাকিলে সিও বহি থাকে। তথাপি অইন ঠিকাদাৰৰ তলত কাম নকৰে।

মই ঠিকাদাৰী এৰি দিয়াত তাৰো আছিল অকুণ্ঠ সমৰ্থন।

"ছোড় দিজিয়ে। ই হাৰামীকো কাম আপ ছোড় দিজিয়ে।"

"তই কি কৰিবি?"

"কৰিম কিবা এটা। হাত আছে, মুখ আছে।"

"তোৰ মুখখনেই তো তোক খাব।"

ৰামচেলাই হাঁহে। আগতকৈ অৱশ্যে বহুত ঠাণ্ডা হৈছে। মধুপুৰত গ'লে পাওঁ। অহা বুলি গম পালে সিও লগ ধৰে। তামোলপানৰ দোকান দিছে। মোৰ বয়স হৈছে। দাঁতৰ জোৰ নাই! নুশুনে। মিঠাপান এখন খাবই লাগিব। লগতে এটা চিগাৰেট।

সঁচায়। কিছুমান মানুহ হ'ল এলছেছিয়ান কুকুৰৰ দৰে। মই তুচ্ছাৰ্থে এই কথা কোৱা নাই। কিছুমান মানুহে এবাৰ যাক ভাল পায় চিৰদিন তাক ভাল পাবই। কেতুকো লগ পাওঁ। মধুপুৰলৈ



অহা বুলি গম পালেই দেখা কৰিবলৈ আহে। বুঢ়া হৈছে। ডাড়ি ৰাখিছে। আধাখিনি পকা। মাটিবাৰী একো নাই। হাত দুখনৰ ওপৰতে ভাৰসা।

এবাৰ লগ পাই হাওহাওকৈ কান্দি দিলে। মানুহ এজনক এনেকৈ কন্দা দেখি অপ্ৰস্তুত হৈ সুধিলো—"কি হ'ল?"

"বাবু, আপুনিও গ'ল, আমাকো মাৰি থৈ গ'ল।"

"অইন ঠিকাদাৰৰ কাম নকৰা কিয়?"

"অইনৰ কাম কৰিলে মানসন্মান নাথাকে।"

"পইচা লবা, কাম কৰিবা। মানসন্মানৰ কি কথা?"

এই একধৰণৰ একনিষ্ঠ প্ৰভুভক্ত জীৱ। অৰ্ব্বাচীন। খঙো উঠে, বেয়াও লাগে। নিজকে অপৰাধী যেন বোধ হয়। চকুপানী মচি কেতুৱে কৈ গ'ল—"ৰামচন্দ্ৰ ঠিকাদাৰৰ কাম কৰিছিলো। ডাঙৰ ল'ৰাটোৰ জ্বৰ হ'ল। অগ্ৰিম কেইটামান টকাৰ কাৰণে ভৰিত ধৰিলো। এটা পইচা নিদিলে। ক'লে—ইচ্ছা হয় কাম কৰা, নহ'লে গুচি যোৱা। দৰ্মহা দিয়াৰ তাৰিখে পাওনা পইচা লৈ যাবাহি। ল'ৰাটো মৰি থাকিল। মোৰো বৰ ধিক্কাৰ লাগিল।"

উপায় নাই।

সুধিলো—"এতিয়া কি কৰা?"

"লোকৰ খেতিৰ কাম কৰো। কেতিয়াবা কাম থাকে, কেতিয়াবা নাথাকে।

"কাম নাথাকিলে কেনেকৈ চলা?"

"মাই ভিক্ষা কৰি অলপ চাউল আনে। আমিও শাকপাত যি পাওঁ বিচাৰিখোচাৰি আনো। খালে ডোঙে চেং গৰৈ মাছ দুই এটা পালে তো মহা ভোজ।"

"মাছ কেনেকৈ খোৱা? তেলচেল ক'ত পোৱা?"

"তেল?"

কেতু হাঁহিয়েই অস্থিৰ।

"ভাত নাই পেটত দিবলৈ; তাতে আৰু তেল।"

"তেনেহ'লে?"

"পুৰি খাওঁ। আৰু কি?"

এই কেতুহঁতৰ অদ্ভুত এক স্বাভাৱিক স্থিতিস্থাপকতা আছে। চকু টিপিয়াই ক'লে—"পটল, আলু, ফুলকবি।"

"কি হ'ল?"

"যেতিয়া আপোনাৰ লগত কাম কৰিছিলো এইবোৰ বস্তু ন'হলে ভাত খাবই নোৱাৰো। খোৱাৰ কি ধুম। চাহৰ দোকানত সোমাই হুকুম। দোকানীয়ে কি লাগে বুলি সুধিলে খং উঠি যায়। জিলাপী, গজা, কচুৰী যি আছে সকলো আনা। সুধিবৰ কি আছে?"

শেষৰ বাৰ মধুপুৰলৈ গৈ দেখিলো কেতুৰ অৱস্থা আৰু বেয়া। চেহেৰাপাতি খুব বেয়া। চকুমুখ ফোলা ফোলা। আমাৰ বয়সৰে হব। চেহেৰা চাই কোৱা অসম্ভৱ। জাৰ কালি। ধুতী এখন পিন্ধি তাৰে এটা অংশ গাত মেৰাই লৈছে।

ধুতী এখন, পুৰণি কামিজ এটা আৰু কেইটামান টকা দিলো। এইভাৱে তাৰ দৈন্য দূৰ নহয়। এই সামান্য বস্তুখিনি পাই সি অভিভূত হৈ গ'ল। ভাৱাবেগত কান্দি দিলে। মইয়ো মুখখন ঘূৰাই লবলৈ বাধ্য হ'লো।

ঠিকাদাৰী এৰি দিয়াৰ কাৰণে মোৰ কোনো ক্ষোভ নাই। কিন্তু কেতুহঁতৰ কথা মনত পৰিলে বুকুখন টান মাৰি ধৰে। নিজকে অপৰাধী বোধ হয়।

শিল্প প্ৰতিষ্ঠানত কামকৰা মজদুৰৰ নিজৰ অভাৱ অভিযোগ প্ৰকাশ কৰাৰ তথাপিও অলপ কিবা উপায় আছে। কিন্তু এই যে অসংখ্য মজদুৰ যিবোৰে ঠিকাদাৰৰ কাম কৰে সিহঁতৰ অৱস্থা আৰু সাংঘাতিক। কাম পোৱা নোপোৱাৰ কোনো নিশ্চয়তা নাই। প্ৰতিটো দিন সিহঁতৰ কাৰণে অনিশ্চিত। মজুৰীৰ নিৰিখ বান্ধি দিলে



কি হব? কাম নাপালে মজুৰীৰ নিৰিখ লৈ কি কৰিব? বেমাৰ আজাৰ হ'লে তো সৰ্ব্বনাশ। কাম কৰা, পইচা লোৱা। বচ্ কথা শেষ।

জীতনৰ কথা মনত পৰিলে এতিয়াও মোৰ দৃষ্টি মাটিৰ ফালে নামি যায়। আগমনীত শিলগুটিৰ কাম কৰোঁতে মোৰ তাতে কাম কৰিছিল। ল'ৰাৰ অসুখৰ খবৰ পাই মোক কৈ ঘৰলৈ গ'ল। দুদিন পিছতে দেখিলো ট্ৰাকত শিলগুটি তুলি আছে।

সুধিলো—"ল'ৰাৰ অসুখ ভাল হ'ল?"

"নাই। মই গৈ পোৱাৰ অলপ পিছতেই মৰিল।"

শান্ত নিৰুত্তাপ কণ্ঠস্বৰ। ব্যস্ত ভাৱ এটা দেখুৱাই জীতনৰ ফালে নোচোৱাকৈ ল'ৰালৰিকৈ তাৰ পৰা পলাই গ'লো। মই জানো জীতনৰ আৰু দুটা সন্তান আছে।

## ॥ ন ॥

নেচলেন হাইওৱেত শিলগুটি যোগান ধৰা কাম। এই বাটৰ আঠ মাইল দীঘল অংশ পৰিছে মোৰ ভাগত। আগফালৰ আঠ মাইলৰ কাম পাইছে অমৃত সিঙে। প্ৰতি মাইলত পোন্ধৰ হাজাৰ চি, এফ, টি শিলগুটি। বাটৰ কাষত বক্সিং কৰি দিব লাগে।

আগমনীৰ ঘাট মোৰ ভাগৰ বাট ডোখৰৰ মাজভাগৰ পোনে পোনে। কামৰ ৰেট এক শ চি, এফ, টিত বিৰাশি টকা। নাওৰে আগমনী ঘাটত আনি দিয়াত প্ৰতি বাকচত অৰ্থাৎ দহ চি, এফ, টিত দিব লাগে চাৰি টকা আঠ অনা। বাট পৰ্য্যন্ত কঢ়িয়াই লৈ যোৱাত ট্ৰাকৰ ভাৰা আৰু লোডিং আনলোডিঙৰ খৰচ লৈ বাকচত পৰে আঢৈ টকামান। শিলগুটি অনাৰ কাৰণে জমীদাৰক ৰয়ালিটি দিব লাগে। বক্সিঙৰ খৰচ আছে, কেৰামত মিঞাৰ কমিশ্বন আছে। প্ৰধান আলিটোৰ পৰা ঘাটলৈ ট্ৰাক যাবপৰা ৰাস্তা বনোৱাৰ খৰচ আছে। কেম্পৰ কাৰণেও দিনে কম টকা নালাগে। কামৰ সুবিধাৰ কাৰণে ট্ৰাকৰ ড্ৰাইভাৰ আৰু হেন্দিমেনৰ খোৱাও কেম্পত চলে। বেতৰ টুকৰী আৰু শোভেল কিনি তাল চম্ভালিব নোৱাৰা অৱস্থা। নাওত দিয়া টুকৰীবোৰ সাত দিনতে নষ্ট হৈ যায়। শিলগুটি ভৰাই পানীত জোকাৰি থাকোঁতে তলিবোৰ খুলি যায়। শোভেলৰ কাঠৰ হাতল-বোৰ নালৰ যোৰাবোৰত পট্‌পট্‌কৈ ভাঙে। কোনফালেদি যে কিমান খৰচ ওলায় আগতে কব নোৱাৰি। হিচাপৰ শিলগুটি নষ্ট হয়। ঘাটৰ পৰা বাগৰি কিছু আকৌ নৈত পৰে। ট্ৰাকেৰে লৈ যাওঁতে বাটতে কিছু স্বৰকি পৰে। শেষ পৰ্য্যন্ত লাভ যে কি হব কব পৰা



নাই। লোকচান ভৰিব নালাগিলে ৰক্ষা। ঠিকাদাৰী ব্যৱস্থাত কাম কৰোঁৱাটো মই অবৈজ্ঞানিক বুলি ভাবোঁ। ঠিকাদাৰ এজনৰ উপাৰ্জ্জন মোটামুটি তেওঁৰ পৰিশ্ৰমৰ সমানুপাতিক হব লাগে। ৰেট ভাল হ'লে লাভ, ৰেট বেয়া হ'লে লোকচান। কিমান টকা খটুৱালে বা কিমান পৰিশ্ৰম কৰিলে সেই লৈ কথা নাই।

কট্‌কু আৰু নাৰায়ণহঁতে বক্সিং কৰি আছিল। বাকচত দুই ইঞ্চিমান শিলগুটি কম কমকৈ দি বাকচ উঠাই আনিছে।

জাপমাৰি উঠিলো।

"আৰে, আৰে, কি কৰি আছা?"

"কেয়া হুৱা?"

"উঠালা কিয়? বাকচ ভৰ্ত্তি হোৱাই নাই দেখোন।"

"সকলো মানুহে এনেকৈ দিয়ে। ইয়েই দস্তুৰ। অমৃত সিঙকো ৰাক্‌চা দেখকে আইয়ে। ইচ্‌ছে বহুত কমী হ্যায়।"

"থাকক। তোমালোকে ঠিকমতে বক্সিং কৰি যোৱা।"

"যেইছা আপকো মৰ্জ্জী। হামলোগ কা কেয়া?"

কাম পোৱাৰ কাৰণে মই পইচা দিবলগীয়া হোৱা নাই। উচ্চশিক্ষিত মানুহ এজনে ঠিকাৰ কাম কৰিবলৈ লৈছে। প্ৰথম ছোৱাত এটা গ্লেমাৰ বা জৌলচ আছিল। সম্বন্ধীয় খুৰা এজন আছিল এম্, এল, এ। তেওঁৰো কিছু প্ৰভাৱ থাকিব পাৰে।

কাম পূৰ্ণোদ্যমে চলি আছে। দুমাইল বাটৰ কাম সম্পূৰ্ণ। গোটেইখিনি কাম শেষ কৰি লোৱাৰ জোখাৰে হাতত টকা নাই। কাৰো নাথাকে। ৰানিং বিল পোৱা যায়। যিখিনি কাম হয় তাৰে বিল কৰি শতকৰা দহ ভাগ কাটি ৰাখি বাকী টকা দিয়ে। চেক্‌চনাল অফিচাৰ ভট্টাচাৰ্য্যক ক'লো। তেওঁ ক'লে—"যথেষ্ট কাম হৈছে। মই কালি পৰহিতে ৰানিং বিল এখন কৰি মেজাৰমেণ্ট ৰহীৰ সৈতে এচ্, ডি, অ'ৰ তালৈ পঠিয়াই দিম।"

কথা ইমান সহজ নহয়। চেক্‌চনাল অফিচাৰে বিল কৰি

এচ্, ডি, অ'ৰ তালৈ পঠিয়ায়। এচ্, ডি, অ'ই চাইচিতি পঠিয়ায় একজিকিউটিভ ইঞ্জিনীয়াৰৰ অফিচলৈ। বিল ক্লাৰ্কে বিল পাচ কৰি দিব একাউন্‌টেণ্টৰ তালৈ। এই একাউনটেণ্টজনৰ ক্ষমতা অসীম। তেওঁৰ হাত সৰকি যাব একজিকিউটিভ ইঞ্জিনীয়াৰৰ তালৈ। তাৰ পিছতহে আহিব চেকৰ কথা। কায়দা জানিলে গোটেইখিনি কাম একেদিনাই হয়। নহ'লে এমাহ ঘূৰাঘূৰি কৰিও একো তলানলা পোৱা সম্ভৱ নহয়।

এচ্, ডি, অ' শৰ্ম্মাই মোক এই মাৰে তো এই মাৰে।

"এইবোৰ কি ঘোঁৰাৰ ডিম কাম কৰিছা? এইবোৰ কি শিলগুটি? ধূলিমাকতিয়ে ভৰ্ত্তি। নহব। গোটেইখিনি শিলগুটি চালিজাৰি আকৌ বক্সিং কৰি দিবা।"

মোৰ কাণমূৰ ৰঙা পৰিলেও ভাবিলো ঠিকাদাৰী কৰিবলৈ আহিছো যেতিয়া সকলো সহ্য কৰিব লাগিব। সেই প্ৰথম উপলব্ধি কৰিলো মই এজন ঠিকাদাৰ। মোৰ অইন পৰিচয় অবান্তৰ। আচৰিত কথা। নৈৰ শিলগুটি। জঁকজঁক্ কৰে। ধূলিবালি একো নাই। থাকিব নোৱাৰে।

ইফালে বিলৰ টকা নাপালেও নহয়। মাজবাটতে কাম বন্ধ কৰি ৰাখিব নোৱাৰি। নাওবোৰ এৰি দিব নোৱাৰি। নাইয়াৰ গোটেই হিচাপ নিদিলেও খোৰাকিৰ পইচা দি যাব লাগিব। ইমানবোৰ মানুহে খাব কি? ট্ৰাকৰ মালিকক এতিয়া পইচা নিদিলেও পেট্ৰ'ল মবিলৰ খৰচ আছে। অইনবোৰ মজদুৰবো খোৰাকি চলাই যাব লাগিব। আটাইতকৈ বিপদত পেলাইছে কেৰামত মিঞাই। ইমানদিনে এক পইচাও লোৱা নাই। দিলেও নলয়। ক'লে কৈছিল —"থাকক আপোনাৰ তাত। একেলগে লম।"

কেৰামত মিঞাৰ ছোৱালীৰ বিয়া। দিনবাৰ ঠিক হৈছে। পইচা দিবই লাগিব। মগজু ঘোলা হোৱাৰ উপক্ৰম।

পি, ডব্লু, ডিৰ আটাইবোৰ বিষয়া বেয়া বুলি ক'লে মইয়েই প্ৰথমে



প্ৰতিবাদ কৰিম। চেক্‌চনাল অফিচাৰ ভট্টাচাৰ্য্যাই কেতিয়াও মোৰ পৰা এটা পইচা লোৱা নাই। বৰং বুদ্ধি পৰামৰ্শ আগবঢ়াই সকলো ধৰণে মোক সহায় কৰিছে। তেওঁৰ ঘৰত কিমান দিন খাইছো তাৰ হিচাপ নাই। মানুহক খুওৱাই ভাল পাইছিল। ভাল মাছ তাছ থাকিলে কেম্পত আহি মোক মাতি গৈছিল। তেওঁৰ পৰিবাৰো আছিল অত্যন্ত মাৰ্জ্জিত ভদ্ৰমহিলা। খুব ভাল ৰান্ধিছিল। তেওঁ ৰন্ধা আঞ্জাৰ জুতি এতিয়াও মোৰ মুখত লাগি আছে। কথা-বতৰা সহজ হোৱাৰ পিছত তেওঁ মোক এদিন কৈছিল—"ইমান লিখাপঢ়া শিকি কিয় নো আপুনি কন্‌ট্ৰাক্টৰী কৰিবলৈ আহিছে? এইবোৰ জানো ভাল মানুহৰ কাম?"

বিল লৈ সমস্যাৰ কথা ভট্টাচাৰ্য্যক ক'লো।

"কি কৰা যায়?"

তেওঁ ক'লে—"মই কি কম কওঁক? অমৃত সিঙে এক মাইল কাম কৰি ইতিমধ্যে তিনিখন ৰানিং বিল পাচ কৰাই ল'লে। মইয়েই বিল কৰিছো। তাৰ বক্সিং কৰি থোৱা শিলগুটিবোৰ চাই আহিবচোন।"

চাই অহাৰ দৰকাৰ নাছিল। আগতেই দেখিছো। অমৃত সিঙৰ বক্সিং কৰা প্ৰতিটো শিলগুটিৰ দ'ম অতিশয় কৃশকায়। বাটৰ পৰাই চকুত পৰে। কোৱাৰীৰ শিলগুটি। ভালকৈ চালিজাৰি লোৱা নাই। শিলগুটিৰ মাজত ধূলি নহৈ যেন ধূলিৰ মাজত শিলগুটি। ঠিকাৰ সৰ্ত্ত অনুযায়ী শিলগুটি হব লাগিব ধূলিমাকতিৰ পৰা মুক্ত। ফ্ৰি ফ্ৰম ডাষ্ট ডাৰ্ট এণ্ড আদাৰ ইমপিউৰিটিজ।

ভট্টাচাৰ্য্যাই ক'লে—"তেনেহ'লে? মই কি কম? আপুনিয়েই ভাবি চাওঁক কি কৰা ভাল।"

আটাইতকৈ ডাঙৰ সমস্যা হৈছে কেৰামত মিঞাৰ ছোৱালীজনীৰ বিয়াৰ কথালৈ কেৰামত মিঞাইও কথাখিনি জানে। তাৰো উপায়

নাই। করুণ দৃষ্টিৰে মোৰফালে চাই আছে। কিবা এটা ব্যৱস্থা কৰিবই লাগিব।

গধূলি প্ৰতুল কেম্পত ওলালহি। আহিয়েই মোক জেৰা আৰম্ভ কৰিলে।

"কি অ'? কি হৈছে তোৰ? ইমান কি ভাৱি আছ?"

ক'লো। মোৰ সমস্যাৰ কথা প্ৰতুলক খোলাখুলিকৈ ক'লো। কৰাৰ একো নাই। এইবোৰ কথা লৈ যুঁজি থকাৰো উপায় নাই। অইন যি হয় হওঁক। কেৰামতক তিতি হাজাৰ টকা দিবই লাগিব।

প্ৰতুলে গম্ভীৰভাৱে ক'লে—"ইয়াত আৰু চিন্তাৰ কিটো আছে? এচ্‌ ডি, অ'ক পইচা লাগে। সহজ কথা। কিছু টকা দি দে তাক। কি আৰু কৰিবি? এক ট্ৰাক ধান বিক্ৰি কৰি আজি অলপ টকা পাইছো। লাগে যদি ল।"

"ঘোচ দিব কৈছ?"

"নহ'লে কি কৰিবি? গোটেইবোৰ শিলগুটি চালিজাৰি আকৌ ৰক্সিং কৰাবি? আকৌ যদি হোৱা নাই বুলি কয়?"

"নাই, নোৱাৰি। ঘোচ দিব নোৱাৰি।"

"তোৰ লাজ লাগে যদি ব'ল মইয়ো তোৰ লগতে যাম। কালি ৰাতিপুৱাই ট্ৰাক এখন লৈ ওলা।"

মগজুত কিবা এটা ক্লিক্‌ কৰি উঠিল। অসহায় আৰু দুৰ্ব্বল বুলি নিজকে চিনি পালো। আটাইতকৈ সহজ কৰ্ম্মপন্থাটো বাচি ল'লো। ভীৰু সঙ্কল্প এটা ল'লো। ঠিকাদাৰী কৰা মোৰ দ্বাৰা নহব। লাজতে মোৰ কাণমূৰ ৰঙা পৰি গ'ল। মই অত্যন্ত অস্বস্তি বোধ কৰিবলৈ ধৰিলো।



## ॥ দহ ॥

অস্বস্তিত ছট্‌ফট্‌ কৰি উঠি আকৌ মই বৰ্ত্তমানলৈ উভতি আহিলো। চকু মেলি চালো লাইট জ্বলি আছে। মই শোৱনী কোঠাত আৰাম চকীত বহি আছো। পৰিবাৰৰ ইতিমধ্যে টোপনি আহিছে। সহজাত প্ৰেৰণাত তেওঁ একে সময়তে চকু মেলি মোৰ ফালে চাই হাঁহিলে।

সুধিলে—"প্ৰশ্নৰ উত্তৰ পালা?"

"আংশিক ভাৱে। সম্পূৰ্ণ উত্তৰ এতিয়াও পোৱা নাই।"

"আজিলৈ হব। বহু ৰাতি হ'ল। শোৱা। কাইলৈ আকৌ উত্তৰ বিচাৰি যাবা।"

## ॥ এঘাৰ ॥

অদ্ভুত মানুহ এই এচ্, ডি, অ' শৰ্ম্মা। খুব কম সংখ্যক মানুহৰ মাজত মই এনেকুৱা একাগ্ৰতা লক্ষ্য কৰিছো। সকলোবোৰ অনুভূতিক সঙ্কুচিত কৰি আনি তেওঁ এটামাত্ৰ অনুভূতিক পুষ্ট হবলৈ দিছে। হয় তেওঁ মহাযোগী, নহয় এজন মানসিক বিকাৰগ্ৰস্ত মানুহ। টকাৰ বাহিৰে পৃথিবীৰ অইন একো কথাই তেওঁ নাজানে, জনাৰ ইচ্ছাও নকৰে। ঢাকাৰ পৰা পাচ কৰা। চেক্‌চনাল অফিচাৰৰ পৰা এচ্, ডি, অ' হৈছে। টকা ঘটাই হ'ল তেওঁৰ জীৱনৰ একমাত্ৰ সাধনা।

শৰ্ম্মাই ডাবি দি উঠিল।

"ঘৰত কিয়? অফিচলৈ যাবা।"

ডাবি খাই প্ৰতুলে ঢেক্‌ঢেক্‌কৈ হাঁহিবলৈ আৰম্ভ কৰিলে।

"চাৰবো যে কথা। বৰ হাস্যৰসিক তো চাৰ আপুনি। অফিচত কেৰেণী চাপৰাচীৰ আগত আপোনাক সম্মান দেখুৱাবলৈ গৈ সামান্য কিবা আগবঢ়াই দিওঁ আৰু গোটেই ৰাজ্য ৰজনজনাই যাওঁক। ভাৱকচোন দৃশ্যটোৰ কথা। সাংঘাতিক মানুহ, চাৰ আপুনি।"

"কি কৈছা এইবোৰ? আহাচোন আহা, ভিতৰলৈ আহা।"

প্ৰতুলে ভিতৰলৈ সোমায়েই এখন এখনকৈ নোট বাহিৰ কৰি মেজত থৈ যাব ধৰিলে।

"ওৱান, টু, থ্ৰি, ফোৰ, ফাইভ, চিক্‌চ্, চেভেন, এইট্, নাইন, এই টেন। এক হাজাৰ। কাটিলে কাটক, মাৰিলে মাৰক, আৰু নাই।"

"কি এইবোৰ, বৰ অন্যায় কথা।"



"বৰ অন্যায় কথা। আমিও জানো। মাত্ৰ এক হাজাৰ টকা দিয়াটো বৰ অন্যায় কথা হৈছে। কিন্তু উপায় নাই চাৰ। আপোনাৰ হাত সাৰি যাম ক'ত। কাম এতিয়াও বহুত বাকী।"

প্ৰতুলে যিখন বহুৱালি আৰম্ভ কৰিছে মোৰ তো ভয়েই লাগি গ'ল। সৰ্ব্বনাশ কৰিহে এৰিব। শঙ্কাৰ কাৰণ নাছিল। শৰ্ম্মাই নোট কেইখন জাপি লৈ অসন্তুষ্ট ভাৱে ক'লে—"ইমান টকাৰ বিলত মাত্ৰ এইখিনি?"

"যাম ক'ত। বন্ধা মুৰ্গী। যেতিয়াই ইচ্ছা কাটি খাব পাৰে সন্থহতে উদ্ধাৰ কৰক।"

"শিলগুটিবোৰ কিন্তু চালিজাৰি দিবা হে।"

"চলাজৰা ইমান পৰে শেষ হ'লেই কিজানি। আবেলি গৈ চাবচোন। শিলগুটিৰ চেহেৰা বদল হৈ গৈছে। একেবাৰে গোটে গোটে গিলিবৰ মন যাব।"

ওলাই আহি প্ৰতুলক ডাবি দিলো।

"কি বহুৱালিখন আৰম্ভ কৰিছিলি?" প্ৰতুলে ঢেক্‌ঢেক্‌কৈ হাঁহিবলৈ ধৰিলে।

শৰ্ম্মাৰ লগত প্ৰতুলৰ বেচ খাতিৰ জমি উঠিছিল। শৰ্ম্মাই বোধহয় প্ৰতুলক মোৰ অংশীদাৰ বুলি ধৰি লৈছিল। নহলে মোৰ লগত ইমান লাগি থাকিব কিয়? প্ৰতুলে শৰ্ম্মাৰ লগত আড্ডা মাৰে, গল্প কৰে।

"এইটো গল্প শুনিছে নে নাই, চাৰ? ঠিকাদাৰ এজনৰ বন্ধু হ'ল কলেজৰ অধ্যাপক। দুয়ো একেলগে ফুৰি আছিল। এচ্, ডি, অ'ৰ ঘৰ পাই ঠিকাদাৰজনে বন্ধুক লৈ সোমাই গ'ল। আৰু কেইজনমান ঠিকাদাৰ বহি আছিল। এওঁলোক দুয়ো গৈ বহিল। এনেতে এচ্, ডি, অ'ৰ এখন টেলিগ্ৰাম আহিল। তেওঁ টেলিগ্ৰাম মেজত থৈ ল'ৰালৰিকৈ ভিতৰলৈ সোমাই গ'ল। বাকীবোৰ ঠিকাদাৰে টেলিগ্ৰামখন পঢ়ি একেলগে হাওহাওকৈ কান্দিবলৈ ধৰিলে। অধ্যাপকজন আচৰিত। তেওঁ টেলিগ্ৰামখন পঢ়ি চালে। এচ্, ডি,

অ'ৰ মাক ঢুকাইছে। এই সংবাদ। এচ্, ডি, অ' জনৰ চকুত এটোপ পানী নাই আৰু এওঁলোকৰ শোক উথলি উঠিল। দেখুৱাব খুজিলেও মাত্ৰা এটা ৰাখি দেখুৱাব লাগে। ভণ্ডামিৰ এটা সীমা থকা উচিত। ঠিকাদাৰবোৰে তেওঁৰ কথা শুনি তাজ্জব। নাকান্দিম? এচ্, ডি অ'ৰ মাকৰ শ্ৰাদ্ধ। সহজ কথা? কোনে কিমান টকা দিব লাগে কি ঠিক? কামকাজৰ অৱস্থা বেয়া। এই বিপদতো নাকান্দিম?"

শৰ্ম্মাই নিৰস ভাৱে হাঁহিলে—"হে, হে, হে। তুমি তো বৰ ৰসৰ কথা কব পাৰাহে প্ৰতুলবাবু।"

একজিকিউটিভ ইঞ্জিনীয়াৰ দাস আহিছিল সেই বছৰৰ শেষৰ ফালে। বি, ই কলেজৰ পৰা প্ৰথম হৈ বি, ই পাচ কৰিছে। কামৰ কথা কিবা কবলৈ গ'লে কয়—"হব, হব। কামৰ কথা বাদ দিয়ক মাটি কটা, বাটত শিলগুটি দিয়া এইবোৰ তো কাম। এইবোৰ কাম পৰি নাথাকে হব।"

ঘৰলৈ টানি লৈ গৈছিল। কিতাপৰ মাজত ডুব গৈ থাকে। কয়—"আমাৰ যি কাম তাত কাৰিকৰী বিদ্যাৰ বিন্দুমাত্ৰ প্ৰয়োজন নাই। সাধাৰণ জ্ঞান থকা যিকোনো মানুহে মই কৰিবলগীয়া কামখিনি কৰিব পাৰে।"

মোক কাফ্‌কাৰ কিতাপ পঢ়িবলৈ দিছিল। ৰবি ঠাকুৰৰ কবিতা মুখস্থ মাতি গৈছিল এটাৰ পিছত এটা।

"যাহা চাই তাহা ভুল ক'ৰে চাই, যাহা পাই তাহা চাই না দেখিছে? কেনেকুৱা এটা এব্‌চ্‌ট্ৰাক্‌ট্ আইডিয়া মাত্ৰ কেইটামান শব্দেৰে প্ৰকাশ কৰিছে। অদ্ভুত ক্ষমতা।"

মোৰ ভাৱ হৈছিল তেওঁৰ মনত এটা বেদনা আছিল। অসাৰ্থকতাৰ বেদনা। কাৰিকৰী দিশত বহুত কিবা কৰিব বুলি ভাৱি আছিল। মই লগ পোৱা সময়ত কেৱল সাহিত্যত ডুবি আছিল। অকলশৰীয়া মানুহ।

মোক কৈছিল—"চৌধুৰী, ঠিকাদাৰী কৰক বা অইন যিহকে



কৰক মনৰ জুইকুৰাক কেতিয়াও নুমাই যাবলৈ নিদিব। জুইকুৰা এবাৰ নুমাই গ'লে বাহিৰৰ শত সূৰ্য্যৰ পোহৰেও মনৰ এই এন্ধাৰ গুচাব নোৱাৰে। এন্ধাৰত দিশাহীন হৈ ফুৰিবলগীয়া হোৱাটো বৰ ভয়ঙ্কৰ।"

ৰবীন্দ্ৰ সঙ্গীতত বাপ আছিল মানুহজনৰ। কেতিয়াবা এটাৰ পিচত এটা গান গাই গৈছিল।

"মন মোৰ মেঘৰ সঙ্গী
উৰে চলে দিকদিগন্তেৰ পানে···।"

মই মুগ্ধ হৈ শুনিছিলো। ভাৱিছিলো কিয় তেওঁ এই লাইনত আহিছে। নিজকে সংযত কৰি লৈছিলো। সংস্কৃতি সম্পন্ন হব লাগিলে যেন শিক্ষা বিভাগত থাকিবই লাগিব। কিয় এই সংস্কাৰ? দাসে ঠিকেই কৈছে। আচল কথা হ'ল মনৰ জুইকুৰা জ্বলাই ৰাখিব পৰাটোৱে। এবাৰ এই জুইকুৰা গ'লে একোৰেই মূল্য নাথাকে।

অইন ঠিকাদাৰবোৰে দাসক ভালপোৱা নাছিল। তেওঁ ঠিকাদাৰৰ পৰা ঘোচ খোৱা নাছিল। শুনিছো তেওঁ কাম এৰি দিছে। ক'ত কি কৰি আছে নাজানো।

আলিমহৰী চাদেক মিঞাৰ অৱস্থাটো হৈছিল বৰ অস্বস্তিকৰ। বেচেৰাই ঠিকাদাৰৰ পৰা দুই চাৰি পইচা পায়। ওপৰৱালাৰ লগত মোৰ খাতিৰ। ভট্টাচাৰ্য্যৰ ঘৰৰ মানুহৰ দৰে। মুখ ফুটাই মোক একো কব নোৱাৰে। মোৰ অনুপস্থিতিত কুলিকামলাৰ ওপৰত বাহাদুৰি দেখুৱায়; কাম বন্ধ কৰি দিব বুলি ভাবুকি দিয়ে। কেম্পতো আহে। জা-জলপান খায়। কথাবতৰা পাতে। মোৰ কামৰ শলাগ লয়।

"ভাল কাম হৈছে আপোনাৰ। আপোনাৰ মানুহবোৰ ভাল। কাম-কাজ বুজি পায়, ফাকিফুকা দিয়াৰ চেষ্টা নকৰে। কাকো একো কব নালাগে।"

এদিন বেপৰোৱা হৈ কৈ পেলালে—"চৌধুৰীবাবু, মহা বিপদত

পৰিছো। পৰিবাৰৰ ডেলিভাৰিৰ সময়। হাতত এটা পইচা নাই। এশটা টকা নিদিলে মৰি যাম। অইন একো উপায় নাই কাৰণেহে আপোনাক কব লগা হ'ল। একে ঠাইৰে মানুহ। আপুনি উদ্ধাৰ নকৰিলে কোনে কৰিব ?"

চাদেক মিঞাই বুদ্ধি ৰাখে। নিখুঁত বুদ্ধি। এদিন কেম্পত চাহ খাই থাকোঁতে গোপনে মোক বুদ্ধি দিলে।

"এচ্, ডি, অ'ৰ লগত আপোনাৰ ভাল। দুই মাইল বাটৰ শিলগুটিৰ জোখমাখ হৈছে, বিলো হৈছে। এচ্, ডি, অ'ফ ধৰিমিলি এই দুই মাইলত শিলগুটি বাটত পেলোৱাৰ ঠিকাটো লওঁক। পাঁচ হাজাৰ ঠকাৰ ভিতৰতে হ'লে তেৱেঁই কাম দিব পাৰে। তাৰ পিছত কিছু শিলগুটি বাটত পেলাওঁক আৰু কিছু আকৌ ট্ৰাকত ভৰাই আগলৈ লৈ যাওঁক। একো অসুবিধা নাই। মই তো আছো। একে ঠাইৰে মানুহ। কৰিব পৰা উপকাৰ খিনি নকৰিলে কেনেকৈ হব ?"

নিজৰ বুদ্ধিৰ তীক্ষ্ণতা দেখি চাদেক মিঞা নিজেই অভিভূত হৈ পৰিল। হঠাতে কোনোদিনা নকৰা কাম এটা কৰি পেলালে। মই দিম বুলি ৰখি নাথাকি নিজেই সোঁ হাতখন মোৰ জেপত ভৰাই দিলে।

"দিয়া, চিগাৰেট এটা দিয়া। তুমি মোৰ নিজৰ ভাইৰ নিচিনা কাৰণেহে বুদ্ধিটো দিলো।"

চাদেক মিঞাই তুমি বুলি কোৱাত বেয়া পাবৰ কাৰণ নাই। একে ঠাইৰে মানুহ। বয়সতো ডাঙৰ। তথাপিও মই ভেবা লাগি তেওঁৰ ফালে চাই থাকিলো।



## ॥ বাৰ ॥

কোনো ঠাইত থাকিলে উশাহত সেই ঠাইৰ বতাহ টানি নলৈ উপায় নাই। বাতাৱৰণৰ প্ৰভাৱ এৰাব নোৱাৰি। গোৱালপাৰাৰ এই অঞ্চলৰ বাতাৱৰণৰ লক্ষ্য কৰিবলগীয়া সলনি হৈ আহিছে। ঠিকাদাৰী কামত ব্যস্ত হৈ থাকিলেও লক্ষ্য নকৰি নোৱাৰো।

এই অঞ্চলৰ সৰহ সংখ্যক মানুহ হয় ৰাজবংশী সম্প্ৰদায়ৰ নহ'লে মুছলমান। ইহঁতৰ প্ৰায়বোৰৰে অৰ্থনৈতিক অৱস্থা অতিশয় দুখলগা বিধৰ। ইমান দিনে ভাষা সংস্কৃতি এইবোৰ কথা লৈ সম্পূৰ্ণ নিৰাসক্ত হৈ আছিল। লাহে লাহে চেতনাৰ সঞ্চাৰ হৈ আহিছে। আগতে ইহঁতৰ মাজত নিৰক্ষৰতা আছিল প্ৰায় সৰ্ব্বাত্মক।

স্থানীয় উচ্চশ্ৰেণীৰ মানুহৰ সৰহভাগ হ'ল বহিৰাগত। অসমৰ অইন অংশ বা ৰাজ্যৰ বাহিৰৰ পৰা অহা। লিখাপঢ়া আছিল এই সম্প্ৰদায়ৰ মানুহৰ মাজত সীমাবদ্ধ। অৰ্থাৎ লিখাপঢ়া কৰে ভদ্ৰলোকৰ ল'ৰাই।

এই অঞ্চলত মধুপৰতহে একমাত্ৰ হাইস্কুল আছিল। তিনি মাইল চাৰি মাইল দূৰৰ পৰা গাৱঁৰ ল'ৰাবোৰে খোজকাঢ়ি স্কুললৈ আহিছিল। খেতিয়কৰ ল'ৰা। আচাৰিকান্দি, শিলাই এইবোৰ গাৱঁৰ পৰা আহিবলৈ হ'লে নৈ পাৰ হৈ আহিব লাগিছিল। মহাযুদ্ধৰ সময়তহে মধুপুৰৰ ৰাস্তাঘাট কিছু ভাল হয়। বাৰিষা মধুপুৰৰ কেঁচা আলিবোৰত এক আঠু বোকা হৈছিল। ক্লাচ টেন পৰ্য্যন্ত আমি স্কুললৈ জোতা পিন্ধি যোৱা নাছিলো।

গাৱঁৰ এই ল'ৰাবোৰে ক্লাচ চিক্স পৰ্য্যন্ত পঢ়ি প্ৰায়েই পঢ়া

এৰিছিল। স্কুলৰ শিক্ষক সকলোৱেই এই সৰু সৰু ল'ৰাবোৰৰ লগত অত্যন্ত দুৰ্ব্যৱহাৰ কৰিছিল। আমাক অৰ্থাৎ মধুপুৰৰ ভদ্ৰলোকৰ ল'ৰাক একো নকৈছিল। কিন্তু এইবোৰ ল'ৰাৰ প্ৰতি আছিল অত্যন্ত নিষ্ঠুৰ। মাৰমিট গালিশপনি তো আছিলেই, আৰু লগতে আছিল বিদ্ৰূপ আৰু উপহাস।

"এই, তই কাৰ ল'ৰা?"

"মধু ঘোষৰ, ছাৰ।"

"সেই কাৰণে। কথাতে আছে নহয় আশি বছৰ হ'লেহে গুৱালৰ বুদ্ধি হয়।"

"তোৰ বাপেৰৰ নাম কি?"

"শিয়ালু মণ্ডল।"

"তইয়ো লিখাপঢ়া শিকি শিয়াল পণ্ডিত হব খুজিছ নেকি? গাধক পিটি ঘোঁৰা বনাব পাৰি নে? ইফালে বাপেৰে তো মহানন্দে আছে—লিখাপঢ়া শিকি মোৰ ছাৱা দাৰোগা হব। চাওঁ, হাতখন পাত।"

সুধীৰ মাষ্টৰ আছিল আটাইতকৈ চাৰ। ছেদিষ্ট বুলি কব পাৰি। চেলু উলিয়াব পাৰিলে এইবোৰ ল'ৰাক নিৰ্ম্মমভাৱে বেতেৰে কোবাইছিল। সিহঁতৰ এই লিখাপঢ়াৰ প্ৰয়াসক তেওঁ কোনোৰকমে সহ্য কৰিব নোৱাৰিছিল।

টিফিনৰ সময়ত ক্লাচত হুলস্থূল লাগে। টিফিনৰ পিছত ক্লাচত আহি প্ৰবীনে তাৰ সাহিত্যৰ কিতাপখন নাপালে। প্ৰবীণে সুধীৰ মাষ্টাৰক জনালে। বিচাৰি চোৱাত কিতাপখন শিয়ালু মণ্ডলৰ ল'ৰা প্ৰাণেশ্বৰৰ কিতাপৰ মাজৰ পৰা ওলাল। খুব সম্ভৱ টিফিনৰ সময়ত ল'ৰালৰিৰ কোবত ভুলতে তাৰ কিতাপৰ মাজত সোমাই গৈছে। উল্লাসত সুধীৰ মাষ্টৰৰ চকুদুটা জ্বলি উঠিল। কাগজৰ এটা টুপি বনাই দুয়োফালে ৰঙা চিয়াহীৰে ডাঙৰ ডাঙৰ আখৰেৰে "গাধ" লিখি প্ৰাণেশ্বৰৰ মূৰত পিন্ধাই দিলে। প্ৰত্যেক ক্লাচৰ সমুখত থিয় কৰাই



কৰাই তাক বেতেৰে কোবাব আৰম্ভ কৰিলে। গণি গণি বেত মাৰি গৈ থাকিল।

এক, দুই, তিনি। তাৰ পিছত সুধীৰ মাষ্টাৰৰ উত্তেজনা ইমান বাঢ়ি যায় আৰু হাত ইমান ক্ষিপ্ৰগতিৰে চলিব ধৰে যে বাকী কোব-বোৰৰ হিচাপ ৰখা সম্ভৱ নহয়। প্ৰাণেশ্বৰৰ সেই অসহায় আৰু আৰ্ত্ত ৰূপটো এতিয়াও মোৰ চকুৰ আগত ভাহি আছে।

ক্লাচ চিক্‌ছ সেভেন পোৱাৰ আগতেই লাহেলাহে এইবোৰ ল'ৰাই পঢ়া এৰি দিছিল। ৰহমানে মধুপুৰৰ বজাৰত কচাইৰ কাম কৰে। সুৰথ দাসে কাঠৰ মিস্ত্ৰীৰ কাম কৰে। মহেশ হাতীৰ মাহুত হৈছে। লগ পালে আমি দুয়ো পক্ষই অস্বস্তিবোধ কৰো।

এই অঞ্চলৰ পিছপৰা মানুহৰ মাজত শিক্ষাৰ কিছু বিস্তাৰ হৈছে। নিজস্ব মতামত গঢ়ি তোলাৰ আৰু তাক প্ৰকাশ কৰাৰ ক্ষমতাও কিছু আগৰ দৰে ক্ষমতাত থকা মুষ্টিমেয় উচ্চ শ্ৰেণীৰ মানুহে নিজৰ মত-টোকেই ৰাইজৰ মত বুলি চলাব নোৱাৰা হৈছে। এই অঞ্চলৰ স্কুল কলেজত আগতে অসমীয়া পঢ়োৱাৰ ব্যৱস্থা একপ্ৰকাৰ নাছিলেই। এতিয়া বোচ ভাগ ছাত্ৰই অসমীয়া লৈ পঢ়ে। এই লৈ দুই এজন উচ্চ পদস্থ বিষয়াই কৃত্তিত্ব লব খোজে। পিছে আচলতে কোনেও জোৰ-কৈ জাপি দিয়া নাই। এই অঞ্চলৰ মানুহে নিজৰ ভাষা নিজেই চিনি উলিয়াই লৈছে। এইবোৰ হ'ল স্বাধীনতা পোৱাৰ ঠিক পিছৰ সময়ৰ কথা।

আগমনীৰ ঘাটত থাকিলেই নহয়। অফিচৰ কামকাজলৈ সদৰলৈ আহিব লাগে। মধুপুৰত ঘৰলৈও আহিব লাগে।

চাৰুৰ দোকানৰ আগেদি গৈ থাকোঁতে চাৰুয়ে হুলস্থূলকৈ মাতিলে। ৰচিদ বহী এখন আগত মেলি দি কলে—

"বিহুৰ চান্দা দে। ঠিকাদাৰ মানুহ, পঞ্চাশ টকাৰ কম দিলে নহব।"

মধুপুৰৰ চাৰুৰ দোকানখন হ'ল আমাৰ আড্ডাখানা। প্ৰতুল

আৰু গজেন মণ্ডলে আগৰ পৰাই দোকানৰ ভিতৰত বহি আছিল। গজেন মণ্ডল প্ৰতিভাসম্পন্ন মানুহ। শিল্পানুৰাগী। বিশেষকৈ গোৱালপৰীয়া লোকগীতিৰ বিষয়ে তাক বিশেষজ্ঞ বুলি কব পাৰি। অলপতে গোৱালপৰীয়া লোকগীতি পৰিবেশন কৰিবলৈ যোৱা দল এটাৰ লগত গৈ চিলং আৰু গুৱাহাটীৰ পৰা ঘূৰি আহিছে। গজেনে তাৰ ক্ষোভ প্ৰকাশ কৰিলে।

"বুজিছ। সিফালৰ মানুহে আমাক অসমীয়া বুলি মানিবই নোখোজে। একমাত্ৰ 'শ'-ৰ উচ্চাৰণৰ ওপৰত ভিত্তি কৰি ভাষা এটা হব পাৰে নে? এইটো এটা কথা হ'ল নে? শুনিবিচোন। ঢাকাৰ মানুহে 'শ'-ক 'হ' কয় নে নকয়? শালাক কয় হালা। আমি কলিকতাত থাকি লিখাপঢ়া কৰিছো। চট্টগ্ৰাম বা নোৱাখালীৰ দুজন মানুহে কথা পাতিলে কাৰ সাধ্য একবৰ্ণ বুজি পায়। পূৰ্ব্ব আৰু পশ্চিম বঙ্গৰ মানুহে পৰম্পৰৰ কথাবতৰা লৈ ঠাট্টা তামাচা কৰা শুনিছো। কিন্তু কোনেও কাকো বঙালী নহয় বুলি তো কোৱা শুনা নাই।"

গজেন মণ্ডল উত্তেজিত হৈ উঠিল।

"অস্পৃশ্যতা সকলোতে বেয়া। ভাষাৰ ক্ষেত্ৰতো বেয়া। শুচিতা বচাই ৰখাৰ কাৰণে বেৰ দিলে বেৰখন ক্ৰমাগত সঙ্কুচিত কৰি আনিবই লাগিব। দাঁতিবোৰ চুৱা লাগি অশুচি হব। শুচিতা ৰক্ষা কৰিবলৈ বেৰখন চপাই আনিব। ইয়াৰ শেষ ক'ত?"

মোৰ ফালে চাই সুধিলে—"তই কি কৱ?"

মই একো নকৈ হাঁহিছিলো মাত্ৰ। আজিও সেই একেধৰণে হাঁহি আছো।

এই অঞ্চলটোৰ দ্ৰুত পৰিবৰ্ত্তন হৈ আছে। সাধাৰণ মানুহৰ মাজত আত্মপ্ৰত্যয়ৰ সৃষ্টি হব ধৰিছে। মুষ্টিমেয় উচ্চশ্ৰেণীৰ মানুহৰ নিৰ্দ্দেশত চলিবলৈ এওঁলোক ৰাজী নহয়।

আগৰ কেইটামান সাধাৰণ নিৰ্ব্বাচনৰ ফলাফললৈ নজৰ কৰিলে



দেখা যাব যে কোনো বৰ্ণহিন্দু প্ৰাৰ্থীয়ে জয়লাভ কৰিব পৰা নাই। ইয়াত আচৰিত হবলগীয়া একো নাই।

ভদ্ৰশ্ৰেণীৰ মানুহৰ আছিল এটা হিমালয় সদৃশ দম্ভ। তেওঁলোকে ধৰি লৈছিল যে সকলো ধৰণৰ সুবিধা আৰু সম্মান তেওঁলোকৰ প্ৰাপ্য। জন্মগত অধিকাৰ। নিম্ন শ্ৰেণীৰ বৃদ্ধ এজনকো ভদ্ৰশ্ৰেণীৰ সৰু ল'ৰা এজনে বিনা সঙ্কোচে তুমি নহয় তই বুলি সম্বোধন কৰে। মইয়ো ইয়াৰ ব্যতিক্ৰম নহওঁ। এইটো এটা প্ৰচলিত নিয়ম।

## ॥ তেৰ ॥

গধূলি হৈছে মাত্ৰ। শিলগুটি লৈ নাওবোৰ ঘাটলৈ আহিছে। ঘাটত কৰ্ম্মচাঞ্চল্য আৰু হুলস্থুল। ঠিক সেই সময়ত মানুহজন আহিছিল। সসংকোচে, অত্যন্ত ভয়েভয়ে। শকত আৱত বুঢ়া মানুহ। মুখত একমুখ পকা ডাড়ি। চেককটা লুঙি পিন্ধা, গাত নীলা ৰঙৰ কামিজ, খালী ভৰি, দুয়ো ভৰিত খৰ। নিশ্চয় নাও লৈ কাম বিচাৰি অহা মানুহ। কামত ব্যস্ত আছিলো। এবাৰ মুখৰ ফালে চাই কৰ্কশ ভাৱে সুধিলো—"কি লাগে তোমাক?"

মানুহজনে সসঙ্কোচে ক'লে—"প্ৰতুলবাবু আহিছে নেকি? মোক গধূলি ইয়াতে লগ ধৰিব কৈছিল।"

"অহাৰ কথা আছে নেকি তাৰ? এতিয়াও আহি পোৱা নাই। আহিলে কিবা কব লাগিব নেকি?"

"গুলমহম্মদ আহিছিল বুলি কব। মই কালি ৰাতিপুৱা আকৌ এবাৰ খবৰ কৰিম।"

"বাৰু। ইয়াতেই ঘৰ নেকি তোমাৰ?"

"জ।"

"কি কৰা?"

"খেতি কৰো, দিয়ক।"

"বাৰু যোৱা। আহে যদি কম তোমাৰ কথা।"

প্ৰতুলৰ মুখত গুলমহম্মদৰ পৰিচয় শুনি বৰ লাজ পালো। পিছে মোৰ নো কি দোষ? এনেকুৱা চেহেৰাপাতি পোচাক পৰিচ্ছদ লৈ মানুহ এজন গুলালে কোনে নো তাক আপুনি বুলি



সম্বোধন কৰে? কোনেনো সসম্মানে অভ্যৰ্থনা কৰি বহিবলৈ দিয়ে? তেতিয়াৰ দিনৰে বি, এ পাচ মানুহজন। জাতীয়তাবাদী মুচলমান। তাহানিতে পুলিচৰ দাৰোগাৰ কাম এৰি দি নিজহাতে খেতি কৰিবলৈ লৈছে। অত্যন্ত ধৰ্ম্মভীৰু আৰু নিৰীহ স্বভাৱৰ মানুহ। গাঁৱৰ সকলোৱে ভাল পায়, শ্ৰদ্ধা কৰে। এই অঞ্চলত এখন হাইস্কুল পতাৰ কথা লৈ প্ৰতুলে তেওঁৰ লগ লৈছে। এই ধৰণৰ কামত প্ৰতুলৰ খুব উৎসাহ। মই লাজতে মৰি যোৱা কেন পালো। প্ৰতুলে মোক আশ্বস্ত কৰিলে।

"তেওঁ এইবোৰ কথা নধৰে।"

"তেওঁ নধৰিব পাৰে। মোৰ কৈফিয়ৎ কি? তেওঁ আকৌ অহাৰ আগতে ব'ল মইয়ো তোৰ লগত তেওঁৰ ঘৰলৈ গৈ তেওঁৰ ওচৰত ক্ষমা খুজি আহো। খুব ৰাতিপুৱাই ওলাম। বুজিছ।"

গুলমহম্মদে বাৰান্দাত মৰাপাটৰ ৰছী পকাই আছিল। আমি যোৱাত খুব খুচি।

"কি ভাগ্য আমাৰ। ঠিকাদাৰ চাহাবে গৰিবৰ ঘৰত ভৰি দিছে। আহক, আহক।" কি কৰিব, ক'ত বহুৱাব সেই লৈ ব্যস্ত হৈ পৰিল। পোনতে মই মোৰ দুয়ো হাতেৰে তেওঁৰ হাত দুখন ধৰি ক'লো—"মই আপোনাৰ ওচৰত ক্ষমা খুজিবলৈ আহিছো।"

তেওঁ আচৰিত হৈ সুধিলে—"ক্ষমা? কিহৰ ক্ষমা?"

"মই আপোনাক চিনি পোৱা নাছিলো। আপোনাৰ লগত সঁচাকৈ মই বৰ অভদ্ৰ ব্যৱহাৰ কৰিছো। সেইকাৰণে মই আজি আপোনাৰ তালৈ ক্ষমা খুজিবলৈ আহিছো। মোক আপুনি ক্ষমা কৰিব।"

তেওঁ প্ৰাণ খুলি হাঃ হাঃ কৈ হাঁহিবলৈ আৰম্ভ কৰিলে। কৌতুকত তেওঁৰ চকুদুটা নাচিবলৈ ধৰিলে।

"শুনক তেনেহ'লে এবাৰ পূজাৰ সময়ত মধুপুৰত কি হৈছিল। আপুনি কব পাৰে নে নাই? আগতে পূজাৰ সময়ত মধুপুৰত প্ৰতি বছৰে পূজাৰ কাৰণে মহামায়াৰ মাঠত নতুনকৈ প্ৰকাণ্ড ঘৰ এটা সজা

হৈছিল। পানবাৰী পাহাৰত ডাঙৰ ডাঙৰ শালগছ কাটি নদীৰে উটুৱাই মধুপুৰৰ বজাৰৰ কাষৰ ঘাটত আনে। ঘাটৰ পৰা খুটাবোৰ মানুহেৰে টানি মহামায়াৰ মাঠলৈ যোৱা হয়। ইমান মানুহ অইন ক'ত পাব? হাটৰ দিনা হাটৰ পৰা শকত আৱত চাই মানুহ ধৰি ধৰি বেগাৰ খাটিব লগাই দিয়ে। এবাৰ বৰকন্দাজে মোকো তো ধৰি লগাই দিলে। ৰছী বান্ধি এই ডাঙৰ ডাঙৰ খুটাবোৰ টানি অনা সহজ কথা? অভ্যাস নাই। হাতৰ চাল-ছামবা উঠি গ'ল। নোৱাৰো। এই মত্‌গজ মানুহ এটাই কামত গাফিলী কৰা দেখি বৰকন্দাজে মোক লাঠিৰে দিলে এটা খোঁচ। আপোনাৰ পিতাক সিফালেৰে আহি থাকোঁতে দেখা পালে। এপাত জোতা খুলি হাতত লৈ বৰকন্দাজক খেদি গ'ল। কোনোৰকমে ৰখাব নোৱাৰো। বৰকন্দাজে কাউবাউ কৰি তেওঁৰ ভৰিত পৰিল। মই দুয়োহাত যোৰ কৰি ক'লো—"দাদা, তাৰ কি দোষ? আপুনিয়ে চাওঁক, ভালকৈ এবাৰ মোৰ ফালে চাওঁক। বৰকন্দাজৰ দোষ কি?' তেওঁ মোৰ ফালে চাই হাঁহি দিলে। কলে—'নাই, ই বেটাবো দোষ নাই।' আপোনাৰ পিতাকে মোক নিজৰ ভায়েকৰ নিচিনা মৰম কৰিছিল। মইয়ো দাদা বুলি মাতিছিলো।"

মই অভিযোগ কৰিলো—"কালি আপুনি মোক আপোনাৰ পৰিচয় নিদিলে কিয়?"

আকৌ তেওঁৰ চকুদুটা কৌতুকত নাচি উঠিল।

"পৰিচয় দিলে আপুনি লাজ পাব বুলি দিয়া নাছিলো।"

কি আৰু কৰিম? হাঁহি দিলো। কিন্তু ফয়চালা এটা হোৱা দৰকাৰ।

"আপুনি ক'লে দেউতাই আপোনাক নিজৰ ভায়েকৰ নিচিনা মৰম কৰিছিল, আপুনিও তেখেতক দাদা বুলি মাতিছিল। তেনেহ'লে মই আপোনাক চাচা বুলি মাতিব লাগে নে নেলাগে? অথচ আপোনাক মই···।"



তেওঁ মোক বাকীখিনি কথা শেষ কৰিবলৈ নিদিলে। দুয়ো হাতে মোক সাৱটি ধৰি ক'লে—"বাবা, তই এইবোৰ কথা বাদ দে। মই সংস্কৃত লৈ বি, এ পাচ কৰিছো। সংস্কৃত মই এতিয়াও পঢ়ো। সৰুসুৰা কথা লৈ মনত অশান্তি সৃষ্টি নকৰিবি। তইঁতৰ গীতাতেই আছে:

দুঃখেষ্বনুদ্বিগ্নমনাঃ সুখেষু বিগতস্পৃহঃ।
বীতৰাগভয়ক্রোধঃ স্থিতধীৰ্মুনিৰুচ্যতে॥
যঃ সৰ্বত্ৰানভি স্নেহস্তত্তৎ প্ৰাপ্য শুভাশুভম্।
নাভিনন্দতি ন দ্বেষ্টি তস্য প্ৰজ্ঞা প্ৰতিষ্ঠিতা॥"

মই একো নকৈ হালি তেওঁক সেৱা কৰিলো।

## ॥ চৈধ্য ॥

আৰু এক অশান্তিৰ কাৰণ হৈছে গোপীনাথবাবু। এই বাটত তেওঁ পাঁচটা সৰু কালভাৰ্টৰ কাম লৈছে। কেম্পত আহি মোক লগ ধৰিলে। কথাবতৰাত সপ্ৰতিভ। আজিকালি যে ভদ্ৰলোক মানুহৰ পক্ষে ঠিকাদাৰী কৰা অসম্ভৱ হৈছে সেই লৈ আক্ষেপ কৰিলে। সকলোৱে বৰালি মাছৰ দৰে মুখ মেলিয়েই আছে। কাকনো কিমান দিব? চাহপানী খাই বহু পিচতহে অহাৰ আচল উদ্দেশ্য ব্যক্ত কৰিলে।

“কেইটামান কালভাৰ্টৰ কাম পাইছো। অলপ টকাৰ কাম। ক'ত আৰু কোৱাৰীৰ পৰা শিলগুটি আনিবলৈ যাম? আপোনাৰ তো শিলগুটি আহিয়েই আছে। আপুনিয়েই এইখিনি দি দিয়ক। মই নগদ টকা দি লম। মোৰো সুবিধা, আপোনাৰো একো দিগদাৰী নহয়।”

এই সামান্য শিলগুটি কঢ়িয়াবৰ কাৰণে ক'ত আৰু তেওঁ ট্ৰাক আনি হেঙ্গাম কৰিবলৈ যায়? ট্ৰাকো তো মোৰ আছেই। তেওঁৰ কামৰ ঠাইয়ে ঠাইয়ে পেলাই দিলে লেঠা মৰি থাকিল।

“আপুনি কি ৰেটত কাম লৈছে?”

ক'লো। গোপীবাবুয়ে ৰেট বৰ কম হৈছে বুলি আক্ষেপ কৰিলে।

“মই আপোনাক এশ চি, এফ., টিত নৱৈ টকাকৈ দিম। এই অলপ শিলগুটি মই নিজে ব্যৱস্থা কৰি কোৱাৰীৰ পৰা আনিবলৈ ল'লে মোৰ বহুত বেচি খৰচ পৰি যাব। ধন্যবাদ, বহুত ধন্যবাদ।



আপোনালোকৰ নিচিনা শিক্ষিত মানুহৰ লগত কথা পাতিয়েই ভাল লাগে।”

গোপীবাবুক ইতিমধ্যে প্ৰায় ডেৰ হাজাৰ চি., এফ., টি শিলগুটিৰ যোগান ধৰিছো। এতিয়ালৈ এক পইচা পোৱা নাই। গোপীবাবুক লগ পাবলৈ নাই। ইয়াত তেওঁৰ কামকাজ চায় তেওঁৰ মহৰী জ্ঞানবাবুয়ে। বয়সীয়াল মানুহ। দাঁত নাই। চোলাই মদ খাই চৌবিশ ঘণ্টা নিচাত থাকে। জ্ঞানবাবুৰ লগত কথা পাতি লাভ নাই। তেওঁ নিজেই গোপীবাবুক গালি পাৰে। চালা, চুৱাৰকা বাচ্চা বুলি উল্লেখ কৰে। গোপীবাবুক লগ পালে পইচাখিনি দিয়াত পলম হৈছে বুলি লাজতে মৰি যোৱা যেন হয়। অপ্ৰত্যাশিত ভাৱে অহা নানাৰকম অসুবিধাৰ কথা কয়। পি, ডব্লু, ডিৰ সকলো বিষয়াক অশ্লীল ভাষাত গালাগালি কৰে। তেওঁৰ বহু বিল অন্যায় ভাৱে মিছাকৈ বন্ধ কৰি ৰাখিছে বুলি ক্ৰোধ আৰু বিৰক্তি প্ৰকাশ কৰে। মোক পইচাৰ কথালৈ চিন্তা নকৰিবলৈ পৰামৰ্শ দিয়ে।

“আপোনাক পইচা দিব নোৱাৰি বৰ লাজ লাগি আছে। আপুনি মোৰ পইচাৰ কাৰণে একো চিন্তা নকৰিব। বিল পোৱাৰ দিনা প্ৰথমেই মই আহি আপোনাৰ পইচাখিনি দি যাম। আপুনি কেম্পত নাথাকিলে ভট্টাচাৰ্য্যৰ হাতত দি গ'লে হবনে? আপুনি কিন্তু সাত মাইলৰ কালভাৰ্টৰ ঠাইত শিলগুটিখিনি পেলাই দিয়াব দেই। নহ'লে মানুহবোৰ বহি থাকিব। বাচ আহিল, যাওঁ। আপুনি একো চিন্তা নকৰিব।”

নতুনকৈ মই তেওঁক অৱশ্যে শিলগুটি দিয়া নাই। আজিলৈ তেওঁৰ পৰা এটা পইচা পোৱা নাই। কেতিয়াবা লগ পাওঁ। ইমান দিনৰ মূৰত মইয়ো পইচাৰ কথা নকওঁ, তেৱোঁ একো নকয়।

হাটৰ দিনা তিনিআলিত ওলাই আহিছিলো। গধূলি হৈছে। কামলা আৰু মিস্ত্ৰীবোৰে জ্ঞানবাবুক ঘেৰি গালিগালাজ কৰি আছে। হাটৰ দিনা খোৱা বস্তু নিকিনিলে অইন দিনা একো পাবলৈ নাই।

গতিকে হাটৰ দিনা কুলিকামলাক খোবাকিৰ পইচা দিব লাগে। হাট ভাগিবৰ হ'লেই। শেষ বাচখনো অলপ আগতে আহি গ'ল। গোপীবাবু নিজেও অহা নাই অইন কাবোবাৰ হাতত টকাও পঠাই দিয়া নাই। ইমান দেৰী কুলিকামলাই শেষ বাচখনলৈ বাট চাই ধৈৰ্য্য ধৰি আছিল। এতিয়া সিহঁতেও উত্তেজিত হৈ উঠিছে। জ্ঞানবাবুয়ে নিজেও অশ্লীল ভাষাত গোপীবাবুক গালি পাৰি সিহঁতৰ এজন বুলি নিজকে প্ৰমাণ কৰাৰ চেষ্টা কৰি আছে, পিছে সিহঁত ভোল যোৱা নাই। এজনে ক'লে—"সদায় সদায় একেটা দিগদাৰী। এইবোৰ কি তামাচা। আমি পেটত গামোছা বান্ধি কাম কৰিম নেকি?"

আন এজন আৰু উগ্ৰ।

"এই চালাৰ মদ খাবৰ পইচা ক'ৰ পৰা ওলায়? পইচা নিদিলে নহব। ডিঙিত গামোছা বান্ধি আজি পইচা উলিয়াম।"

ক্ৰুদ্ধ আৰু বুভুক্ষু মানুহবোৰে পৰিবেষ্টিত হৈ জ্ঞানবাবু আতঙ্কিত হৈ উঠিছে। তিনি আলিত মোক দেখা পায়েই লৰৰি আহিল।

"চাৰ, এশটা টকা দি মোক ৰক্ষা কৰক। এই চালা ঠিকাদাৰ হৈছে...।"

লগ'তে গোপীবাবুৰ উদ্দেশ্যে প্ৰাণ খুলি গালি।

মই গম্ভীৰভাৱে ক'লো—"ক'ৰ পৰা দিম? মোৰ লগত দিবপৰাকৈ টকা নাই।"

হঠাতে জ্ঞানবাবুয়ে হালি মোৰ দুয়োখন ভৰি থাপমাৰি ধৰিলে।

"চাৰ, আপুনি আজি যেনেতেনে মোক উদ্ধাৰ কৰক। ইহঁতে নহ'লে মোক খাব। এই টকা মই আপোনাক নিজে ফিৰাই দিম। চালা ঠিকাদাৰৰ লগত কোনো সম্বন্ধ নাই।"

পিছদিনা ৰাতিপুৱাই জ্ঞানবাবু কেম্পত উপস্থিত।

"কি খবৰ?"

"চাৰ, আপোনাৰ ট্ৰাক দুই এদিনতে মধুপুৰৰ ফালে যাব নেকি?"



"কিয়?"

"তেতিয়া হলে চিমেণ্টৰ বস্তা কেইটা লৈ যাব পাৰিব।"

"কিহৰ চিমেণ্টৰ বস্তা?"

"নগদ টকা আপোনাক ক'ৰ পৰা ফিৰাই দিম? বাৰ বস্তামান চিমেণ্টকে দিম। এনেয়ে আমাৰ ঠিকাদাৰে দহ বাৰ টকাকৈ বস্তা বিক্ৰি কৰে। আপোনাক, চাৰ, আঠ টকাকৈ দিম।"

"উহুঁ: এইবোৰ নহব। আপুনি মোক নগদ টকা দিব।"

জ্ঞানবাবুয়ে চিন্তিত ভাৱে ক'লে—"চাওঁ।"

## ॥ পোন্ধৰ ॥

গানবাজনাত সৰুৰে পৰা মোৰ অলপ ৰাপ আছিল। কিন্তু সঙ্কোচ আছিল অত্যধিক। লোকৰ সমুখত গাবলৈ হ'লে স্বয়ংক্রিয় ভাৱে মাত বন্ধ হৈ গৈছিল। সঙ্গীত বিষয়ে ঘৰৰ ৱাতাৱৰণৰো কিছু প্ৰভাৱ আছিল। আমাৰ প্রতিবেশী নৰায়ণ বৰদেউতা উচ্চাঙ্গ সঙ্গীতৰ এজন নামকৰা ওস্তাদ আছিল। গায়ক মনোৰঞ্জন বাবুয়ে মাজেমধ্যে হঠাতে হাৰমনিয়াম এটা লগত লৈ আমাৰ ঘৰত উপস্থিত হৈছিল। তেওঁ আহিলে নাৰায়ণ বৰদেউতাৰ ঘৰত বৈঠকী বহে। কেতিয়াবা আমাৰ ঘৰতো বহে। মধুপুৰৰ সঙ্গীতানুৰাগী মানুহ সকলোৱে আহে। গোবিন্দ মাষ্টৰ আহে, লোকনাথ ঠাকুৰ আহে আৰু আহে নেপালী ডেকা সাৰ্কি। দেৱতাৰ মন্দিৰত প্ৰবেশ কৰাৰ দৰে কোঠাত সোমাই এটা চুকত মজিয়াতে হাত যোৰ কৰি বহি চকু বন্ধ কৰি সি গান শুনি গৈছিল। সাৰ্কিৰ এই সঙ্গীতানুষ্ঠানত উপস্থিত থকাৰ কথা নহয়। সাৰ্কি আছিল মনোৰঞ্জন বাবুৰ চেলা। মনোৰঞ্জন বাবু আহিলে সাৰ্কিও ওলাবহি। মনোৰঞ্জন বাবুৰ ফাই ফৰমাচ খাটে, ভৰি টিপি দিয়ে। সেৱাত পৰিপুষ্ট হৈ মনোৰঞ্জন বাবুয়ে সাৰ্কিক অলপ শিকাই বুজাই দিয়ে। তেওঁৰ হাতে ভৰিয়ে ধৰি সি তেওঁৰ জৰীয়তে দেউতাৰ পৰা আচৰত উপস্থিত থকাৰ অনুমতি আদায় কৰি লৈছিল। অদ্ভুত জন্মগত প্ৰতিভা আছিল এই নেপালী ল'ৰাজনৰ। মনোৰঞ্জন বাবুয়ে সমুখত সাৰ্কিক ডাবিধমকি দিলেও তাৰ অসাক্ষাতে দেউতাৰ আগত মুক্ত কণ্ঠে তাৰ প্ৰশংসা কৰা আমিও শুনিছিলো।



শেষপৰ্য্যন্ত সাৰ্কিয়ে মজলিচতো গান গাইছিল। চিৰকালৰ সেই বিখ্যাত গান—"বাজু বন্ধ্ খুল খুল যায়।"

সাধুবাবাও আহিছিল বছৰি এবাৰ। সাধাৰণতে মাঘ মাহত তেওঁ আহিছিল। তেওঁৰ আচল নাম কি আমি নাজানো। সাধুবাবা বুলিহে জানো। তেওঁৰ জঁটা নাছিল, মূৰটো পৰিষ্কাৰ ভাৱে খুৰোৱাহে আছিল। তেওঁ চ'ৰাঘৰত তক্তপোচৰ ওপৰত বাঘৰ ছাল এখন পাতি শুইছিল। নিজে ৰান্ধি এসাজ খাইছিল। দুয়ো হাতৰ মাজত লৈ থপৰিয়াই থপৰিয়াই ৰুটি বনাইছিল। আমি চাই খুব মজা পাইছিল। আমাক তেওঁ খুব মৰম কৰিছিল। আমাকো ৰুটি তৰকাৰী খাবলৈ যাচিছিল। "লেও, বাচ্চা।"

সাধুবাবা আহিলেও আমাৰ ঘৰত গধূলি গানৰ মজলিচ বহিছিল। তেওঁ খুব ভাল ভজন গাইছিল। আমাৰ মজলিচত প্ৰবেশাধিকাৰ নাথাকিলেও দূৰৰ পৰা সাধুবাবাৰ দৰাজ প্ৰাণস্পৰ্শী সুৰলহৰিয়ে আমাৰ মনতো নাম নজনা এটা ভাৱৰ সৃষ্টি কৰিছিল।

আমাৰ লগৰ প্ৰতুল আৰু গজেনে ভাল লোকগীত গাব পাৰে। এইবোৰ গীতৰো এক আবেদন আছে। পিছে চহৰত মানুহে গালে এইবোৰত অলপ কৃত্ৰিমতা আহি যায়। সঙ্গীৰ প্ৰাণৰ উচ্ছ্বাস যেন অলপ ম্লান হৈ যায়। কোববাত আৰু চমচেৰৰ কণ্ঠত লোকগীত শুনিও মোৰ খুব ভাল লাগিছিল।

আগমনীৰ ঘাটত থাকি ইয়াৰ গাওঁৰ মানুহৰ লগত লাহে-লাহে মোৰ কিছু পৰিচয় হ'ল। দেখা হ'লে হাঁহি মাত দিয়া মানুহৰ সংখ্যা ক্ৰমে বাঢ়ি আহিল। কেম্পত মোৰ তাত মানুহ অহা হ'ল। নটবৰৰ লগত তো বেচ খাতিৰ জমি গ'ল। দোতৰা বজাই গান গাই ফুৰে। ইফালে মধুপুৰ আৰু সিফালে কোচবিহাৰ পৰ্য্যন্ত সকলো ঠাইতে। সিও ইয়াত থাকিলে সদায় একপাক কেম্পলৈ আহে। আহিয়েই দুৱাৰমুখত লেপেটাকাঢ়ি বহি প্ৰথমেই কয়—"বাবু, একটা বিড়ি দেও।"

চিগাৰেট এটা দিওঁ। তৰ্জ্জনী আৰু মাধ্যমাৰ মাজত চিগাৰেটটো লৈ মুঠামাৰি হুপি থাকে। পৰম তৃপ্তিত তাৰ চকুদুটা বন্ধ হৈ যায়। তাৰ পিছত মোক প্ৰশ্ন ক'ৰে—"গান শুনিবৰ ইচ্ছা কৰে নেকি ?"

"আৰম্ভ কৰা।"

তাৰ গান আৰম্ভ হয়।

"লুট হইল, লুট হইল, লুট হইল ৰে
চীলমাৰীৰ বাজাৰ লুট হইল ৰে।
কত নাহ্‌লী, নহ্‌বন, কেহ্‌ৰাচিন তেল
সবে নিল লুটিয়া।
কাইঞা কান্দে কান্দে মাথাত হাত দিয়া।"

ন হ'ল ল। গানৰ শব্দবোৰ মোৰ ঠিক মনত নাই। অৰ্থ হ'ল যে চীলমাৰীৰ বজাৰ লুট হ'ল। মনকৰিবলগীয়া কথা এই যে লুটৰ বস্তু হ'ল লালী, লৱণ আৰু কেৰাচিন তেল। গাৱঁৰ মানুহৰ বজাৰৰ পৰা কিনিবলগীয়া আটাইতকৈ লাগতীয়াল বস্তু।

সহজ মানুহৰ সহজ প্ৰাণৰ কথা অলপো কৃত্ৰিমতা বা পালিচ নাই।

গাৱঁৰ মানুহৰ এই গানবোৰো বৰ ভাল লাগিছিল। আগতেই ক'লো নহয় ঘৰৰ বাতাৱৰণে বোধহয় মোক সঙ্গীতৰ প্ৰতি অনুৰক্ত সহায় কৰিছে।

কেম্পত আহি সিদিনা প্ৰতুলে মোক ক'লে—"বিজয়ে তোক খুব বেয়া পাই আছে।"

আচৰিত হৈ সুধিলো—"কিয় ?"

"তই হেনো কৈছ—ড্ৰাইভাৰ মানুহৰ আৰু কিহৰ গানবাজনাৰ চৰ্চ্চা ? সি মনত খুব দুখ পাইছে। সঁচায় কৈছিলি তই তেনেকৈ ?"

কথা শুনি মই মৰ্ম্মাহত হ'লো। কথাৰ কোনে কি অৰ্থ কৰে কোৱা টান।

লোকনাথ ঠাকুৰ খুব সঙ্গীতানুৰাগী মানুহ। নিজে ভাল তবলা



আৰু চেতাৰ বজায়। পৰিবাৰৰ মৃত্যু হৈছে। ল'ৰাবোৰে বাহিৰত কাম কৰে। তেওঁ মধুপুৰত অকলে থাকে। গান বাজনা লৈ দিন কাটি যায়। অত্যন্ত সৰল আৰু ভাল মানুহ। দেউতাৰ লগত বন্ধুত্ব আছিল। আমাক আন্তৰিক ভাৱে ভাল পায়। যথেষ্ট বয়স হৈছে যদিও এতিয়াও কৰ্ম্মক্ষম আছে। নিজে ৰান্ধিবাঢ়ি খায়। মুখত প্ৰসন্ন হাঁহি এটা লাগিয়েই আছে। আমি গ'লে চাহ কৰি দিয়ে। হাক দিলেও নুশুনে।

বিজয়ক সঁচায় মোৰ ভাল লাগে। অলপ অভিমানী, অলপ স্পৰ্শকাতৰ, কিন্তু ল'ৰাজন বৰ ভাল। খুব ধুনীয়া চেতাৰ বজাব পাৰে। পাৰে আৰু ক'ত ? পাৰিছিল বুলি কোৱাই ঠিক।

লোকনাথ ঠাকুৰৰ লগত থাকি শিকিছে। ঠাকুৰে তাক বৰ মৰম কৰে।

"ল'ৰাজনৰ জন্মগত প্ৰতিভা আছে। লাগি থাকিলে বেচ নাম কৰিব পাৰিলে হয়।"

পিচে বিজয়ৰ লাগি থকাৰ উপায় নাছিল। ঘৰৰ অৱস্থা অত্যন্ত বেয়া। দেউতাক ঢুকাইছে। সিয়েই ঘৰৰ ডাঙৰ ল'ৰা। ঘৰখন চলাব লাগে। পঢ়াতো সিমান ভাল নাছিল। আমাৰ লগত মেট্ৰিক পৰীক্ষা দিছিল, পাচ কৰিব পৰা নাই।

আপোন মানুহ এজনৰ বাচত ড্ৰাইভাৰ কাম কৰিছিল। এই লৈ নিজৰ মনত সঙ্কোচ আছে। আমাক এৰাই চলাৰ চেষ্টা কৰে।

মধুপুৰৰ বাচ ষ্টেণ্ডৰ কাষতে লোকনাথ ঠাকুৰৰ ঘৰ। ঘৰলৈ যোৱাৰ আগতে তেওঁৰ তাত সোমালো। বিজয়ো তাতেই আছে। লোকনাথ ঠাকুৰ খুব খুচি।

যোৱাৰ লগে লগে সুধিলে—"কি খাবা ?"

মই তৎক্ষণাৎ ক'লো—"নাই, একো নাখাওঁ।"

"ৰবা, তুমি নাখাওঁ বুলি ক'লে কি হব ? দীন হালোৱাইৰ সন্দেশ

বহুত দিন খোৱা নাই। মোৰেই দেখোন বৰ কিবা খাবৰ মন গৈছে। তোমালোক দুয়ো অলপ বহা, মই আহিছো।"

মই লৰালৰিকৈ ক'লো—"ৰব, ৰব, মইয়েই লৈ আনো।"

কোনে শুনে কাৰ কথা? ঠাকুৰে আধা বাট পাৰ হ'লেই।

ঠাকুৰে জোৰকৈ ধৰাত বিজয়ে শেষ পৰ্য্যন্ত বজাবলৈ সম্মত হ'ল। চেতাৰত জয় জয়ন্তী ৰাগ বজাবলৈ ল'লে। ঠাকুৰে তবলা সঙ্গত কৰিবলৈ বহিলে। লোকনাথ ঠাকুৰৰ ভগা ঘৰত স্বৰ্গৰ এটা অংশ নামি আহিল। আমি সকলোৱে দেৱতাত ৰূপান্তৰিত হ'লো। মই শিলগুটিৰ কথা পাহৰিলো, পেট্ৰ'ল মবিল আৰু এচ্, ডি, অ' শৰ্ম্মাৰ কথাও পাহৰিলো।

বাজনা যেতিয়া শেষ হ'ল কাৰো মুখত একাষাৰ মাত নাই। স্মিত হাস্যে আমি পৰস্পৰৰ মুখৰ ফালে চালো মাত্ৰ।

মই আৰু বিজয় দুয়ো একে লগে লোকনাথ ঠাকুৰৰ ঘৰৰ পৰা ওলাই আহিলো। বিজয়ক দেখি মোৰ মনটো বৰ বেয়া লাগিল। প্ৰতিভাৰ কি অপঘাত মৃত্যু। পৃথিবীত স্বৰ্গ নমাই আনিব পৰা মানুহ এজনে ড্ৰাইভাৰৰ কাম কৰি জীৱনটো নষ্ট কৰিছে।

"চা চোন, তোৰ নিচিনা মানুহ এজনে ড্ৰাইভাৰৰ কাম কৰিবলগীয়া হৈছে।"

"কি হ'ল তাতে?"

"কি হ'ব আৰু? দিনে ৰাতি বাটত ঘূৰি ফুৰিলে চৰ্চ্চা ক'ত ৰাখিব পাৰিবি?"

প্ৰতুলৰ কথা শুনি মই মৰ্ম্মাহত হ'লো। মই কি ভাৱি ক'লো আৰু বিজয়ে কিভাৱে তাৰ অৰ্থ উলিয়াই ল'লে? মনটো বৰ বেয়া লাগিল কিন্তু বেচি পৰ এই কথা লৈ ভাৱি থাকিব নোৱাৰিলো।

ৰঘুনন্দনে আহি জনালে যে কাইলৈ পেট্ৰ'ল নানিলে পৰহিৰ পৰা ট্ৰাকবোৰ বন্ধ কৰিব লাগিব।



## ॥ ষোল ॥

প্ৰথম যৌৱনত প্ৰমীলা বৌয়ে আমাৰ মনত এটা মোহময় আবেশৰ সৃষ্টি কৰিছিল। এটা বুজি নোপোৱা আকৰ্ষণ। তাৰ কি কোনো মূল্য নাই?

পিছ পৰা চহৰ মধুপুৰত প্ৰমীলা বৌ আছিল অনন্যা। এম, এ, পাচ। আমাৰ নিজৰ মানুহৰ মাজত মেট্ৰিক পাচ কৰা ছোৱালীয়েই খুব কম আছিল। এতিয়াৰ কথা বেলেগ। ৰজনীদাই কলিকতাত পঢ়ি থকা অৱস্থাতে প্ৰেমত পৰি বিয়া কৰাইছে। এইটোও এটা নতুনত্ব থকা কথা। আমি ডেকাচামে নাটক নভেলত পঢ়িছোহে। চকুৰ আগত জীৱন্ত নায়িকা এজনীক দেখি আমি ৰোমাঞ্চিত হৈ উঠিছিলো।

ৰজনীদাৰ অৱস্থা খুব ভাল। যথেষ্ট মাটিবাৰী। মধুপুৰৰ পৰা দহ মাইলমান দূৰত পাঁচ শ বিঘাৰ ফাৰ্ম এখন কৰিছিল। ট্ৰেক্টৰ কিনিছিল, পানীৰ পাম্প বহুৱাই লৈছিল। এই ফাৰ্মখন লৈ তেওঁ ব্যস্ত হৈ আছিল। জীপেৰে ফাৰ্মলৈ যোৱা অহা কৰিছিল। কথা-বতৰা খুব কম কৈছিল। আমাৰ লগত দেখা হ'লে, "কি অ?" বা "ভালে আছ?" বুলি কৈয়েই কথা শেষ কৰিছিল।

প্ৰমীলা বৌয়ে আমাৰ লগত নিসঙ্কোচে কথা পাতিছিল। খুব সহজ সৰল ভাৱে। ৰাজনৈতিক কথা, শিল্প সংস্কৃতিৰ কথা আৰু বহুতো কথা। এনেকুৱা ঘটনা আমাৰ জীৱনত নতুন। ছোৱালীৰ লগতো যে সহজ ভাৱে কথা পাতিব পাৰি আমাৰ ধাৰণাই নাছিল।

লাহে লাহে প্ৰমীলা বৌৰ ঘৰত এটা আলোচনা চক্ৰ গঢ়ি

উঠিল। ৰজনীদাই সেই আলোচনাত অংশ গ্ৰহন কৰা নাছিল। সময় ক'ত? ফাৰ্ম লৈ ব্যস্ত। আমি কথাপাতি থকা অৱস্থাত কাষেদি পাৰ হৈ গ'লেও কেৱলমাত্ৰ ভুৰু নচুৱাই তেওঁ বক্তব্য শেষ কৰিছিল।

প্ৰমীলা বৌৰ সান্নিধ্যৰ এটা আকৰ্ষণ আছিল। পিছে অকপটে কব পাৰো যে সেইটো যৌন আকৰ্ষণ নহয়। অনুভূতিটো ঠিক কেনেকুৱা আছিল কব নোৱাৰিম। খুব ৰাতিপুৱা বেলি উঠাৰ আগতে দিগন্ত বিস্তৃত পথাৰ এখনৰ মাজত থিয় হ'লে যেনেকুৱা লাগে কিছু পৰিমাণে তেনেকুৱা।

ভাৱিলে আচৰিত লাগে যে কিমান সহজতে প্ৰচলিত মতামতে আমাক প্ৰভাৱান্বিত কৰে। মধুপুৰৰ অইনবোৰ তিৰোতা মানুহৰ লগত বহি পৰনিন্দা পৰচৰ্চ্চা কৰিবলৈ প্ৰমীলা বৌয়ে ভাল পোৱা নাছিল। অইনবোৰো তেওঁৰ প্ৰতি প্ৰসন্ন নাছিল। অহঙ্কাৰী বুলি কৈছিল। ডেকাবোৰৰ লগত সহজ ভাৱে কথা পাতিছিল কাৰণে তেওঁৰ চৰিত্ৰৰ প্ৰতিও কটাক্ষ কৰিছিল।

প্ৰতুলৰ মনটো অত্যন্ত সংবেদনশীল। তাৰ পৰা মই কথাখিনি শুনিছো। আগমনীৰ কেম্পত বহি প্ৰতুলে মোক কৈছিল।

ৰজনীদাই ৪২ চনত এটা দলৰ সৈতে হিংসাত্মক কাৰ্য্যত লিপ্ত হৈ পৰিছিল। সৰ্ব্বভাৰতীয় সংযোগ নথকা এটা একাষৰীয়া দল। ৰজনীদাৰ জৰীয়তে প্ৰমীলাবৌৰ দলৰ নেতা শীতলবাবুৰ লগত পৰিচয় হয়। এই পৰিচয় হোৱাত শীতলবাবুয়ে খুব ৰস পাইছিল। প্ৰমীলা বৌ আছিল উচ্চপদস্থ পুলিচ বিষয়াৰ ছোৱালী। শীতলবাবু আছিল হেৰিচন ৰোডৰ মেচ এটাত। শীতলবাবুয়ে মিছাকৈ খবৰ পালে যে তেওঁৰ কোঠা খানাতলাচ কৰা হব। প্ৰমীলাবৌয়ে শ্বাল কাপোৰৰ তলত লুকুৱাই বোমা কেইটামান নিজৰ ঘৰলৈ লৈ আনে। নিজৰ কোঠাৰ দুৱাৰদলিত উজুটি খাই পৰি যায়। গোটেই নিম্নাঙ্গ, তলপেটৰ পৰা আৰম্ভ কৰি আঠুলৈকে ছিন্নভিন্ন হৈ যায়। বাহিৰৰ পৰা একো ধৰিব নোৱাৰি। পুলিচ বিষয়া দেউতাকে বহু যত্ন কৰি কথাটো



লুকাই ৰাখিছিল। কলিকতাৰ সৰ্ব্বশ্ৰেষ্ঠ ইংৰাজ চিকিৎসকৰ দ্বাৰা ঘৰতে চিকিৎসা কৰাইছিল। অইনক দেখুৱাবলৈ সাহস কৰা নাছিল।

কেম্পত মই থকা চালিৰ সমুখত আৰামচকীত বহি প্ৰতুলে মোক ঘটনাটো বিবৰি কৈছিল।

"তই তো জানই। কাৰণ যিয়েই নহওঁক কিয় সকলোৱে নিসঙ্কোচে নিজৰ গোপন কথা মোৰ আগত খুলি কয়। ৰজনীদায়ো এদিন মোক তেওঁৰ কথা কৈছে। ৰজনীদাৰ ফাৰ্মত খুব ভাল ঘেঁহুৰ খেতি হৈছিল। মোৰো ইফালৰ মাটিত অলপ ঘেঁহুৰ খেতি কৰি চোৱাৰ মন। সেই লৈ ৰজনীদাৰ ফাৰ্মলৈ গৈছিলো এদিনা। ষ'ত বাচ ৰয় তাৰ পৰা তেওঁৰ ফাৰ্মলৈ চাৰি মাইলমান যাব লাগে। তেওঁ ক'লে—'যাওঁতে বাচত যাব নালাগে। মোৰ লগত জীপত যাব পাৰিবা।'

গধূলি ৰজনীদাই ফাৰ্মৰ কাঠৰ চাং বাংলোৰ বাৰান্দাত বহি আছিল। মইয়ো যে বাৰান্দাত বহি আছো তেওঁ যেন পাহৰি গৈছে। দিগন্তৰ পিনে তেওঁৰ দৃষ্টি নিবদ্ধ। অখণ্ড নীৰৱতা। লাহে লাহে আন্ধাৰ হ'ল। আন্ধাৰ গাঢ়তৰ হ'ল। দুয়ো স্তব্ধ হৈ বহি আছো। এটা অনৈসৰ্গিক পৰিস্থিতি। হঠাতে আন্ধাৰৰ মাজেদি ৰজনীদাৰ কথা মোৰ কাণত সোমাল। 'প্ৰমীলাৰ সম্বন্ধে মানুহে বহুত কথা কয়, নহয়?'

আকস্মিক এই প্ৰশ্নত মই চক খাই উঠিলো। ৰজনীদাই ক'লে—'প্ৰমীলাই আকুল হৈ কান্দি কান্দি কৈছিল—তুমি একো নাজানা। তুমি মূৰ্খ, মহামূৰ্খ। তুমি এই কথা তো নাজানা যে মই এজনী তিৰোতা মানুহেই নহওঁ। মই এটা, মই এটা···। —'

উত্তৰ শুনি ৰজনীদা পগলাৰ দৰে হৈ গ'ল। ক'লে—'এতিয়াও এটা পিস্তল মোৰ লগত আছে। তুমি যদি ৰাজী নোহোৱা-এই পিস্তলৰে মই মোৰ মূৰৰ খোলা উৰাই দিম।' প্ৰমীলাবৌয়ে

স্বয়ংক্ৰিয়ভাৱে অনুভৱ কৰিলে যে ৰজনীদাই মিছাকৈ ভাবুকি দিয়া নাই। আৰ্ত্তস্বৰে তেওঁ ক'লে—'এইটো অতি অসঙ্গত কথা। তুমি মোৰ কথাটো মুঠেই বুজি পোৱা নাই। মোক বিয়া কৰোৱাৰ প্ৰশ্নই নুঠে। আই এম নট্ এ ওমেন।'

ৰজনীদা দৃঢ় প্ৰতিজ্ঞ। জানই তো। অত্যন্ত জেদী মানুহ। কথা কম কয় কিন্তু যিখিনি কথা কয় তাৰ লৰচৰ নাই।

ৰজনীদা হঠাতে থিয় হ'ল। ক'লে—'ৰাতি হ'ল। ব'লা যাওঁ।' জীপখন চলাই আহোঁতেও তেওঁ মনে মনে আছিল। হঠাতে অদ্ভুতভাৱে হাঁহিলে—'পিছতহে ধৰা পৰিল। শীতলবাবু আছিল এজন পগলা মানুহ। বদ্ধ উন্মাদ। এতিয়াও হেনো পগলা ফাটেকত আছে।' আৰু কিছুদূৰ মনে মনে গৈ থাকি ক'লে—'কামটো ভাল কৰিছো নে বেয়া কৰিছো কোৱা টান। পিছে মই সঁচাকৈ প্ৰমীলাক ভাল পাওঁ। আৰু জানা? মই সুখী'—"

এই প্ৰমীলাবৌৰ কথা লৈ কেতিয়াবা একো নভৱা নিচিন্তাকৈ আমি হাঁহি ধেমালি কৰো। প্ৰতুলৰ মুখত প্ৰমীলাবৌৰ কথা শুনি নিজকে অতি বিকৃত মনৰ মানুহ বুলি বোধ হ'ল। ভাৱি আচৰিত হ'লো কেনেকৈ আমি লাহে লাহে অইনৰ সুৰৰ লগত নিজৰ মনৰ সুৰ মিলাই লওঁ, অজ্ঞাতসাৰে কেতিয়া দহজনৰ খোজৰ লগত নিজৰ খোজ মিলাই লওঁ তাক গমেই নাপাওঁ।

উত্তেজনাত মোৰ মূৰটো ভীষণভাৱে গৰম হৈ উঠিল। গোটেই গাটো গৰম হৈ গ'ল।



## ॥ সোতৰ ॥

"কি হৈছে? হেৰা, কি হৈছে? কি বকি আছা?" পৰিবাৰৰ মাতত সাৰ পাই ধৰমৰকৈ উঠি বহিলো।

"অসম্ভৱ গৰম লাগিছে। ফেনখন চলাই দিয়া। ওঃ।" পৰিবাৰে ফেন চলাই দি পানী এক গিলাচ দিলে। পানী গিলাচ খাই গাটো অলপ ভাল পালো।

"উঃ, কিমান বিকৃত ৰুচিসম্পন্ন মানুহ আমি। তোমাৰ আগত সিদিনা প্ৰমীলাবৌৰ কথা লৈ ঠাট্টা কৰিছিলো। মনত আছে? অথচ আচল কথাখিনি মোৰ নজনা নহয়। কি সাংঘাতিক কথা।"

এই শেষ ৰাতি বিছনাত শুই শুই পৰিবাৰক ৰজনীদা আৰু প্ৰমীলাবৌৰ মাজৰ ভিতৰুৱা কথাখিনি ক'লো।

"আকৌ কিয় কব লাগিছে? মই সকলো কথা জানো।"

"জানা? ক'ত শুনিলা? মোৰ আৰু প্ৰতুলৰ বাহিৰে অইন কোনেও তো নাজানে।"

"ক'ত আৰু শুনিম? বহুদিন আগতে তুমিয়েই কৈছা।"

"হয় নেকি?"

"হয়। আৰু কি কৈছিলা তাকো মনত পেলাই দিওঁ। আৰু কৈছিলা যে মধুপুৰৰ যিসকল মানুহক তুমি সঁচাকৈ শ্ৰদ্ধা কৰা তাৰ ভিতৰত ৰজনী দা আৰু প্ৰমীলা বৌও আছে।"

## ॥ ওঠৰ ॥

কাম বহুদূৰ আগবাঢ়িছে। মাৰ্চ্চৰ ৩১ তাৰিখৰ ভিতৰত শেষ কৰিব লাগিব। হব।

প্ৰতুল অহাৰ কথা আছিল। অহা নাই। চালিৰ বাহিৰত আৰামচকীত অকলে বহি আছো। আবেলি সূৰ্য্যবাবুক লৈ এটা অপ্ৰীতিকৰ ঘটনা ঘটিল। সূৰ্য্যবাবুই একো কোৱা নাই কিন্তু মই বৰ লাজ পাইছো! এচ্, ডি, অ' শৰ্ম্মাই কাম পৰিদৰ্শন কৰিবলৈ আহিছিল। মইয়ো সদৰৰ পৰা তেওঁৰ জীপতে আহি আছো। বাটত এখন দলঙৰ কাম হৈ আছে। দলঙৰ কাষৰ বাটৰ ওপৰত দলং সজোৱা বস্তুবোৰ দ'ম কৰি থোৱা আছে। বাটটো ঠেক। সূৰ্য্যবাবুৰ ট্ৰাকখন তাতে ৰখাই শিলগুটি পেলাই আছে। বাট বন্ধ। সূৰ্য্যবাবুয়ে বাটৰ পৰা নামি দূৰত পথাৰত পেচাব কৰিবলৈ গৈছে। জীপখন অহা দেখি তেওঁ লৰালৰিকৈ আহি ট্ৰাকখন ষ্টাৰ্ট দিলে। পিছে ইয়াৰ ভিতৰতে এচ্, ডি, অ' শৰ্ম্মাই এটা অবিশ্বাস্য কাম কৰিলে। উগ্ৰমূৰ্ত্তি ধৰি খেদি আহি অনাহক সূৰ্য্যবাবুক গালি পাৰিবলৈ ধৰিলে।

"এই বেটা, নবাবৰ বাচ্চা। মাজবাটত গাড়ী ৰখাই বাট বন্ধ কৰি ক'ত গৈছ?"

সূৰ্য্যবাবুই একো কোৱা নাই। কিন্তু এচ্, ডি, অ শৰ্ম্মাই গালিখিনি মোক পাৰা বুলি মোৰ অনুভৱ হ'ল।

ভাল লগা নাই। একেৰাহে ইমান সময় এচ্ ডি, অ' শৰ্ম্মাৰ দম্ভ আৰু বীৰত্বৰ প্ৰকাশ চাই চাই বেয়া লাগিছে।



এনেকুৱা অমাৰ্জ্জিত মানুহ এজনৰ লগত ইমান সময় থকাটো সঁচায় কষ্টকৰ।

ৰাতিপুৱা আতবজান পাগলীৰ অনাহক মাতবৰিয়েও মনটো অলপ চঞ্চল কৰি ৰাখিছে। আতবজানক পাগলী বুলি ক'লেও তাই ঠিক পাগলী নহয়। অৱশ্যে চালচলন আৰু কথাবতৰাত বৈশিষ্ট্য আছে। ভিক্ষাকৰি ফুৰিলেও স্বভাৱত এটা আভিজাত্য আছে। যাৰে তাৰে ঘৰলৈ মাগিবলৈ নাযায়। নিৰ্দিষ্ট কেইঘৰমান মানুহৰ তালৈহে যায়। যি কেইঘৰলৈ যায় ঘৰৰ মানুহৰ দৰে সেই কেইঘৰৰ সকলো খা-খবৰ ৰাখে। সুখ দুখ অভাৱ অশান্তি সকলোবোৰকে নিজৰ বুলি অনুভৱ কৰে। কথাবতৰা কেতিয়াবা অসংলগ্ন বুলি বোধহব পাৰে কিন্তু দৃষ্টি খুব তীক্ষ্ণ। কাৰোবাৰ চালচলন পচন্দ নহ'লে মুখৰ আগতে ডাবি দি দিয়ে। ননী পেহীৰ বোৱাৰীয়েকজনী অলপ মুখৰা। আতবজানে তেওঁক সাৱধান কৰি দিলে।

"মাও, বুঢ়ীৰ মনত দুখ্য নাদিস। ভাল না হইবে। ভগমনে তোকো শাস্তি দিবে।"

আতবজানৰ বচনভঙ্গীবো বৈশিষ্ট্য আছে। মা নকৈ কয় মাও। ভগবান হ'ল ভগমন। ল'ৰা হ'ল বাচ্চা। ইত্যাদি।

ৰাতিপুৱা আহি মই ঘৰত থকা বুলি জানি মোৰ কোঠাৰ দুৱাৰ মুখত থিয় হৈ মাত লগালে।

"বাচ্চাবাবু ৰে। ভগমনে তোৰ ভাল কৰুক ৰে। দে, তিনটা পাঁচটা টেকা দে। টেকা না হইলে পইচাকে দে।"

অৰ্থাৎ টকা নিদি পইচা দিলেও হব। তাৰ পিছত আৰম্ভ হ'ল তাইৰ নানা কথা।

"বিয়াবাৰু নকৰ?"

"ক'ত পাওঁ কইনা?"

"কিয়? তোৰ আশা পালি কইনা দেখোন বহিয়েই আছে।"

"ক'ত নো কোন কইনা বহি আছে?"

"তোৰ চকু নাই নেকি অ'? কিয়? আমাৰ মঞ্জুলা মাও।"

মই তৎক্ষণাৎ গম্ভীৰ হৈ গ'লো। আতৰজানে মোক ডাবি দিলে।

"কিমান দিন তাই তোৰ আশা পালি বহি থাকিব? টকা টকা কৰিয়েই তোৰ দিন যাব। বস্তাই বস্তাই টকা আনি ইফালে দেখিবি অইন একো নাই।"

পাগলী এজনীৰ কথা অলপো গুৰুত্ব দিবলগীয়া নহয়। মাতবৰৰি কৰিবলৈ তাইক নো কিহে পাইছিল? পিছে কথাটো মনৰ পৰা দলি মাৰি পেলাই দিব পৰা নাই।

ৰাতি দহমান বজাত সুৰেশ্বৰ আৰু ধীৰেণে জীপ লৈ কেম্পত আহি একেৰাহে হৰ্ণ বজাবলৈ আৰম্ভ কৰিলে। কেম্পৰ সকলোৱে সাৰ পাই গ'ল। সুৰেশ্বৰে নামি আহি মোক ডাবি দিলে।

"ক'ত কেম্প পাতিছ অ'? বিচাৰি নাপাওঁ। গৈ গৈ অমৃত সিঙৰ কেম্প পালো। তাৰ কেম্পত মিছাকৈ গণ্ডগোলখন কৰিলো। তোক চক্ খুৱাৰৰ কাৰণে ধম্‌ধম্‌কৈ দুবাৰমান বন্দুকৰ শব্দ কৰিলো। সকলোৱে ভয়তে অস্থিৰ।"

"কি হ'ল? ইমান ৰাতিখন ক'ৰ পৰা ওলালিহি?"

ৰঘুনন্দনক মাতি ভাতপানীৰ ব্যৱস্থা কৰিবলৈ ক'লো।

সুৰেশ্বৰে ক'লে—"গঙ্গাধৰৰ চৰবিলাকত এই সময়ত খুব হাঁহ পৰে বোলে। নাও এখন ঠিক কৰ। আন্ধাৰে পোহৰে ওলাই যাম।"

আকৌ কেৰামত মিঞাক মাতিলো। কেৰামতেও কথাটো সঁচা বুলি ক'লে। ভেল্লাৰ সুঁতিত অজস্ৰ হাঁহ পৰে। ভুচী মিঞাৰ নাওখন নতুন। সিখনকে ঠিক কৰা হ'ল।

ৰাতি কাৰো টোপনি নহ'ল। সুৰেশ্বৰে নিজেও নুশুলে, অইন কাকো শুবলৈ নিদিলে।

কথাই কথাই সুৰেশ্বৰে ক'লে—"ইয়াৰ পিছত হাঁহ চিকাৰৰ বতৰ উকলি যাব। অহা মাহৰ দুই তাৰিখে আকৌ সাহিত্য সৌৰভৰ



অধিবেষন। নামকৰা বহু সাহিত্যিক আহিব। বৰ ব্যস্ত হৈ থাকিব লাগিব। চেক্ৰেটাৰীৰ কম কাম জানো? কম দায়িত্ব?"

মইয়ো ডাবি দি উঠিলো।

"মনে মনে থাক। সাহিত্য সৌৰভৰ চেক্ৰেটাৰী সাজি যে বহি আছ সাহিত্যৰ তই জান কি? পাঠ্য পুথিৰ বাহিৰে জীৱনত তই অসমীয়া নালাগে, অইন ভাষাত লিখা কোনোবা এখন কিতাপ পঢ়ি পাইছ?"

সুৰেশ্বৰে ঢেক্‌ঢেককৈ হাঁহি দিলে।

"শুনিব অ' কোনোবাই। বন্ধু হৈ তই মোৰ সৰ্ব্বনাশ কৰিব খুজিছ? আৰে বাবা, এইবোৰ কথা তই কি বুজিবি? এইবোৰ হ'ল ৰাজনীতি। যেতিয়া যিফালে বতাহ বয় সেইফালে পাল তৰিব লাগে। তই কি জান? এতিয়া অসমীয়া ভাষা আৰু সাহিত্যৰ কাৰণে প্ৰাণটো উচৰ্গা কৰিব নোৱাৰিলে মোৰ শান্তি নাই। কৃষ্ণযাত্ৰাৰ কথা মনত নাই? এছাৰ প্ৰাণ আৰু ৰখাব নাৰে! তই আকৌ পিছত লাগিলি কিয়? মোৰ জ্ঞানৰ পৰিধি কোনে জুখি চাবলৈ যাব অ'? এতিয়া তইঁত পিছত নালাগিলে হয়। ক'ত হব? হাজাৰহওঁক বন্ধুতো। মোৰ ভাল দেখিলে কেনেকৈ সহ্য হব?"

ৰাতি থাকোঁতে আমি ওলালো। ভুচী মিঞাই হাল ধৰি থাকিল। বাকী তিনিজনে গুণ টানি নাও উজাই লৈ যাবলৈ ধৰিলে। শেষ ৰাতি নাৱৰে গৈ থাকিলে এটা অদ্ভুত অনুভূতি হয়। এই নাও, এই নৈ, এই পৰিবেশ, একোৱেই যেন এই পৃথিৱীৰ নহয়। সদায় ব্যৱহাৰ কৰি থকা ইন্দ্ৰিয়বোৰৰ বাহিৰেও লক্ষ লক্ষ বছৰ আগতেই নাকচ কৰা বেলেগ ইন্দ্ৰিয় এটাইও যেন আকৌ সজাগ হৈ উঠে। এটা অৰ্দ্ধপৰিচিত অনুভূতিয়ে মনটো উদাস কৰি দিয়ে। কথা পাতিবৰ প্ৰয়োজন নোহোৱা হয়।

গঙ্গাধৰ নৈৰে উজাই গৈ আছো। কিমান যে চৰ, কিমান সুঁতি। কোনো ঠাইত নৈৰ এফালৰ তীৰভূমি পথাৰৰ দৰে সমতল। অলপ

হালি লাহেকৈ নৈত সোমাই গৈছে। অইনটো ফাল নৈৰ বুকুৰ পৰা লম্বভাৱে দহ পোন্ধৰ ফুট ওপৰলৈ উঠি গৈছে। প্ৰয়োজন অনুসাৰে গুণ টনা মানুহ কেইজনে নাওত উঠি পাৰ হৈ এবাৰ ইফালে আহিছে, এবাৰ সিফালে গৈছে। নিৰ্ভুল অভিজ্ঞতাৰে গুণ টানি উজাই লৈ গৈ আছে।

দোকমোকালিত ভুচী মিঞাই স্ফূৰ্তি এটাৰে নাওখন আকৌ ভটিয়াই লৈ যাবলৈ ধৰিলে।

কাষৰ চৰত হঠাতে এটা আলোড়ন উঠিল। একেলগে অসংখ্য চৰাইয়ে পাখিৰ শব্দ কৰি আকাশলৈ উৰা মাৰিলে। সুৰেশ্বৰ আৰু বীৰেণ সজাগ হৈ উঠিল। ভুচী মিঞাই ক'লে—"ইয়াত কি দেখিছে ? ঢেপঢেপিৰ বিললৈ ব'লক। কিমান হাঁহ লাগে আপোনালোকক ?"

নৈৰ পাৰৰ বালিত নামিলো। মাজেমাজে ডোঙা। একোএকো ঠাইত ছুটা ছুটাকৈ সৰু সৰু অস্পষ্ট আকৃতি। সুৰেশ্বৰে ক'লে—"চাকৈ চকোৱা।"

সুৰেশ্বৰ আৰু বীৰেণে বন্দুক লৈ বালিৰ ওপৰেদি পেট পেলাই খুব সন্তৰ্পণে আগবাঢ়ি যাবলৈ ধৰিলে। বন্দুকৰ গুলিৰ সীমাৰ ভিতৰত অহাৰ লগেলগে আকৃতিবোৰে উৰামাৰি দিয়ে। আকৌ গৈ অলপ দূৰত পৰে। পাক মাৰি ঘূৰি মূৰৰ ওপৰেদি যাওঁতে সুৰেশ্বৰে গুলি মাৰি দিলে। এটাৰ গতি শ্লথ হ'ল। শূন্যতে পাক এটা মাৰি দিলে। তাৰ পিছত তীব্ৰ বেগেৰে কোণাকুনিভাৱে নামি আহি ধপ্‌কৈ বালিত পৰিল। বাকীবোৰ হাঁহ উৰি গ'ল। কেৱল এটাই কেয়েক কেয়েককৈ শব্দ কৰি কৰি বালিত পৰি থকা হাঁহটোৰ ওপৰেদি বাৰেবাৰে পাক মাৰিমাৰি ঘূৰি ফুৰিবলৈ ধৰিলে। বীৰেণে ছুবাৰমান গুলিয়ালে। লগাব নোৱাৰিলে।

এক মাইলমান খোজকাঢ়ি গৈ আমি ঢেপঢেপিৰ বিল পালো। দহমান বজাত আমি কেম্পৰ ফালে উভতি আহিবলৈ ল'লো। নাওৰ



আগফালৰ তলিখন হাঁহেৰে ভৰ্ত্তি। তাৰে ছুইএটাই তেতিয়াও মাজেমাজে পাখি মাৰি আছে।

হঠাতে মোৰ মগজুৰ কোঁহবোৰ সাৰস্থৰ নোহোৱা হ'ল। সুৰেশ্বৰৰ মুখৰ ফালে চাই সি কৈ থকা কথাখিনি শুনি আছো। সি কৈ থকা শব্দবোৰ স্পষ্টকৈ শুনি আছো। কিন্তু তাৰ অৰ্থ কি একো ধৰিব পৰা নাই। সি উচ্চাৰণ কৰা শব্দবোৰ হ'ল ঃ

"মঞ্জুলা ছোৱালীজনী একদম বেয়া হৈ গ'ল।"

অলপ সময়ৰ মূৰত মোৰ মগজুত আকৌ তেজ চলাচল আৰম্ভ হ'ল !

"বেয়া ? কি বেয়া ?"

"ছোৱালী এজনী বেয়া হোৱা মানে কি নাজান ?"

ঠিক। ছোৱালী এজনী বেয়া মানে কামত বেয়া, পঢ়াত বেয়া এইবোৰ নহয়। বেয়াৰ অৰ্থ সেই একেটাই।

"কোনে কৈছে ?"

"কোনে কব লাগিছে ? সকলোৱে জানে।"

"হবই নোৱাৰে।"

"নোৱাৰে তেনেহ'লে।"

অসম্ভৱ। কলমটো কাঢ়ি লোৱাৰ কাৰণে স্বয়ংক্ৰিয় ভাৱে তাইৰ হাতখন ধৰিছিলো মাত্ৰ। তাই ফোচ্‌কৈ উঠিছিল।

"হাত এৰি দিয়া। গাত হাত নিদিবা। এইবোৰ মই ভাল নাপাওঁ।"

তাইৰ মাতত তো কৃত্ৰিমতা নাছিল। না, মিছা কথা। প্ৰতুলে ভাল কথা কয়—"অইন ঠাইত পখীয়ে উৰে, মধুপুৰত হ'লে কণীয়েই উৰা মাৰে।"

## ॥ উটৈনশ ॥

কাম চলি আছে। নাৱেৰে শিলগুটি অনা হৈছে, ট্ৰাকেৰে বাটত পেলোৱা হৈছে। এই কৰ্ম্মব্যস্ততাৰ সমান্তৰাল ভাৱে চলি আছে ঘাটত থকা মানুহবোৰৰ ব্যক্তিগত জীৱন।

বাকী সকলোৱে কটকুৰ পাছত লাগিছে। কোনোবাই তাৰ কাষেদি পাৰ হৈ যাওঁতে কৈ দিয়ে—"ৰাধাকৃষ্ণ।" কোনোবাই তাক হুচিয়াৰ কৰি দিয়ে—"কটকু তোমাৰ টিকনিত ৰাধাকৃষ্ণ।"

কট্‌কুয়ে টিকনি জোকাৰিবলৈ আৰম্ভ কৰি দিয়ে। মুখেৰে অশ্লীল গালাগালিৰ ফুলজাৰি। প্ৰথমতে বুজি পোৱা নাছিলো কিয় সি ইমান উত্তেজিত হৈ উঠে। এদিন তাক সুধিলো। সি মোৰ ফালে তীক্ষ্ণ দৃষ্টিৰে চালে। দৃষ্টিত সন্দেহ। মইয়ো শেষ পৰ্য্যন্ত তাক জোকাবলৈ আৰম্ভ কৰিলো নেকি?

ব্যাখ্যা কৰি ক'লে—"হুজুৰ। ভগৱানকো নাম লেনা হায় তো স্বীয়াৰাম কহনা চাহি। কৃষ্ণ হ'ল এটা লম্পট। কৃষ্ণৰ নাম ল'লেও পাপ, শুনিলেও পাপ।"

এনেয়েও কট্‌কুৰ মুখত অশ্লীল শব্দ আখৈ ফুটা দি ফুটি থাকে। তাৰ প্ৰতিটো বাক্যত আধাতকৈ বেচি অশ্লীল শব্দ থাকে। এদিন ৰামচেলাহঁতে মোক নালিচ দিলে।

"হুজুৰ; আমি ইয়াত থাকি কাম কৰো কেনেকৈ? কট্‌কু হৰবখ্‌ত হামলোককো বহুত খাৰাব খাৰাব গাৰি দেতা। আপকো ইচ্‌কো বিচাৰ কৰ্‌না চাহিয়ে।"



বুজি পালো মতল্‌ব কৰি আহিছে। কট্‌কুক মাতি অনালো। কথা শুনি ৰীতিমত উত্তেজিত হৈ উঠিল।

"হুজুৰ, এই ( কিছুমান অকথ্য শব্দ ) লোগকো হাম কাহে গাৰি দেগা? ইহঁতৰ জাত জন্মৰ ঠিক নাই, ( আৰু কিছুমান অকথ্য শব্দ )। মোৰ এডাল ( অকথ্য শব্দ ) ইহঁতক গাৰি দিবলৈ নাযায়।"

মই আগতেই বুজি পাইছিলো বাকীবোৰে মোক লৈয়েই অলপ ধেমেলীয়া পৰিস্থিতি সৃষ্টি কৰাৰ মতলব কৰিছিল। কট্‌কুৰ শব্দ সম্ভাৰত অভিভূত আৰু ৰোমাঞ্চিত হৈ সিহঁতে বেচি পৰ গম্ভীৰ হৈ থাকিব নোৱাৰিলে। হাঁহি চেপি ৰাখিব নোৱাৰি লৰালৰিকৈ মোৰ সমুখৰ পৰা পলাই গ'ল।

গাম্ভীৰ্য্য বজাই ৰাখি কট্‌কুক ক'লো—"বাৰু, যি হৈছে হৈছে। কাকো গালাগালি নকৰিবা বেয়া কথাবোৰ নকবা।" বেয়া কথা কিয় কব সেই প্ৰশ্ন উত্থাপন কৰি এজাক অশ্লীল শব্দৰ ফুলজাৰি ছটিয়াই কট্‌কু সমুখৰ পৰা গুচি গ'ল।

ৰঘুনন্দন আহি সমুখত থিয় হ'ল। বেচ চিন্তিত।

"কি?"

"ৰামচেলাহঁতে আজি এটা বেয়া মতলব কৰিছে।"

"কি মতলব?"

"চাৰি মাইলত শিলগুটি পেলাই থাকোঁতে শঙ্কৰে নৈৰ পাৰৰ মাল্লাহঁতৰ খেতিৰ পৰা বাঙী এটা উঠাই লৈছিল। সেই লৈ মাল্লাহঁতৰ লগত বোলে কাজিয়া হৈছিল। ইহঁতে মতলব কৰিছে আটাইবিলাক লগহৈ আজি ৰাতি গৈ গোটেই খেতি আদায় কৰিব।"

"হয় নেকি? বাৰু, ৰামচেলাক মই মাতিছো বুলি কবা।"

এই কেইজনক একে লগে দেখিলে উদ্বিগ্ন হবৰ কথা। ৰামচেলা, সবজু, শঙ্কৰ আৰু কেতু। কেতু হ'ল ইহঁতৰ উপদেষ্টা। গহীন গম্ভীৰ। পিছত থাকি উচটাই দিয়ে। যেতিয়া কামবন শেষ কৰি সাজিকাচি গোটেই কেইজনে হালিজালি একে লগে তিনি আলিৰ

পিনে ওলাই যায় তেতিয়া ভয় লাগি থাকে। ক'ত বা কি কৰি আছে ?

ট্ৰাকত ক'তো নধৰাকৈ শিলগুটিৰ ওপৰত থিয় হৈ যাব। ৰাস্তাৰ পাক ঘূৰতে সৰ্‌জু এদিন পৰিলেই। কপাল ভাল বিশেষ একো নহ'ল। বাটৰ কাষেদি শহুৰেকৰ ঘৰলৈ গৈ থকা কোনোবা বোৱাৰীয়েকক শঙ্কৰে হেনো সৰু শিলগুটি এটা দলিয়ালে। কিমান গণ্ডগোল, কিমান অশান্তি।

হুলস্থূল লাগিয়েই আছে। দুপৰীয়া ঘাটত মহা গণ্ডগোল। আৰু কি হ'ল ? গুট্‌কু হেন্দিমেনে হেনো পোন্ধৰ দিন ধৰি গা পা খোৱা নাই। গাত চামনি পৰি গৈছে। গাৰ পৰা হেনো গোন্ধ ওলায়, কাষত থাকিব নোৱাৰি। চাৰিজনমানে কাপোৰকানিৰে সৈতে তাক দাঙি লৈ নৈৰ পানীত পেলাবলৈ লৈছে। জাৰকালি। গঙ্গাধৰৰ পানী বৰফৰ দৰে চেঁচা। সিও পৰিত্ৰাহি চিঞৰ আৰম্ভ কৰিছে।

হুলস্থূল লাগিয়েই আছে। কেৰামত মিঞাৰ লগত কুতুবৰ সদায় এবাৰ কাজিয়া লাগে। কুতুবৰ নাৱৰ শিলগুটি পৰিমাণ লৈ সদায় কাজিয়া। কুতুব নাইয়া সম্পূৰ্ণ অন্ধ। প্ৰথমতে বিশ্বাস কৰা নাছিলো। পিছে হয়, কথাটো সঁচা। কেৰামত মিঞাই কৈছিল।

"কণা হ'লে কি হব ? চৰ কাম কৰে।"

"চৰ কাম মানে ?"

"নাও বোৱা, গুণ টনা, শিলগুটি তোলা, চৰ কাম কৰে।"

ঠিক কথা। গধূলি নাও ঘাটত অহাত দেখিলো। সিও মূৰত বিৰিয়া বান্ধি টুক্‌ৰী লৈ অইনৰ লগত নাও খালাচ কৰাত লাগিছে।

শিলগুটিৰ পৰিমাণ লৈ সদায় এবাৰ কেৰামত মিঞাৰ লগত কাজিয়া লাগে। কেৰামতে খঙতে জকি উঠে।

"মহা চোট্ট এই কণাটো। কণা, খোৰা, ভেঙুৰ এই তিনি চয়তানৰ নেঙুৰ।"



কুতুবেও সমানে চিঞৰ বাখৰ কৰে।

"শিলগুটি কম কৈ লেখিবা কিয় ? নাও মই দেখি ভৰোৱা নাই। ৰাৰডাল পানীৰ পৰা মাত্ৰ চাৰি আঙুলি ওপৰত আছিল। মই চোৱা নাই ? হিচাপত কম কৈ লেখিবা কিয় ?"

অলপতে খং উঠে কুতুবৰ। তাৰ নাৱত কাম কৰা মজদুৰ কেইজনেও তাক ভয় কৰে। কামত ফাকি দিব নোৱাৰে। নাৱৰ পৰা ঘাটলৈ শিলগুটি তোলোঁতে বহুখিনি উঠি আহিব লাগে। বোজাই টুক্‌ৰী মূৰত লৈ পৰি যায় বুলি মোৰ ভয় হয়।

সহানুভূতি দেখুৱাবলৈ এদিন কুতুবক কৈছিলো—"তুমি নো এইবোৰ কাম কৰিবলৈ কিয় আহিছা ?"

তৎক্ষণাৎ কুতুবৰ খং উঠি গ'ল।

"লেখি লেখি শিলগুটি লৈ পইচা দিব। মই আপোনাৰ তাত বেচিকৈ পইচা খুজিছো নেকি ?"

মনে মনে থাকিলো। কুতুবক জোকোৱা ঠিক নহয়।

পৱনে কথা কয় বেচি। শিলগুটিৰ হিচাপ লৈ তাৰো কেৰামত মিঞাৰ লগত কাজিয়া লাগিল। পৱনে জনালে যে কেৰামত মিঞাৰ দৰে বহুত মানুহ তাৰ দেখা আছে। কেৰামতৰো সেই একেটা উক্তি। কেৰামতে পৱনৰ শিলগুটিৰ জোখ লৈ লাগিল।

"তোমাৰ এইখন নাৱত দহ বাকছ শিলগুটি আনিবই নোৱাৰা। হিচাপত কিবা ভুল হৈছে।"

পৱনে ক'লে—"ভুল হৈছে যদি আৰু দহ বাৰ জুখি চোৱা। আকৌ জুখি চাই নাৱত দাগ কাটি দিয়া।"

কেৰামতে পৱনক শিক্ষা দিয়াৰ মতলব কৰিলে। তিনিআলিৰ মিস্ত্ৰীৰ দ্বাৰা বাকচ এটা বনাই আনিলে ; বাকচটো দেখি মোৰ সন্দেহ হ'ল। ডাঙৰ ডাঙৰ দেখি। জুখি চালো দীঘ পাঁচফুট তিনি ইঞ্চি, বলে দুই ফুট তিনি ইঞ্চি আৰু উচ্চতা তেৰ ইঞ্চি। হিচাপ কৰি

চালো আয়তন প্ৰায় তেৰ চি, এফ্, টি হয়। সাংঘাতিক কাণ্ড। এক বাকচৰ পৰিমান হ'ল দহ চি, এফ্, টি।

কেৰামতক ক'লো—"এইটো কি কৰিছা ?"

"নহয়, তাক অলপ শিক্ষা দিব লাগে। বৰ বাঢ়ি গৈছে। কাকো নামানে। তাক দেখি দেখি বাকীবোৰো বেয়া হব। একেবাৰে ঘাটৰ দাঁতিত পাথৰ থয়। বাগৰি আকৌ নৈত পৰি যায়। অলপ দূৰত থব ক'লেই গণ্ডগোল লগাই দিয়ে।"

"নাই, নাই। সেই বুলি এনেকৈ ঠগাৱ নাপায়। ছিঃ। দেহামাৰি কাম কৰে। বাৰু, মই তাক ধম্‌কি দিম। ঘাটত ভালকৈ শিলগুটি থব কম।"

ৰঘুনন্দনক মাতি আনি তেতিয়াই বাকচটো ভাঙি দিয়ালো।

কিনকিন্‌কৈ বৰষুণ দি আছিল। জাৰকালিৰ বৰষুণ, অসম্ভৱ ঠাণ্ডা পৰিছে। নাওবোৰ ঘাটতে আছে। শিলগুটি আনিবলৈ যোৱা নাই। পানীত নামি শিলগুটি তুলিব লাগে। এই ঠাণ্ডাত কাম কৰা অসম্ভৱ।

ওস্তাদি মাৰি ৰামচেলাহঁতে মোহন ড্ৰাইভাৰক খাটিমিলি তিতিবুৰি তাৰ ট্ৰাকখনত একট্ৰাক শিলগুটি ভৰাই গুলাই গ'ল। সেই গ'ল যে গ'লেই। পাত্তা নাই। ৰঘুনন্দনক খবৰ কৰিবলৈ পঠিয়ালো। সিও নোহোৱা হ'ল। নিজেই গুলালো। ঘাটলৈ অহা কেঁচা ৰাস্তাত ট্ৰাকৰ চকা পোত গৈ এক্‌চেল পৰ্য্যন্ত বহি গৈছে। বোকাই পানীয়ে মানুহ কেইজনৰ অৱস্থা নোহোৱা হৈছে। মোহন ড্ৰাইভাৰে আশা এৰি দি ষ্টিয়াৰিঙত মূৰ থৈ শুই আছে। ৰঘুনন্দনে ছাতি মূৰত লৈ থিয় হৈ ৰামচেলাহঁতক গালি পাৰি আছে।

"এনেকৈ নহব। ট্ৰাকখন আনলোড কৰা। শিলগুটিবোৰ পেলাই দিয়া। নহ'লে নহব।"

গোটেইখিনি শিলগুটি বোকাত পেলাই দি আৰু মানুহ মাতি



আনি খুঁজিমিলি ট্ৰাকখন বোকাৰ পৰা উদ্ধাৰ কৰা হ'ল। ৰামচেলাহঁত ঠক্‌ঠক্‌কৈ কঁপি আছিল। ডাবি দিলো।

"যোৱা। কাপোৰকানি সলাই লোৱা। নিউমোনিয়া হৈ মৰিব খুজিছা নেকি ?"

কি যে উৎপাত। ৰামচেলাই বোকাপানীৰ লেটিপেটি হৈ থকা অৱস্থাতে বোলে পিছফালৰ পৰা কতুকুক সাৱটি ধৰিলে। আকৌ হুলস্থুল লাগি গ'ল।

আবেলি কোব্বাতৰ চিঞৰবাখৰ শুনি গুলাই আহিলো। কোব্বাতৰ নাওখন সৰু। নাৱত মাছমৰা জাল এখনো আছে। নাৱত কোনো নথকাত ৰামচেলাহঁতে কোব্বাতৰ নাওখন লৈ মাছ মাৰিবলৈ গুলাই গৈছে।

কোব্বাতে ঘাটত জপিয়াই জপিয়াই চিঞৰি আছে।

"এটাইও নাও বাব নাজানে। মোৰ নাওখন মাৰিব আজি। আহক ঘাটলৈ ঘূৰি। বঠাৰে কোবাই মূৰ ফালিম।"

"কেতু আছে নে নাই লগত ?"

"আছে।"

"তেনেহ'লে ভয় নাই।" কোনোৰকমে কোব্বাতক শান্ত কৰিলো।

এই অসুৰ কেইটাক লৈ মহা জুলুম। কামকাজ নাথাকিলে গা বোধহয় মট্‌মট্‌ কৰে। কামো পিছে কৰিব পাৰে। শেষৰফালে পানী বঢ়াৰ আগেআগে দিনেৰাতিয়ে চিঞৰিচিঞৰি গান গাই গাই শিলগুটি কঢ়িয়াই শেষ কৰিলে। কোনোৰকম বিৰক্তি নাই। শ্ৰান্তি নাই ক্লান্তি নাই। শৰীৰত পৰিশ্ৰমৰ চিন নাই।

## ॥ বিশ ॥

কাম প্ৰায় শেষ হৈ আহিছে। বহাগৰ আগতেই শেষ কৰিব লাগিব। গঙ্গাধৰৰ পানী বাঢ়িলে তলিৰ পৰা শিলগুটি তুলিব নোৱাৰা হব। শোভেলেৰে টুক্‌ৰীত তুলি পানীৰ তলতে জোকাৰমাৰি ধুই লব লাগে। পানী একআঠুৰ বেছি হ'লে শিলগুটি তুলিব নোৱাৰি। বৰষুণ দিলে ঘাটলৈ অহা কেঁচাআলিটোৰে ট্ৰাক চলোৱা মস্কিল হব। কাম প্ৰায় শেষ হৈছে। নাৱৰ কাম প্ৰায় শেষ। প্ৰায়বোৰ গ'লেই। ট্ৰাকৰ কাম আৰু কিছুদিন চলিব। মুঠতে দিগদাৰী একো নাই। বাকীখিনি কামো শেষ হব।

কাম শেষ হব। লাভো কিছু হব। পিছে অকল টকা পইচাৰ হিচাপ কৰিলেই জানো লাভ লোকচানৰ সঠিক চিত্ৰ ওলাই পৰিব? কিমানখিনি পালো আৰু কিমানখিনি ইতিমধ্যে হেৰুৱালো সেই হিচাপ কি ইমান সহজ?

অৰণ্যৰ কোনোবা এক আদিম জাতিৰ মানুহে মাত্ৰ তিনি পৰ্য্যন্ত হে লেখিব পাৰে। তাৰ বেছি হ'লে হ'ল ইনফিনিটি অৰ্থাৎ অসীম বা অসংখ্য। কোনটো মানসিক অৱস্থাত কিমানখিনি পালে প্ৰাপ্তিৰ পৰিমাণৰ সীমা পাৰ হৈ যায় কোৱা টান। সকলোবোৰেই হ'ল মানসিক অৱস্থা সাপেক্ষ।

হঠাতে ঢকা মাৰি দিলে মানুহৰ ভাৰসাম্য নষ্ট হব পাৰে। দেউতা জীয়াই থকা দিনবোৰ আমি প্ৰাচুৰ্য্যৰ মাজেৰে পাৰ হৈছো। অভাৱৰ চেহেৰা দেখিলেও তাৰ চৰিত্ৰ সম্বন্ধে কোনো ধাৰণা নাছিল। দেউতা ঢুকোৱাৰ লগেলগে দাৰিদ্ৰ্যৰ ভয়ঙ্কৰ ৰূপ দেখি আতঙ্কিত হৈ উঠিলো।



অভাৱে সাধাৰণ মানুহক সৰু কৰে। মোৰো মনত এটা নীচাত্মিকা ভাৱৰ সৃষ্টি হৈছিল। দাৰিদ্ৰ্য সম্বন্ধে মনত এটা আতঙ্ক আছিল। দাৰিদ্ৰ্যৰ চিন মচি দিয়াৰ এটা সঙ্কল্প আছিল।

বিদ্যুৎ সৰবৰাহ বন্ধ হ'লে গোটেই অঞ্চলটো যেনেকৈ নিৰন্ধ্ৰ আন্ধাৰত ডুব যায়, দেউতাৰ মৃত্যুৰ পিছত আমাৰ অৱস্থাও হ'ল তেনেকুৱা। শেষৰ পিনে কিছুদিনৰ পৰা দেউতাৰ গা ভাল নাছিল, উপাৰ্জন কমি গৈছিল, কিন্তু খৰচৰ মাত্ৰা অলপো কমা নাছিল। উপায়ো নাছিল। ৰাতিপুৱা সত্য মাঝিয়ে আটাইতকৈ ডাঙৰ মাছটো চোতালত পেলাই দি গৈছিল, হৰেকান্ত গুৱালে দৈ গাখীৰৰ ভাৰ লৈ ওলাইছিল। হঠাতে নালাগে বুলি ক'লে সিহঁতেই হতবুদ্ধি হৈ গ'ল হয়। আলহী থকাৰ কাৰণে এটা ঘৰ আৰু আমাৰ ঘৰত থাকি স্কুলত পঢ়া ল'ৰাৰ কাৰণে বেলেগ এটা ঘৰেই আছিল। দুয়োটা ঘৰ কেতিয়াও খালী থকা নাছিল।

দেউতাৰ উপাৰ্জন আছিল সম্পূৰ্ণৰূপে দেউতাৰ কৰ্ম্মক্ষমতাৰ ওপৰত নিৰ্ভৰশীল। দেউতা নোহোৱা হ'ল, উপাৰ্জনো নোহোৱা হ'ল।

জীৱনধাৰণৰ মানৰ এই বৈষম্য আমাৰ কাৰণে আছিল অধিকতৰ পীড়াদায়ক। আমাৰ মনত অহেতুক এটা জটিলতাৰ সৃষ্টি হৈছিল। মধুপুৰত আমাৰ পৰিয়ালৰ আগৰ দৰে মান সন্মান নাই বুলি মিছাকৈ আমাৰ মনত এটা ধাৰণা সোমাইছিল।

মিছা কথা নহয়। টকা মই ঘটিব খুজিছিলো। বহু, বহু টকা। অজস্ৰ টকা। মহাযুদ্ধৰ পিছৰ সময় ছোৱাৰ কথা। টকাৰ মূল্য আৰু শক্তি সম্বন্ধে মই অজ্ঞ নাছিলো। এম, এ পাচ কৰি শিক্ষকতা বা অইন কিবা সাধাৰণ কাম কৰি কিমান টকা নো পাব পাৰি? অতি দীঘলীয়া প্ৰণালী। প্ৰতিক্ষা কৰি থকাৰ ধৈৰ্য্য সকলোৰে নাথাকে। মোৰো নাছিল। মোক বৰ সোনকালে টকা লাগে, বহুত টকা।

জোন বাই এ, বেজী এটি দিয়া।
বেজী নো কেলেই ?
মোনা সিবলৈ।
মোনা নো কেলেই ?
ধন ভৰাবলৈ।

কাম প্ৰায় শেষ হৈ আহিছে। ভালেই লাভ হব। পিছে ক'ত ? লাভৰ হিচাপে তো মোক উল্লসিত কৰিব পৰা নাই। কেতিয়াবা নিশ্চয় এনেকুৱা সময় আহে যেতিয়া একোবেই কোনো অৰ্থ নোহোৱা হয়। সুখ, দুখ, আশা, আকাঙ্ক্ষা, সকলো যেন অৰ্থহীন। মিথ্যা। হাতেৰে খামোচ মাৰি ধৰাৰ কাৰণে একোয়েই নাথাকে। গুৰি হৈ আঙুলিৰ ফাকেৰে সৰকি যায়। সকলো ভুল, সকলো মিথ্যা। ছাঁক সাৱটি ধৰাৰ চেষ্টাৰ দৰে অৰ্থহীন প্ৰয়াস।



## ॥ এটৈকশ ॥

নাওবোৰ গুচি গৈছে। নাও লৈ কাম কৰিবলৈ অহা সকলো মানুহ গুচি গৈছে। হাৰাণ, কাদেৰ, পৱন, মাণিক, বৰকতুল্ল। আৰু বহুতো। ইহঁতৰ প্ৰত্যেকজনেই বৰ ভাল মানুহ। সৰল আৰু ভদ্ৰ। ইহঁতৰ আন্তৰিকতাত সঁচায় মই অভিভূত। একাষাৰ ভাল মুখৰ মাত, অলপ সহানুভূতিৰ প্ৰকাশ। বচ্। সিখিনি হ'লেই সিহঁতে যথেষ্ট পোৱা যেন পায়। যোৱাৰ সময়ত প্ৰত্যেকজনেই মাত লগাই গ'ল। মই কেম্পত নথকা কাৰণে কুতুবে মোক মাত একাষাৰ লগাই যোৱাৰ কাৰণেই বিনাকামে দুদিন নাও লৈ ঘাটত থাকি গ'ল। যোৱাৰ আগতে বয়সীয়াল মানুহজনে খোকাখুকি মাতেৰে ক'লে—"বাবু বহুত দিন তোমাৰ কাম কইৰলং। কিবা দায় দোষ কৰিলে খেমা কৰেন। এই বয়সত মুই বহু মান্ষি দেখনু। তোমাৰ নিচিনা কোটেও দেখং নাই। আৰো তোমাৰ কামকাজ হৈলে মোক খবৰ একটা দেন। কাউয়া একটাৰ মুখত খবৰ পাইলেও আসিম।"

বেয়া লাগে। মনটো টনটনাই উঠে। কামৰ মাজতো ইহঁতৰ লগত এটা আন্তৰিকতা গঢ়ি উঠিছে। এই ভাৱি আৰু বেয়া লাগে যে ইহঁতৰ লগত আকৌ দেখা হোৱাৰ সম্ভাৱনা কম। জীৱনত আৰু হয়তো ইহঁতৰ কাৰো লগত দেখা নহব। ঠিকাদাৰী কৰিলে আকৌ ইহঁতক লাগিব। দেখা নোহোৱাৰ কাৰণ নাই। কিন্তু মোৰ দৃঢ় বিশ্বাস যে নহব, দুনাই আৰু ইহঁতৰ লগত মোৰ দেখা নহব।

কাম শেষ হৈছে। গুচি যাম। তাৰ কাৰণে মনটো ইমান উদং উদং লগাৰ কথা নহয়। মনত ভাৱ হৈছে যেন আগমনী ঘাটৰ পৰা

নহয়, জীৱনৰ এক বিশেষ অধ্যায়ৰ পৰা মই চিৰদিনৰ কাৰণে বিদায় লবলৈ ওলাইছো।

যোৱা কেইদিনৰ পৰা কেম্পত এসাজ ভাত খাবলৈ আহৰি পোৱা নাই। নিমন্ত্ৰণ খাই আছো। গুলমহম্মদ চাচাৰ ঘৰত, ডাক্তৰ চৰকাৰৰ ঘৰত, কম্পাউণ্ডাৰ দত্তৰ ঘৰত। প্ৰত্যেকৰ তাতেই এসাজ খাবলগীয়া হৈছে। নাখালে মনত কষ্ট পাব।

এওঁলোক প্ৰত্যেকৰ পৰাই মই পাইছো নিস্বাৰ্থ চেনেহ আৰু মৰম। জীৱনৰ বাটত এই হ'ল মোৰ চিৰউজ্জ্বল অমূল্য সম্পদ। ঠিকাদাৰী কৰি লাভ লোকচান কি হ'ল সেই হিচাপ কৰোঁতে এইবোৰ কথা পাহৰিলে হিচাপ ভুল হৈ যাব।

গনেশ ড্ৰাইভাৰেও অত্যন্ত ভয়ে ভয়ে মোৰ অনুমতি লৈ মোক ভাত খাবলৈ মাতিলে। মই তাৰ মানসিক অৱস্থা উপলব্ধি কৰিব পাৰো। মই জানো যে গণেশৰ দৰে মানুহে ভাত খাবলৈ মতাটো আমাৰ শ্ৰেণীৰ বহুতৰে কাৰণে অসম্মানজনক।

শ্ৰীদাম মণ্ডলৰ ছোৱালীৰ লগতেই গণেশৰ বিয়া হৈছে। মণ্ডলৰ খেতিৰ মাটি বহুত। গণেশে সেইবোৰ চোৱাচিতা কৰে। কেতিয়াবা নিজেও হাল বায়। বেচ সুখী যেন বোধ হয়।

গণেশৰ বিয়াৰ কথা লৈ মই শ্ৰীদাম মণ্ডলকে লগ ধৰিছিলো। প্ৰথমেই তেওঁ মোৰ কৈফিয়ৎ তলব কৰিলে।

"তাৰ বিয়াৰ কথাত আপুনি কিয় ?"

মই অপ্ৰস্তুত হ'লেও নিজকে চম্ভালি ক'লো—"ধৰকচোন। মোক তাৰ অভিভাৱক বুলি ধৰক।"

গণেশক আচলতে শ্ৰীদাম মণ্ডলৰো পচন্দ। ল'ৰাজন দেখাত সঁচাকৈ বৰ ভাল। মণ্ডলে সমস্যাৰ কথা মোক বুজাই ক'লে। কথা হ'ল গণেশৰ স্থিতি নাই। অৰ্থাৎ মাটিবাৰী ঘৰ দুৱাৰ ক'তো একো নাই। সৰুতে মোমায়েকৰ তাত মাৰধৰ খাই ডাঙৰ হৈছে। অলপ ডাঙৰ হৈয়েই ইগাড়ী সিগাড়ীত উঠি অ'ত ত'ত বাগৰি ফুৰিছে।



আগতে হেন্দিমেনৰ কাম কৰিছে; এই সিদিনাহে ড্ৰাইভাৰ হৈছে। শ্ৰীদাম মণ্ডলৰ ভাষাত ল'ৰাজন হ'ল "বাউদিয়া" অৰ্থাৎ অঘৰী। বিয়া কৰাই কইনা তুলিব ক'ত ? ট্ৰাকত লৈ ফুৰিব নেকি ?

পাঁচশ টকা দিব লাগিব বুলি কোৱা কথাটো হ'ল এটা কথাৰ কথা। পাঁচশ টকা দিলেও নহব। হাজাৰ টকা দিলেও নহব। একমাত্ৰ ছোৱালী মণ্ডলৰ। ছোৱালী 'বেচি খোৱাৰ' অৰ্থাৎ বিক্ৰি কৰাৰ তেওঁৰ দৰকাৰ নাই। তেওঁৰ যি মাটিবাৰী আছে সকলো ছোৱালীৰেই। ভগবানৰ ইচ্ছাত খাব নোপোৱা অবস্থা নহয় তেওঁৰ।

মানুহজন বেয়া নহয়। সৰল। বুজা গ'ল বেচ সমস্যাত পৰিছে।

"ঘৰৰ মানুহজনীয়েও গণেশৰ কথা লৈ খেচ্‌খেচ্ কৰি আছে। আপুনিও আহিলে। সঁচা কথা কওকচোন। ল'ৰাজন কেনেকুৱা ?"

বুজিলো আশা সম্পূৰ্ণৰূপে এৰি দিবলগীয়া কথা নহয়। খুব আপোন মানুহৰ দৰে মণ্ডলে ফুচ্‌ফুচাই ক'লে—"কি কম আপোনাক ? ছোৱালীজনীৰো বোলে গণেশত মন খাইছে। কি যে কৰো ? আপুনি কি কয় কওঁকচোন।"

ছোৱালীজনীক মণ্ডলে অতিপাত মৰম কৰে। তাইৰ ভবিষ্যতৰ কথা ভাৱি বেচ চিন্তাত পৰিছে। শেষ পৰ্য্যন্ত সৰ্ত্তসাপেক্ষে তেওঁ গণেশক ছোৱালী দিবলৈ মান্তি হ'ল।

"এঃ, যি হয় হব। সি যদি মোৰ ছোৱালীৰ লগত ইয়াতেই থাকে তেনেহ'লে তাকেই মই ছোৱালী দিম। ছোৱালীক ইয়াৰ পৰা লৈ যাব নোৱাৰে। মোৰ এই এক কথা।"

গণেশৰ তাত অৰ্থাৎ শ্ৰীদাম মণ্ডলৰ ঘৰত বেচ তৃপ্তিৰে খালো। এজন মানুহৰ কাৰণে হ'লেও যথেষ্ট আয়োজন কৰিছিল। আমি কি ধৰণৰ খোৱাবোৱাত অভ্যস্ত বাহিৰত থাকি থাকি গণেশে সেইবোৰো জানে। চোতাল নিকাকৈ মচি তাতেই পীৰা পাৰি ভাত দিছিল। গণেশৰ পৰিবাৰে ভাত আঞ্জা আনি দি দূৰৰ পৰা আঠু লৈ সেৱা

কৰিলে। লক্ষ্য কৰিলো লাজ আৰু শঙ্কাত তাই অলপ অলপ কঁপি আছে। শ্ৰীদাম মণ্ডল আৰু গণেশ কৃতাৰ্থৰ দৰে চোতালত থিয় হৈ থাকিল। সকলোৰে অকৃত্ৰিম আন্তৰিকতাখিনি বৰ ভাল লাগিল।

গণেশৰ পৰিবাৰো গণেশহঁতে কিবা দিব থব কয় যদি সেই নিৰ্দ্দেশ তৎক্ষণাৎ পালন কৰাৰ কাৰণে স সঙ্কোচে চোতালৰ এটা চুকত থিয় হৈ থাকিল। মাজতে শ্ৰীদাম মণ্ডলে বাৰীৰ পৰা গৰু খেদিবলৈ গ'ল। মই গণেশৰ পৰিবাৰক ক'লো—"আজিকালি তুমি ধুতী নিপিন্ধা? পাগুৰি মাৰি থাকিলে তোমাক ভালেই দেখা হব দেখোন। গণেশ, কি কোৱা?"

গণেশে হাঁহি দিলে। হাঁহি চেপি ৰখাৰ প্ৰয়াস স্বৰূপে গণেশৰ পৰিবাৰে কপট খঙত কলা চকুৰে কৃত্ৰিম খং প্ৰকাশ কৰিলে।

খুব তৃপ্তিৰ সৈতে ভাত খালো।

গণেশক খুব সুখী যেন বোধ হ'ল। এটা সংশয় মনত আছিল। ভিন্ন জীৱনযাত্ৰাত অভ্যস্ত গণেশে এই নতুন সুৰৰ লগত সুৰ মিলাই চলিব পাৰিব নে নাই? পিছে সংশয়ৰ কাৰণ নাই। ইমান দিনে ঘৰ নাছিল কাৰণেহে সি আছিল অঘৰী।



## ॥ বাইশ ॥

জীৱনটো যদি সকলো সময়তে এটা মসৃণ পথেৰে গৈ থাকিলে হয়! পিছে সেইটো নহয়। বাৰেবাৰে ছন্দ পতন হয়, বাৰেবাৰে বৰ অকৰুণ ভাৱে তাল কাটি যায়। মৰ্ম্মান্তিক ঘটনাটো ঘটে আগমনীৰ ঘাটত। আমাৰ কামৰ লগত আপাতদৃষ্টিত কোনো সম্বন্ধ নাই। কিন্তু আগমনীৰ ঘাটৰ ফালে চকু ফিৰালেই সেই মৰ্ম্মান্তিক ঘটনাৰ দৃশ্যটোও দৃশ্যপটত ফুটি উঠে।

নাওবোৰ আগতেই গ'ল। অইন ট্ৰাকবোৰো গ'ল। মালবস্তু পঠিয়াই দিয়া হৈছে। কেৱল সূৰ্য্যবাবুৰ ট্ৰাকখন আছে। ৰঘুনন্দন, ৰামচেলা এনেকুৱা দুই চাৰিজন মানুহ আছে। কাম শেষ। সামান্য কাটছাট বাকী আছে। আজিয়ে শেষ হব। কাইলৈ বাকী চালি দুখন ভাঙি মালবাহানি লৈ আমিও গুচি যাম। সূৰ্য্যবাবুৰ ট্ৰাকখন সেই কাৰণে ৰাখি থৈছো।

দুপৰীয়া সূৰ্য্যবাবুয়ে তেওঁৰ ট্ৰাকখনেৰে বাটৰ কাষত পৰি থকা বক্সিং কৰা বাকচ দুটা আনিবলৈ গৈছে। ৰঘুনন্দনে নৈত গা ধুই আছিল। মৰোঁজীউ কৰি লৰৰি আহিল। আতঙ্কত তাৰ চকুদুটা ঠেলি ওলাই আহিব খুজিছে।

"কিষণলাল পগলা হৈছে। ঘাঁহী কান্দুক গছকি ফেনকি চিনছাপ নোহোৱা কৰি দিছে। আমাৰ এইফালে আহি আছে। সকলোকে শেষ কৰিব। হে ভগৱান!"

দেখিলো হাতীটো আমাৰ চালিটোৰ ফালেই আহি আছে। খুব ধীৰে সুস্থে। পগলাৰ চিন নাই। যেন গভীৰ চিন্তাত মগ্ন। উন্মুক্ত

পথাৰেদি পলোৱাৰ চেষ্টা কৰাটো আত্মহত্যা কৰিব যোৱা যেন হব। চালিৰ ভিতৰৰ পৰাই জপোৱা সৰু খিড়িকীৰ ফাকেৰে কম্পিত বক্ষে হাতীটোৰ গতিবিধি লক্ষ্য কৰি থাকিলো।

কিষণলাল আমাৰ চালিটোৰ পৰা অলপ দূৰত আমগছজোপাৰ তলত থিয় হ'ল। চিন্তিত অন্যমনস্ক ভাৱ। কাণদুখন স্থিৰ। স্বাভাৱিক অৱস্থাত হাতীৰ কাণ দুখন লৰি থাকে। লক্ষণটো ভয় লগা।

এনেতে ক'ৰবাৰ পৰা হাতত ফই লৈ মহেশ লৰৰি আহিল। সভয়ে আৰু সবিস্ময়ে দেখিলো মহেশ পিছপিনৰ পৰা হাতীটোৰ ফালে আগবাঢ়ি গৈ আছে।

"হে বাপ্, হে বাপ্।"

এই বুলি কৈ কৈ আগবাঢ়ি গৈ হাতীৰ পিছফালৰ ভৰি দুখন বান্ধি পেলালে। মানুহৰ সাহসৰ এনেকুৱা নিৰ্ভেজাল দৃষ্টান্ত মই আগতে দেখা নাছিলো।

কিছুদিনৰ পৰা দুপৰীয়া কিষণলালক ঘাটত গা ধুৱাব আনে। মধুপুৰৰ জমিদাৰৰ হাতী। জমিদাৰৰ বহু হাতী। শিৱজী, জয়বাহাদুৰ উত্তমসিং, কিষণলাল এইবোৰ হ'ল হাতীৰ নাম। খুব শিক্ষিত হাতী। জমিদাৰৰ চিকাৰৰ চখ আছিল। বাঘ চিকাৰ কৰোঁতে হাতীৰ পিঠিত হাউদাত উঠি চিকাৰ কৰে। শিক্ষিত হাতী। বাঘক আগত দেখিলেও অস্থিৰ নহয়। এবাৰ হেনো বাঘ এটাই জাপমাৰি আহি শিৱজীৰ মূৰত খামুচি ধৰিছিল। শিৱজীয়ে অবিচলিত ভাৱে শুৰডালেৰে বাঘটোক নমাই আনি ভৰিৰে গচকি মাৰিছিল। এনেকুৱা শিক্ষিত হাতী নহ'লে ডাঙৰ চিকাৰ কৰিব নোৱাৰি। বাঘ দেখি ভয় খাই হাতীয়ে লৰ মাৰিব লাগিলে চিকাৰীৰ প্ৰাণ সংশয়। হাতী ধৰিবলৈও এই হাতীবোৰক ব্যৱহাৰ কৰা হৈছিল।

এই হাতীবোৰক জমীদাৰী এলেকাৰ বিভিন্ন কাছাৰীত ৰখা হৈছিল। সকলোবোৰ হাতীক একে ঠাইতে ৰাখি সৰহদিন খোৱা



বস্তু যোগোৱা টান। দুৰ্গা পূজাৰ সময়তহে সকলোবোৰ হাতীক মধুপুৰলৈ অনা হৈছিল। সপ্তমী পূজাৰ আগদিনা বিশ পঁচিশটা হাতীৰে সমদল কৰি নৈৰ পাৰৰ পৰা মন্ত্ৰপূত বেল মহামায়াৰ মাঠত সজোৱা মন্দিৰলৈ অনা হৈছিল। সজ্জিত হাতীবোৰৰ ডিঙিত ওলোমাই দিয়া ঘণ্টাবোৰ বাজিছিল ঢং ঢং ঢং। আমি এই শব্দ শুনি সমদল চাবলৈ উধাতু খাই লৰৰি আহিছিলো।

মানুহে কান্দুৰ মৰা শটো ঘাটৰ ওপৰত তুলি আনিলে। বাহিৰৰ পৰা দেখাত আঘাতৰ কোনো চিন নাই। কাণৰ ফুটাৰে সামান্য তেজ ওলাইছে মাত্ৰ। ৰঘুনন্দনে ক'লে যে কিষণলালে কান্দুক এনেকৈ হেঁচামাৰি ধৰিছিল যে দুয়োটা দাঁত কান্দুৰ গাৰ দুয়োফালে বালিত পোত গৈ হাতীৰ মূৰটোৱে তাক চেপি ধৰিছিল। এতিয়াহে মহেশে সিফালে চকু দিলে।

কান্দুৰ গাত পৰি মহেশে হুবাওবাৱে কান্দিবলৈ ধৰিলে।

"দাদাক মুই কেমন কৰি মুখ দেখাইম? দাদাক মুই কি কইম? দাদাই মোক অত কৰি কৈছে ছাৱাটাক তুই দেখিস।"

হঠাতে উঠি আহি মোৰ ভৰিৰ সমুখত বাগৰি পৰি মাটিত মূৰটো খুন্দিয়াব ধৰিলে।

"মুই ছাৱাটাৰ হাতত হাতি ছাৰি দিবাৰ গেনু কেনে? তুই মোকো মাৰি ফেলাওৰে, মোকো মাৰি ফেলাও।"

কিষণলালৰ মাহুত মহেশে ক্লাচ ফোৰ পৰ্য্যন্ত আমাৰ লগত পঢ়িছিল। মৈচন মাহুতৰ ল'ৰা। মহেশে তেতিয়াই হেনো হাতীক চলাব পাৰিছিল। তেতিয়া আমি মহেশক সমীহ কৰিছিলো। সপ্ৰশংস দৃষ্টিৰে তাৰ ফালে চাইছিলো।

কিষণলাল জমিদাৰৰ ডাঙৰ হাতীবোৰৰ এটা। ইমান ডাঙৰ হাতীৰ মাহুত হ'লেও তাক আজি আৰু বীৰ যেন নালাগে।

কিষণলাল কিছুদিনৰ পৰা আগমনী কাছাৰীত আছিল। দুপৰীয়া ঘাটত গা ধুৱাব আনে। তেতিয়া ঘাটত বিশেষ মানুহ নাথাকে।

নাওবোৰ শিলগুটি আনিবলৈ যায়। ট্ৰাকবোৰে শিলগুটি কঢ়িয়ায়। মহেশে ঘাঁহী কান্দুক বাৰেবাৰে সাৱধান কৰি দিয়ে—"হে বাপ। ইয়াক কেতিয়াও নোজোকাবি। জোকালে খং উঠে। খং উঠিলে কিবা অকাম কৰি পেলাব। হে বাপ, চাবি।"

কান্দু মহেশৰ ভতিজা ল'ৰা। ইহঁতে বংশানুক্ৰমে এই কামকে কৰি আছে।



॥ তেইশ ॥

ডেকাল'ৰাজনৰ এনেকুৱা অপঘাত মৃত্যুয়ে সকলোৰে মনত এটা বিষাদৰ ছাঁ পেলালে। অনাৱশ্যক আৰু অৰ্থহীন মৃত্যু। নীৰৱে আৰু যান্ত্ৰিকভাৱে ৰামচেলাহঁতে টুকিটাকি কাম যিখিনি আছিল শেষ কৰিবলৈ ল'লে। নায়েব গোপাল ৰায়ে তেতিয়াই বাচেৰে মানুহ পঠিয়াই গোলকগঞ্জ থানাত খবৰ দিয়ালে। দাৰোগাই মৰাশটো হাচপাতাললৈ লৈ যোৱাৰ কাৰণে ট্ৰাকখন দিবলৈ মোক অনুৰোধ কৰিলে। সূৰ্য্যবাবু যাবলৈ মান্তি হ'ল।

ফাইনাল বিল সম্বন্ধে চেক্‌চনাল অফিচাৰ ভট্টাচাৰ্য্যৰ লগত আলোচনা কৰি কেম্পলৈ আহোঁতে অলপ ৰাতি হ'ল। আহি পাইছো মাত্ৰ। সূৰ্য্যবাবুৰ ট্ৰাকৰ হেন্দিমেনজনে লৰৰি আহিল। উদ্‌ভ্ৰান্ত ভাৱ। মনটো চঞ্চল হৈ আছিল। জাপমাৰি উঠিলো। সূৰ্য্যবাবুয়ে হেনো তেওঁৰ ট্ৰাকখন গঙ্গাধৰ নৈত পেলাই দিবলৈ স্থিৰ কৰিছে।

"কোনে ক'লে ?"

"নিজেই ভোৰভোৰাই ওলাই গ'ল—এদিন নহয়, দুদিন নহয়। দিনৰ পিছত দিন। কিমান চলাবি এইখন ট্ৰাক? যাও, আজি ইখনক নৈত পেলাই দি লেঠা মাৰি থওঁ।"

ইমান সংযত স্বভাৱৰ মানুহজনে হেনো মদ খাই টং হৈ আছে। গোলকগঞ্জৰ পৰা মদ আনি গধূলিৰ পৰা খাই আছে।

ট্ৰাকখন ষ্টাৰ্ট দিয়াৰ শব্দ হ'লেই। সূৰ্য্যবাবুয়ে ট্ৰাকখন বেক কৰি নৈৰ থিয় গৰাৰ দুই হাতৰ ভিতৰত আনি পেলালেই। লৰৰি গ'লো কিন্তু লাভ নাই। ট্ৰাকখন তো গ'ল, লগতে মানুহজনো গ'ল। পিছে

দৈবই যেন ভেটা দিলে। কেইদিনমান আগতে বৰষুণ পৰি সৃষ্টি হোৱা নলাৰ দৰে গাঁত এটাত পিছফালৰ চকা ছুযোৰ বোকাত বহি গৈ বন্‌বন্‌কৈ ঘূৰিব ধৰিলে। সূৰ্য্যবাবুয়ে প্ৰাণপণে এক্‌চিলটৰ দাবাই আছে। ইমান জোৰে ৰেচ কৰিছে যে ইঞ্জিনটো ফাটি যাব যেন লাগিছে। অসাফল্যৰ ক্ষোভত সূৰ্য্যবাবুৰ মুখখন বিকৃত হৈ গৈছে।

"এই সুৰ্য্যবাবু।"

"হুঁ।"

"নামক। নামি আহক।"

"গৈছো।"

"ইচ্ছামতে সকলো কাম কৰিব নোৱাৰি নহয়।"

"এৰা, নোৱাৰি।"

"ব'লক।"

"ট্ৰাকখন ?"

"থাকক। ৰাতিপুৱা মানুহ লগাই উঠাব লাগিব।"

ঘাটৰ ইমান দিনৰ সহজ আৰু মসৃণ জীৱন কিয় বাৰু আজি বাৰেবাৰে এনেকৈ বিঘ্নিত হৈছে ? কিয় ? কিয় ?

অলপ সময়ৰ মূৰত আকৌ এবাৰ সূৰ্য্যবাবুৰ খবৰ কৰিবলৈ গ'লো। তেওঁৰ চালিৰ সমুখত থিয় হৈ মাতিলো—

"সূৰ্য্যবাবু।"

"কওঁক।"

"আহিব পাৰো নে।"

"আহক।"

সূৰ্য্যবাবু আকৌ অতি শান্ত আৰু সংযত। মোক কেম্প টুলখনত বহিব দি তেওঁ কেম্পখাটত বহিলে। সঙ্কোচ এৰি মই তেওঁক সুধিলো "মাফ কৰিব। ইচ্ছা নকৰিলে উত্তৰ নিদিব। আপুনি আকৌ নতুনকৈ ঠিকাৰ কাম নকৰে কিয় ?"

সূৰ্য্যবাবু মনে মনে থাকিল। বহুত সময় ধৰি অস্বস্তিকৰ নীৰৱতা।



মই ভাৱিলো এই আলোচনাত তেওঁৰ আগ্ৰহ নাই। তেওঁক মিছাকৈ আমনি নকৰি উঠিম বুলি ভৱাৰ লগে লগে তেওঁৰ কথা কাণত পৰিল। "চৌধুৰীবাবু, কিবা ইচ্ছা কৰিবলৈ হ'লেও তো তাৰ কাৰণে ইচ্ছা লাগে। যেতিয়া উপলব্ধি কৰা যায় যে সকলো ভুল, সকলো অৰ্থহীন তেতিয়া কোনো ইচ্ছাই মনলৈ নাহে।"

আকৌ বহু সময় ধৰি অখণ্ড নীৰৱতা। আকৌ মই অস্বস্তি বোধ কৰিবলৈ ল'লো। সূৰ্য্যবাবুয়ে শান্ত ভাৱে আৰম্ভ কৰিলে—"এটা সময়ত মই তীব্ৰ গতিৰে হৰহৰকৈ তললৈ নামি গৈ আছিলো। পতনৰ গতিবেগ বাঢ়ি গৈ আছে। মোৰ মানসিক অৱস্থা অস্থিৰ, মেজাজ ৰুক্ষ। আপোনাৰ মনত থাকিব পাৰে কিছুদিন আগতে সদৰত এটা চাঞ্চল্যকৰ ঘটনা ঘটে। কেন্দ্ৰীয় চৰকাৰৰ এজন উচ্চপদস্থ বিষয়াই লোহাৰ ৰডেৰে কোবাই কোবাই নিজৰ পৰিবাৰ আৰু ছুজন ল'ৰাক হত্যা কৰে। এই ঘটনাটোৱে মোৰ পৰিবাৰৰ মনত সাংঘাতিক আঘাত দিয়ে। তেওঁ ভূতপ্ৰস্তৰ দৰে হৈ গ'ল। থাকে থাকে একোটা প্ৰশ্ন কৰে—'কুকুৰৰ দৰে কোবাই কোবাই মাৰিলে ? বাৰু ল'ৰা ছুজনক যেতিয়া কোবাই মাৰে সিহঁত দেউতাকৰ পিনে চাই আছিল নে নাই ?' আকৌ একোদিনা সোধে—'হয়নে ? জানা, আমাৰ জমাদাৰজনে কৈছে সৰুল'ৰাজনে হেনো ইচ্ছা কৰিলে পলাই সাৰিব পাৰিলে হয়। সি কি কৰিছে জানা ? ভয়তে লৰৰি আহি দেউতাককেই সাৱটি ধৰিছিল।' মোৰ পৰিবাৰ একেবাৰে ভূতপ্ৰস্তৰ দৰে হ'ল। তীক্ষ্ণ দৃষ্টিৰে মোৰ গতিবিধি লক্ষ্য কৰে। মোৰ সামান্য ভঙ্গী এটাতো চক্‌ খাই উঠে। তেওঁৰ চকুৰ পৰা তীব্ৰ আতঙ্ক বিচ্ছুৰিত হয়। এদিনা তেওঁ আমাৰ একমাত্ৰ ল'ৰা জনক লৈ পলাই মাকৰ ঘৰলৈ গুচি গ'ল।"

বহু সময় মনে মনে থাকি সূৰ্য্যবাবুয়ে ক'লে—"পৰিবাৰ এতিয়া এই এটা বিষয়ে সম্পূৰ্ণ অপ্ৰকৃতিস্থ। মই তেওঁক দেখা কৰিবও নোৱাৰো। নিজৰ পৰিবাৰে যদি দেখিলেই তীব্ৰ আতঙ্কত চিঞৰিব

আৰম্ভ কৰে তেনেহ'লে মানুহ এজনৰ মানসিক অৱস্থা কেনেকুৱা হয় আপুনি কল্পনা কৰিব পাৰে ?"

একোটা ঘটনাই একোজন মানুহৰ কি প্ৰভাৱ পেলায় কোৱা টান। এজনৰ চকুত সামান্য যেন লাগিলেও একেটা ঘটনাই অইন এজনৰ জীৱনৰ ৰূপটোকেই সলনি কৰি দিব পাৰে। সূৰ্য্যবাবু, আপোনাৰ কামৰ হিচাব কৰাৰ শক্তি মোৰ নাই।



## ॥ চৌৰিশ ॥

অত্যন্ত দ্ৰুতগতিত ঘটনাবোৰ ঘটি গ'ল। এটাৰ পিছত এটা। মনটো বৰ চঞ্চল হৈ আছে। ভাৰসাম্য অহাই নাই। ইমান দিনে মই চাৰিওপিনে বেৰ দি আৱৰি ৰখা এখন পৃথিৱীত আছিলো। এখন সমভূমি। অত্যুচ্চ পৰ্ব্বতো নাই অতলস্পৰ্শী সমুদ্ৰও নাই। আশা, আকাঙ্ক্ষা, উচ্ছ্বাস, বেদনা সকলো সীমিত। সকলোৱে প্ৰায় একে মাপৰ একেই মানুহ। প্ৰত্যেকৰে জীৱন একেটা সূত্ৰেৰে নিয়ন্ত্ৰিত। একেটা পৰিস্থিতিত প্ৰত্যেকৰে প্ৰতিক্ৰিয়া একেটাই। ৰাম, শ্যাম, যদু, মধু কোনেও মোৰ পৰা ভিন্ন নহয়। মোৰেই প্ৰতিবিম্ব। ময়েই।

বেৰেৰে আৱৰি ৰখা এই সুৰক্ষিত পৃথিৱীখনত থাকি মই আৰামত জীৱন কটাই দিব পাৰিলো হয়। এখন চিনাকি পৃথিৱী। মোৰ চাৰিওপিনে কেৱল মোৰ দৰে মানুহ। অসংখ্য মইয়েই।

কিন্তু ঠিকাদাৰী কৰিবলৈ গৈ মই সেই বেৰখন ভাঙি ওলাই আহিবলগীয়া হ'ল। মই দেখিলো পৃথিৱীখন মই ভৱাতকৈ বহু ডাঙৰ। মোৰ ওমলাঘৰৰ তুলাদণ্ডেৰে এই ডাঙৰ পৃথিৱীখনৰ মানুহক জুখিবলৈ গৈ মই বাৰেবাৰে ব্যৰ্থ হ'লো। ঠিকাদাৰী কৰিবলৈ নল'লে ৰামচেলা, কেতু, কট্কু, জীতন, সূৰ্য্যবাবু, এই অগণন মানুহক জীৱনত কেতিয়াও লগ নাপালো হয়। সকলো প্ৰচলিত মতবাদক বিনা দ্বিধায় মানি ল'লো হয়। চেক্‌চনাল অফিচাৰ ভট্টাচাৰ্য্যকো লগ নাপালো হয়। পি, ডব্লু, ডি তো যে ভাল বিষয়া থাকে বিশ্বাস নকৰিলো হয়।

কাম শেষ হ'ল। শিলগুটি আৰু শিলগুটি। ইমানদিনে অইন সকলো চিন্তাভাৱনা শিলগুটিৰ তলত চেঁপা পৰি আছিল। অইন চিন্তাবোৰে আকৌ মূৰ দাঙি উঠিছে।

সঁচাকৈ, ইমান দিন কাম লৈ বৰ ব্যস্ত হৈ আছিলো। শিলগুটি আৰু শিলগুটি। অইন সকলো চিন্তা শিলগুটিৰ তলত চেঁপা পৰি আছিল। অইন চিন্তাবোৰে আকৌ মূৰ দাঙি উঠিছে।

ইমান দিন কোনোফালে চকুকাণ দিব পৰা নাই। সময়েই পোৱা নাই। আত্মীয় স্বজন কাৰো লগত এক প্ৰকাৰ দেখা সাক্ষাৎ হোৱা নাই। মঞ্জুলাৰ লগতো দেখা হোৱা নাই। কোনো খবৰো লব পৰা নাই। সুৰেশ্বৰে কৈছিল তাই হেনো বেয়া হৈছে। মিছা কথা। হবই নোৱাৰে। ফুটফুটীয়া, ধুনীয়া, মৰমলগা ছোৱালীজনী। বহুদিন আগতেই খুৰীদেৱে হেনো মোৰ লগত তাইৰ বিয়াৰ কথা লৈ মাক কিবা কৈছিল। হাঁহি উঠা কথা। এতিয়াই মোৰ বিয়াবাৰুৰ প্ৰশ্ন নুঠে। মাক খাটাং কৈ দিছো তেওঁ যেন কাকো কোনো কথা নিদিয়ে। বিয়াৰ কথা মই এতিয়া ভৱাই নাই। থানথিত লগোৱাৰ পিছতহে দেখা যাব। আৰু মঞ্জুলাক বিয়া? পাগল নেকি?

প্ৰেম? ডেট্ নহয়। বীৰৰ পূজা? হব পাৰে। অৱশ্যে মইয়ো বীৰ নহওঁ, মঞ্জুলাইও মোক পূজা নকৰে। তথাপিও। সৰু ঠাই মধুপুৰত তাইৰ চকুত মইয়েই ডাঙৰ। মই ঠিকাদাৰী কৰিম বুলি সিদ্ধান্ত লোৱাত তাই বেয়া পাইছে, মোক গালিও পাৰিছে। পাগলী। মই যেন তাই ভৱামতে চলিম।

তথাপিও। কাৰো মনত ঠাই লৈ থকাৰ এটা সুখানুভূতি আছে। এটা আশ্ৰয় আছে, কবলৈ গ'লে যেন এটা নিৰাপত্তাৰ ভাৱো আছে।

কাম শেষ কৰি আগমনী ঘাটৰ পৰা আজিয়েই আহিছো। গধূলি প্ৰতুল আহিল। প্ৰতুলক ক'লো—"ভাল লগা নাই। মনটো খালী খালী লাগি আছে।"



"লাগিবই। আৰু বেলেগ কিবা কামৰ টেণ্ডাৰ দিছ নেকি?"

"নাই দিয়া। নিদিওঁ নেকি।"

কথাই কথাই প্ৰতুলে ক'লে—"বিপিন সাহাৰ লগত মঞ্জুলাৰ যোৱাকালি চিভিল মেৰেজ হৈ গ'ল। শুনিছ নে নাই? খবৰটো শুনি মোৰ কিন্তু খুব বেয়া লাগিছে। সাহাৰ কথা তো জানো। ইমান মৰমলগা ছোৱালীজনী। সাহাই কেনেকৈ লভিলে বুজি পোৱা নাই।"

হঠাতে মোৰ মগজুৰ শব্দ গ্ৰহণ কৰিব পৰা সোঁতাটো বন্ধ হৈ গ'ল। দেখিলো প্ৰতুলে ওঁঠ দুখন লৰাই আছে। পিছৰ ফালে সি আৰু কি কৈ গ'ল তাৰ এটা শব্দও মই নুশুনিলো। প্ৰতুলকো দেখা নোপোৱা হলো। মোৰ চাৰিওফাল আন্ধাৰ হৈ আহিব ধৰিলে। খণ্ড খণ্ড ভাবে একোটা বস্তুৰ চিত্ৰ চকুৰ আগত ভাহি উঠিল। অৰ্থহীন, অসংলগ্ন। এটা ভগা শোভেলৰ নাল, তীব্ৰ গতিৰে ঘূৰি থকা ট্ৰাকৰ পিছফালৰ এযোৰ চকা।

নিৰাশ্ৰয়, নিৰালম্ব অৱস্থাত অসীম শূন্যৰ মাজেৰে মই পৰি যাব ধৰিলো। পতনৰ গতিবেগ ক্ৰমাৎ বাঢ়ি যাবলৈ ধৰিলে। পৰি আছো, পৰি আছো, নিৰন্ধ্ৰ আন্ধাৰৰ মাজেৰে পৰি গৈ আছো। ব্যাকুল ভাৱে কিবা এটা থাপমাৰি ধৰাৰ কাৰণে দুয়োখন হাত মেলি দিলো। হঠাতে মই স্বস্তিৰ নিশ্বাস পেলালো। টান বস্তু পাই দুয়োহাতেৰে খামোচ মাৰি ধৰিলো।

## ॥ পঁচিশ ॥

"এই, এই, কি হ'ল? উঠাচোন উঠা। সপোন দেখিছা নেকি?"

মুহূৰ্ত্তত সময় আৰু দূৰত্বৰ ব্যৱধান পাৰ হৈ আহিলো। শোৱা কোঠাৰ আৰামচকীত কাতি হৈ আছো। পৰিবাৰে মোৰ মুখৰ কাষত হালি মোক জোকাৰি আছে। আৰু মই দুয়ো হাতেৰে তেওঁৰ কান্ধত খামোচ মাৰি ধৰি আছো।

পৰিবাৰে ক'লে—"কি সপোন দেখিছিলা নো? আওঁ আওঁ কৰা শুনি সাৰ পালো। কান্ধত এনেকৈ খামোচ মাৰি ধৰিলা কিয়? কি যে কৰো মই এই মানুহজনক লৈ।"

গভীৰ নিৰাপত্তাৰ ভাৱ লৈ তেওঁৰ চকুৰ ফালে চালো। তেওঁৰ দুয়ো চকুৰ পৰা মৰম উপচি পৰি মোক বেষ্টন কৰি গৈ আছে। কৃত্ৰিম ৰুক্ষ সুৰত তেও মোক ডাবি দিলে।

"কিমান ৰাতিলৈ ইয়াত পৰি থাকিবা? হৈছে, উঠা, বিছনাত শোৱাহি। এই দুদিন ধৰি মানুহজনক যে কি ভূতে পাইছে? বাদ দিয়া তোমাৰ এই অতীতলৈ যাত্ৰা নে ফাত্ৰা। মইজে ইফালে হাহাকাৰ কৰি মৰো।"

মইয়ো হাঁহিলো। ক'লো—"ঠিকেই কৈছা। অতীতলৈ যোৱাৰ আৰু প্ৰয়োজন নাই।"

:—*—: